ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

OFFICIAL REPORT

TWEVELTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 10

Dated, the 26th August, 2014

Price : 424/-

DP925

CONTENTS

BUDGET SESSION

NO. 10

Dated, the 26th August, 2014

		Page
1.	QUESTIONS AND ANSWERS	1-115
2.	POINT OF ORDER	115-116
3.	VOTING ON DEMANDS FOR GRANTS	116-164
4.	ANNOUNCEMENT FROM THE CHAIR	164-167
5	ADJOURNMENT	167
6.	ANNEXURE I TO XXXVIII-A	168-1450

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

TUESDAY, THE 26TH AUGUST, 2014

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Pranab Gogoi, Speaker in the Chair.

STARRED

QUESTIONS AND ANSWERS

(To which ORAL replies were given)

বিষয় ঃ ৰাজহ চক্ৰ বিষয়া।

শ্ৰীজাহান উদ্দিনে সুধিছে ঃ

*২০১। মাননীয় ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমত কিমানটা বন্তৰস্তী প্ৰাধিকাৰী, সহকাৰী বনদৰস্তী প্ৰাধিকাৰী তথা চক্ৰ বিষয়াৰ কাৰ্য্যালয় আছে আৰু উক্ত কাৰ্য্যালয়সমূহত কিমানজন স্থায়ী আৰু অস্থায়ী বিষয়া কৰ্মৰত হৈ আছে?

(কাৰ্য্যালয়ৰ তালিকাৰ বিপৰীতে স্থায়ী আৰু অস্থায়ী বিষয়াৰ বিতং তালিকা দিব)

(খ) ধুবুৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত সংঘটিত হৈ থকা অনিয়ম তথা দুৰ্নীতি সম্পৰ্কে যোৱা ২ আগষ্ট, ২০১৪ তাৰিখে 'গণ-অধিকাৰ'

বাতৰি কাকতত প্ৰকাশিত 'ধুবুৰী ৰাজহ চক্ৰ কাৰ্য্যালয়ত অবাধ দুৰ্নীতি' শীৰ্ষক বাতৰিৰ উপৰিও কেইবাখনো ৰাজহুৱা, ব্যক্তিগত তথা বিভিন্ন দল সংগঠনে উক্ত কাৰ্য্যালয়ৰ চক্ৰ বিষয়াজনৰ ছত্ৰছায়াতে সংঘটিত হৈ থকা দুৰ্নীতি সম্পৰ্কে জিলা উপায়ুক্তকে ধৰি বিভাগটোৰ ঊৰ্ধ্বতম কৰ্তৃপক্ষক দাখিল দিয়া কেইবাখনো অভিযোগ পত্ৰসমূহ দৃষ্টিগোচৰ হৈছেনে?

(গ) যদি দৃষ্টিগোচৰ হৈছে, তেন্তে এই ক্ষেত্ৰত কেনে পদক্ষেপ গ্ৰহণ কৰিছে বা কৰিব? (সবিশেষ জনাব)

(ঘ) যদি কোনো পদক্ষেপ লোৱা নাই, তেন্তে নোলোৱাৰ কাৰণ কি?

(ঙ) জমিৰ ৰেকৰ্ড সংশোধন, নামজাৰী, জমি বেচা-কিনা আদিৰ ক্ষেত্ৰত চৰকাৰৰ কিবা সুকীয়া নিয়ম-নীতি আছেনে? (নিয়ম-নীতিৰ প্ৰতিলিপি সদনৰ মেজত দিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বৰ্তমান অসমত থকা বন্দৰস্তী প্ৰাধিকাৰী, সহকাৰী বন্দৰস্তী প্ৰাধীকাৰী আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ সংখ্যা নিম্নোক্ত ধৰণৰ :

<u>বন্তৰস্তী প্ৰাধীকাৰী : ৫টা</u>

(১) বন্দৰস্তী প্ৰাধীকাৰী, ধুবুৰী আৰু কোকৰাঝাৰ

(২) বন্দৰস্তী প্ৰাধীকাৰী, গোৱালপাৰা আৰু বঙ্গাইগাঁও

(৩) বন্দৰস্তী প্ৰাধীকাৰী, কাছাৰ আৰু হাইলাকান্দী

(৪) বন্দৰস্তী প্ৰাধীকাৰী, কৰিমগঞ্জ

(৫) বন্দৰস্তী প্ৰাধীকাৰী, চন্দ্ৰপুৰ

প্ৰতিটো কাৰ্য্যালয়ত অসম অসামৰিক সেৱাৰ ৰাজপত্ৰিত বিষয়া একোজনে মুৰব্বী হিচাপে কাৰ্য্যানিৰ্বাহ কৰে। জৰীপ ও বন্দৰস্তীৰ ব্যৱস্থা যদিও অস্থায়ী আৰু ঠাই বিশেষে অনুষ্ঠিত কৰা এক ব্যৱস্থা তথাপি ইয়াত কাৰ্য্যানিৰ্বাহ কৰা বিষয়াসমূহক বন্দৰস্ত সামৰণিৰ

পাছতে অন্য ঠাইত স্থলাভিষিক্ত কৰা হয়।

<u>সহকাৰী বন্তৰক্ষী প্ৰাধীকাৰী ঃ ১৩ টা</u>

(১) সহকাৰী বন্দৰক্ষী প্ৰাধীকাৰী, কৰিমগঞ্জ

(২) সহকাৰী বন্দৰক্ষী প্ৰাধীকাৰী, শিলচৰ (সদৰ)

(৩) সহকাৰী বন্দৰক্ষী প্ৰাধীকাৰী, মানকাছাৰ, দক্ষিণ শালমাৰা, বিলাসীপাৰা, আগমনি গোঁসাইগাঁও আৰু কোকৰাঝাৰ।

(৪) সহকাৰী বন্দৰক্ষী প্ৰাধীকাৰী, মাটিয়া, দুধনৈ, ৰংজুলি আৰু লক্ষীপুৰ।

উল্লিখিত আটাইবোৰ সহকাৰী বন্দৰক্ষী প্ৰাধীকাৰী পদত অতিৰিক্ত উপায়ুক্ত নাইবা ৰাজহ চক্ৰ বিষয়াই ভাৰপ্ৰাপ্ত বিষয়া হিচাপ কাৰ্য্যানিৰ্ৰাহ কৰি আছে।

<u>ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় ঃ ১৫৪ টা</u>

(বি টি এ ডি আৰু পাৰ্বত্য জিলা দুখনক সামৰি)

প্ৰতিটো কাৰ্য্যালয়ৰ বিপৰীতে থকা ৰাজহ চক্ৰ বিষয়াৰ পদবোৰ স্থায়ী। অস্থায়ী বিষয়া নাথাকে। অসমৰ সমূহ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ তালিকা এখন সংলগ্ন কৰা হ'ল। (See Annexure-I)

(খ) ধুবুৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত সংঘটিত দুৰ্নীতি সম্পৰ্কে চৰকাৰ অৱগত। ধুবুৰী জিলা উকীল সন্থাৰ পৰা এই সন্দৰ্ভত বিভাগে এখন অভিযোগ পাইছে আৰু বৰ্তমান সেই অভিযোগসমূহ জিলা উপায়ুক্তৰ তদন্তাধীন হৈ আছে। ইয়াৰ উপৰি যোৱা ২ আগষ্টৰ (২০১৪) তাৰিখৰ 'গণ অধিকাৰ' কাকতত প্ৰকাশিত ধুবুৰী ৰাজহ চক্ৰৰ কাৰ্য্যালয়ৰ দুৰ্নীতি সম্পৰ্কীয় বাতৰি আৰু আন ৰাজহুৱা, ব্যক্তিগত তথা বিভিন্ন দল সংগঠনে দিয়া অভিযোগসমূহ জিলা উপায়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

(গ) জিলা উপায়ুক্তই এই অভিযোগসমূহ তদন্তৰ বাবে অতিৰিক্ত উপায়ুক্ত (ৰাজহ)ক ন্যস্ত কৰিছে।

(ঘ) প্রশ্ন নুঠে।

(ঙ) জমিৰ ৰেকর্ড সংশোধন, নামজাৰী আদিৰ ক্ষেত্রত অসম ভূমি ৰাজহ অধিনিয়ম (ALRR, 1886) আৰু অসম ভূমিলেক্ষ্য নিয়মাৱলী (Assam Land Records Manual) প্রযোজ্য। কিন্তু বেচা-কিনাৰ ক্ষেত্রত The Registration (Assam Ammendment) Act, 2009 অনুযায়ী উপায়ুক্তৰ আগতীয়া আপত্তিবিহীন প্রমাণ-পত্র (NOC) প্রযোজ্য। সংশ্লিষ্ট আইনৰ ধাৰাৰ প্রতিলিপি দাখিল কৰা হ'ল।

(See Annexure-I-A)

* **শ্রীপৃথিৱী মাঝি (ৰাজহ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰ সদনত দিয়া আছে।

* **শ্রীজাহান উদ্দিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটো আছিল সমগ্র অসমত কিমান বন্দৰস্তী প্রাধিকাৰী, আৰু সহকাৰী বন্দৰস্তী প্রাধিকাৰী কার্য্যালয়ত কিমানজন চার্কোল অফিচাৰ অস্থায়ীভাৱে নিযুক্তি দিছে আৰু কিমানজনক স্থায়ীভাৱে নিযুক্তি দিছে। মন্ত্রী মহোদয়ে উত্তৰত ক'লে সমগ্র অসমত ৫টা আছে। ইয়াত স্থায়ী বিষয়াৰ কথা কোৱা হৈছে কিন্তু যিসকলক অস্থায়ীভাৱে নিযুক্তি দিয়া হৈছে তেওঁলোক সদায়ে অস্থায়ীভাৱে থাকিবনে? কিন্তু ৰাজহ চক্র বিষয়া কার্য্যালয়ত যি ১৫৪টা পদ আছে এই পদবিলাক স্থায়ী পদ। কিন্তু পৰিতাপৰ বিষয় এজনো চার্কোল অফিচাৰ স্থায়ী হিচাপে নাই। এই কার্য্যালয়বিলাক কেনেকৈ চলি আছে। তাৰ মানে একো নিয়ম-নীতি মানি চলা নাই। সেয়েহে বিভিন্ন ক্ষেত্রত ইয়াৰ দুর্নীতি চলি আছে। গতিকে এই কার্য্যালয়বিলাকত স্থায়ীভাৱে চার্কোল অফিচাৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোটেই কার্য্যালয়বিলাকত চার্কোল অফিচাৰ নিযুক্তি দিয়া হৈছে। আচলতে চার্কোল

---

* Speech not corrected

অফিচাৰবিলাক পার্চনেল বিভাগে আমাক দিয়ে আমি সেই মতে পোষ্টেং কৰো। স্থায়ী চার্কোল অফিচাৰ নাথাকে। এজন এজন বিষয়া ৩ বছৰৰ কাৰণে দিয়া হয়। স্থায়ীভাৱে বিষয়া নিযুক্তি দিব নোৱাৰি। কাৰণ এইটো ট্রেন্সফাৰেল জব। ধুবুৰীৰ ৩টা খালী হৈ আছিল সেই ৩টা পূৰণ কৰা ঠিক তেনেকৈ বাকী বিলাক জিলাতো ক্রমান্বয়ে পূৰণ কৰাৰ ব্যৱস্থা কৰি থকা হৈছে। গতিকে কোনো অসুবিধা হোৱা নাই।

* **শ্রীজাহান উদ্দিন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ক'লে যে স্থায়ী চার্কোল অফিচাৰ পদ নাই। এইটো চিন্তনীয়। যিজনে ৩ বছৰ ধৰি থাকে তেওঁকে স্থায়ী হিচাপে ধৰিব লাগে। দ্বিতীয়তে ধুবুৰী ৰাজহ চক্র কার্য্যালয়ত যথেষ্ট দুর্নীতি সংঘটিত হৈ আছে সেইবিলাক বাতৰি কাকততো প্রকাশ হৈছে, তাৰোপৰি ৰাজহুৱাভাৱেও বিভিন্ন দল-সংগঠনেও অভিযোগ উত্থাপন কৰি আহিছে, ইতিমধ্যে জিলাৰ উপায়ুক্তকো বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে অভিযোগ দিছে, কিন্তু দুখৰ বিষয় যে আজিলৈকে এই অভিযোগবিলাকৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নগ'ল। মোৰ হাততো এনে বহু অভিযোগ আহি পৰিছে। মন্ত্রী মহোদয়ে কৈছে জিলা উপায়ুক্তই তদন্ত কৰি আছে। কিন্তু আজিলৈকে তো আমি কোনো ব্যৱস্থা লোৱা দেখা নাই। গতিকে এইক্ষেত্রত সেই চার্কোল অফিচাৰজনৰ বিৰুদ্ধে কি ব্যৱস্থা ল'ব এইটো আমাক স্পষ্টীকৰণ দিব লাগে। নহ'লে মাটি কিনা-বেচা কৰাৰ ক্ষেত্রত সর্বসাধাৰণ ৰাইজ বিপদত পৰে। কাৰণ চার্কোল অফিচাৰজনে কিনা -বেচাৰ ক্ষেত্রত এন ও চি আদি দিয়াৰ ক্ষেত্রত ৰাইজক নানা হাৰাশাস্তি কৰি আহিছে। বহু অভিযোগ কৰিও ৰাইজে একো ফল পোৱা নাই। তাৰোপৰি এই যি বৃহৎ দুর্নীতি হোৱাৰ কথা কাকতত ওলাইছে তাৰ ওপৰত বিহীত ব্যৱস্থা মন্ত্রী মহোদয়ে ল'বনে?

* **শ্রীপৃথিৱী মাঝি** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে বাতৰি কাকতত ওলাইছে বুলি যি কৈছে সেই ক্ষেত্রত আমি ব্যৱস্থা লৈ আছো।

---

* Speech not corrected

ইতিমধ্যে আমি জিলা উপায়ুক্তক তদন্ত কৰিবলৈ দিছো। আচলতে দুর্নীতি টকা-পইচা দিয়াৰ ক্ষেত্ৰত দিয়াজনো দোষী আৰু লোৱাজনো দোষী। এইটো আমি ক'ব নোৱাৰো। কিন্তু ৰাইজ যাতে হাৰাশাস্তি নহয়, তাৰ বাবে আমি তদন্ত কৰাইছো। তদন্তৰ ৰিপোৰ্ট পালে আমি আইনগত ব্যৱস্থা ল'ম।

* **শ্রীআব্দুৰ ৰহিম খান** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাৰ্কোল অফিচ যিবিলাক নতুনকৈ বি টি এ ডি অঞ্চলত কৰা হৈছে, তাৰ লগত বৰনগৰৰ লগত বাহবাৰী, বিলাসীপাৰা ইত্যাদি গাঁও সংলগ্ন কৰি দিলে ভাল হয়। আচলতে যাতায়াতৰ কাৰণে সুবিধা আৰু প্ৰশাসনৰ কাৰণেও সুবিধা হয়। যদি সেই অঞ্চলৰ ৰাইজৰ আপত্তি নাথাকে তেনেহ'লে, এই অঞ্চলসমূহ বৰনগৰৰ লগত সংলগ্ন কৰাত আপত্তি থাকিব নালাগে। এইক্ষেত্ৰত বিধায়ক হিচাপে মই মন্ত্ৰী মহোদয়ক এটা অনুৰোদ জনাইছিলো। এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'বনে?

* **শ্রীপৃথিৰী মাঝি (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো মূল প্ৰশ্নৰ লগত সংলগ্ন নহয়। প্ৰশ্নত মাত্ৰ চাৰ্কোল অফিচৰ কথা আছে। তাত হনকলুচনৰ কথা নাই। মাননীয় বিধায়কগৰাকীয়ে হয়তো তৰাবিহীন প্ৰশ্নটো চাই কথা কৈ আছে। তথাপিতো মই তেখেতে কৈছে যেতিয়া মই পিছত চাম। কাৰণ আজি মই এই প্ৰশ্নৰ কাৰণে সাজু হৈ অহা নাই।

* **শ্রীফণী ভূষণ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে বহুতো চাৰ্কোল অফিচৰ নাম দিছে তাত বঙ্গাইগাঁও জিলাৰ কেইবাটাও চাৰ্কোল অফিচৰ নাম নাই। আমাৰ অসম অসম গণ পৰিষদ চৰকাৰৰ দিনত ১৯৯৬ চনত যি চৰকাৰ আছিল, তাৰ ২০০০, ২০০১ চনত যি নতুন ৰিভিনিউ চাৰ্কোল অফিচ গঠন কৰা হৈছিল তাত দাংটোল ৰিভিনিউ চাৰ্কোলটো গঠন কৰা হৈছিল, আৰু সেইটো বহুদিনলৈকে কার্য্যাক্ষম হৈ আছিল। আমি ভাবো এতিয়াও কার্য্যক্ষম

---

* Speech not corrected

হৈ আছে। কিন্তু মন্ত্রী মহোদয়ে যি লিষ্ট সদনত উত্থাপন কৰিলে তাত দাংটোল চাৰ্কোল অফিচৰ নাম নাই। আমি কিন্তু সেই সময়ত কেবিনেটত সিদ্ধান্তলৈ এই দাংটোল চাৰ্কোল গঠন কৰিছিলো।

মাননীয় অধ্যক্ষ ঃ আপুনি মূল প্ৰশ্নটোৰ লগত সংগতি ৰাখি প্ৰশ্ন কৰক।

* **শ্ৰীফণী ভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয় সন্দৰ্ভত এটা স্পষ্টীকৰণ বিচাৰিছো। এটা নিৰ্দিষ্ট তাৰিখ দি এই কাৰ্য্যালয়টো কাৰ্য্যক্ষম কৰিব লাগে।

* **শ্ৰীপৃথিৰী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৫৪টা চাৰ্কোল অফিচৰ উপৰিও আৰু কেইটামান নতুন চাৰ্কোল অফিচ কৰিবলৈ লোৱা হৈছে তাৰ কাৰণে এখন কমিটীও গঠন কৰি দিয়া হৈছে। দাংটোল চাৰ্কোলৰ যিটো কথা কৈছে, সেইটো কৰা হৈছেনে নাই চাই পেলাই ক'ব পাৰিম। যদি ইতিমধ্যে এইটো আছে তেতিয়াহ'লে কাৰ্য্যক্ষম কৰিবলৈ ব্যৱস্থা ল'ম।

* **শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল স্থায়ী চাৰ্কোল অফিচাৰৰ ক্ষেত্ৰত, মন্ত্ৰী মহোদয়ে উত্তৰত ক'লে তিনি বছৰৰ পিছত তেওঁলোকে বদলি হয় যাৰ কাৰণে স্থায়ী কৰা নহয়, এইটো তেখেতে কিয় ক'লে আমি বুজি পোৱা নাই। কাৰণ সকলো বিভাগৰে বিষয়া ৩ বা ৫ বছৰৰ মুৰে মুৰে বদলি হয় চৰকাৰৰ নীতি হিচাপে। মোৰ সমষ্টিৰ কলগেছিয়াত ৰূপচি নামৰ এটা চাৰ্কোল অফিচ আছে তাত যোৱা ১২/১৪ মাহত প্ৰায় ৩/৪ জন বিষয়া আহিল আৰু গ'ল। বিষয়াসকল তাত তিনি বা ৬ মাহ থাকে তাৰ পিছত গুচি যায়। তেতিয়া এই অফিচটো বৰনগৰৰ লগত এটাষ্ট কৰি দিয়ে, বৰনগৰৰ বিষয়াজনে চাৰ্জত থকা হিচাপে এই কাৰ্য্যালয়টো চাব লাগে। কিন্তু তেখেত এদিনো নাহে। মাতি মাতি আনিব লাগে তথাপি তেখেত আহিবলৈ সময় নাপায়। নানা অজুহাত দেখুৱায়। মাজতে চৌধুৰী বুলি এজনক ৰূপচীত দিয়া হ'ল, তেওঁ মাত্ৰ তিনি মাহহে থাকিল

---

* Speech not corrected

তাৰ পিছত তেওঁক বদলি কৰিলে। কিন্তু তেওঁক যি ঠাইলৈ বদলি কৰিলে সেই ঠাইৰ বিষয়াজনক ৰূপচীলৈ আনিব লাগিছিল কিন্তু নানিলে। গতিকে বৰনগৰৰ লগত এটাষ্ট কৰিব লগা হ'ল। ৰাইজৰ বহুত অসুবিধা হৈছে। কাৰণ এতিয়া এন আৰ চিৰ কাম চলি আছে। মই এই ক্ষেত্রত মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো কলগেছিয়াৰ ৰিভিনিউ চার্কোলৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিবনে। কাৰণ আমাৰ এই অঞ্চলটো বহু সমস্যাৰে জর্জৰিত অঞ্চল, গতিকে স্থায়ী বিষয়া নিযুক্তি দিব লাগে।

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্থায়ী অস্থায়ীৰ কথাটো যি কৈছে সেইটো আচলতে নহয় পার্চনেল বিভাগে আমাক বিষয়া দিয়ে, আমি বিভিন্ন ঠাইত পোষ্টিংহে কৰো। পিছত প্রয়োজন হ'লে পার্চনেল বিভাগে অফিচাৰ লৈও যাব পাৰে। তথাপিতো সদস্যগৰাকীয়ে কৈছে যেতিয়া মই কলগেছিয়াৰ বিষয়টো চাম আৰু পৰাপক্ষত স্থায়ী বিষয়া দিয়াৰ ব্যৱস্থা ল'ম।

* **শ্রীমতী প্রমিলাৰাণী ব্রহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক এটা প্রশ্ন কৰিব বিচাৰিছো যে আমাৰ কোকৰাঝাৰ জিলাৰ দটমাত চার্কোল অফিচ দিয়া নাই। চিৰাং জিলাৰ চার্কোল অফিচৰ পৰাই কাম চলাই আছে। গতিকে মোৰ আগৰ সদস্যগৰাকীয়ে কোৱাৰ দৰে আমাৰ সমষ্টিটো সমস্যা জর্জৰিত অঞ্চল, সেই কাৰণে তাত এটা স্থায়ী চার্কোল অফিচৰ বিভিন্ন কাৰণত প্রয়োজন হয়। আমাৰ যি ভূমি নীতি আছে, সেই মতে ট্রাইবেল বেল্টৰ মাটি আন মানুহে পাব নোৱাৰে, কিন্তু আমাৰ তাত ইলিগেল ইমিগ্রেচনে মাটি এনক্রোচমেণ্ট কৰি আছে। বহু মাটি তেওঁলোকৰ দখলত আছে। সেই কাৰণে আজি বহুতো অলাগতিয়াল সমস্যাৰো সৃষ্টি হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, ট্রাইবেল বেল্টৰ মাটি অধিগ্রহণ হৈ আছে। সেই কাৰণে ভূমি নীতি প্রয়োগ কৰিব লাগে। এ জি পি

* Speech not corrected

চৰকাৰৰ দিনত ব্যৱস্থা লৈছিল। তথাপিও প্ৰটেকচন দিব পৰা নাই। সেই কাৰণে এই ভূমি নীতিৰ ওপৰত এটা কঠোৰভাৱে আইন প্ৰণয়ন কৰিব লাগে। মই অনুৰোধ কৰিছো ট্ৰাইবেল বেল্টৰ কিমান হেক্টৰ মাটি ইল্লিগেল মাইগ্ৰেণ্টে অধিগ্ৰহণ কৰি আছে জানিব বিচাৰিছো।

* **শ্ৰীশ্বেৰমান আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গোষ্ঠীক সদায় হেৰাজমেণ্ট কৰি থকা দেখা গৈছে। তেখেতে তথ্য সহকাৰে দাখিল কৰক আৰু প্ৰমাণ কৰক ইল্লিগেল মাইগ্লেণ্ট ক'ত আছে। গতিকে অধ্যক্ষ মহোদয়, এই ইল্লিগেল মাইগ্ৰেণ্ট শব্দটো বাতিল কৰিব লাগে।

* **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে প্ৰশ্ন কৰিছে যে দতমাত চাৰ্কোল অফিচাৰ দিয়া নাই। আমাৰ ১৫৪টা চাৰ্কোলৰ ভিতৰত আমি ১৫৩টা চাৰ্কোল অফিচাৰ দিছো। মাত্ৰ লক্ষীপুৰৰ কদমতলাত বাকী আছে। দতমাত ইতিমধ্যে শ্ৰীমনজিৎ সোণোৱালক দিয়া হৈছে। চাৰ্কোল অফিচাৰ বিলাকৰ বহুতো কাম থাকে। সেই কাৰণে আমি সেইবিলাক পূৰণ কৰাৰ ব্যৱস্থা কৰিছো। সেই কাৰণে দতমাতো দিছো। বাকী কথাখিনিৰ কাৰণে বেলেগে প্ৰশ্ন কৰিলে ভাল হয়।

* **শ্ৰীশ্বেৰমান আলী ঃ** মাননীয় অধক্ষ মহোদয়, ইল্লিগেল মাইগ্ৰেণ্ট শব্দটো বাতিল কৰিব লাগে। (এ আই ইউ ডি এফৰ সদস্যসকলে একেলগে প্ৰতিবাদ কৰে— কাৰো কথা ভালকৈ শুনা নাযায়)

মাননীয় অধ্যক্ষ ঃ অসমত ইল্লিগেল মানুহ আছে... (সদনত গণ্ডগোল)... অসমত ইল্লিগেল মাইগ্ৰেণ্ট আছে।

* **শ্ৰীআব্দুৰ ৰহিম খান ঃ** অধ্যক্ষ মহোদয়, যদি কাজিৰঙাত আছে তেতিয়াহ'লে আজিয়েই তালৈ যাব লাগে (সদনত গণ্ডগোল) ইল্লিগেল মাইগ্ৰেণ্ট সম্পৰ্কত এ আই ইউ ডি এফৰ সদস্যসকলে প্ৰতিবাদ কৰে (সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ শ্ৰীনৰেন্দ্ৰ মোডীয়েও কৈছিল লাখ লাখ বিদেশী আছে। গতিকে

মোডীৰ ওপৰত কি ব্যৱস্থা ল'ব।

শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক এটা কথা ক'বলৈ দিয়ক। আমি প্ৰশ্নোত্তৰ কালটো ৰাজনীতি কৰাৰ নিচিনা পৰিলক্ষিত হৈছে। কোনো বিষয় বস্তু নথকালৈ ৰাজনীতিকৰণ কৰিব বিচৰা হৈছে। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ বদ্ধপৰিকৰ যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অহা কোনো ভাৰতীয় নাগৰিককে হাৰাশাস্তি কৰিবলৈ নিদিও। (সদনত গণ্ডগোল) আইনগতভাৱে আমি সকলো কাম কৰিম।

*** শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা জনগোষ্ঠীৰ ওপৰত সদায় কিয় আক্ৰমণ কৰা হ'ব। (সদনত গণ্ডগোল)।

মাননীয় অধ্যক্ষ ঃ অনুগ্ৰহ কৰি আপোনালোক বহক। (সদনত গণ্ডগোল)

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মই আপোনালোকক উদ্দেশ্য কৰি কোৱা নাই।

*** শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদেশী বহিষ্কাৰৰ ক্ষেত্ৰত চৰকাৰে এটা দৃঢ় পদক্ষেপ ল'ব লাগিব। (সদনত গণ্ডগোল)

*** শ্ৰীৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইল্লিগেল মাইগ্ৰেণ্ট থকা কথাটো এক্সপাঞ্জ কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয় ঃ এক্সপাঞ্জ নকৰো। কাৰণ অসমত বিদেশী আছে। আইন মতে বহিষ্কাৰ কৰিব।

বিষয় ঃ আনটাইড্ ফাণ্ডৰ ধন।

শ্ৰীকমলেখ্য দে পুৰকায়স্থই সুধিছে ঃ

*২০২। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ইং ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষৰ আনটাইড্ ফাণ্ডৰ ধন বিতৰণ কৰা হ'লনে?

(খ) কিমানখন জিলাৰ বিপৰীতে কিমান টকা বিতৰণ কৰা হ'ল? (জিলা আৰুবৰ্ষ ভিত্তিত তালিকা সদনৰ মেজত দিব)

---

* Speech not corrected

শ্রীটংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, হ'ল।

(খ) অসমৰ ২৭ খন জিলা আৰু ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বর্ষ ভিত্তিত বিতৰণ কৰা টকাৰ তথ্য পৰিশিষ্ট-'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-II)

মাননীয় অধ্যক্ষ ঃ এতিয়া তৰা চিহ্নিত প্রশ্ন নং ২০২ আলোচনা কৰা হওক। শ্রীকমলেখ্য দে পুৰকায়স্থ এতিয়া আপুনি কওঁক।

* **শ্রীকমলেখ্য দে পুৰকায়স্থ (বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১১-১২, ২০১২-১৩ ২০১৩-১৪ ৰ আনটাইড্ ফাণ্ডৰ লিষ্টখন পালো। বহু এম এল এ য়ে আনটাইড্ ফাণ্ডৰ টকা নোপোৱাৰ কাৰণটো কি মই জানিব বিচাৰিছো।

* **শ্রীটংক বাহাদুৰ ৰায় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনটাইড্ ফাণ্ডটো হ'ল এটা নমিনেল ফাণ্ড। এই ফাণ্ডটো ৰখা হয় এটা ইমাৰজেন্সি ফাণ্ড হিচাপে। কিছুমান স্কিম আন এক্সপেণ্ডিচাৰ ফাণ্ড হিচাপে। যোৱা বছৰ ২০১৩-১৪ চনত আমি ৩০ লাখকৈ টকা দিছিলো। সেইটো এতিয়া ১ কোটি টকা কৰা হৈছে। ১৯৮৮-৮৯ আৰু ২০১৫-১৬ ৰ পৰা এইটো চলি আছে। আৰু সেইটো প্রশ্ন মুখ্যমন্ত্রী স্বর্গীয় হিতেশ্বৰ শইকীয়াৰ দিনতে আৰম্ভ হৈছিল। তেতিয়াৰ দিনত ২০ লাখ, ৩০ লাখ, ৪০ লাখ, আৰু এতিয়া সেইটো ১ কোটি টকা কৰা হৈছে। আমি প্রথমতে ২০ লাখ তাৰ পাছত ৩০ লাখ আৰু এতিয়া ১ কোটি টকা দিছো। অধ্যক্ষ মহোদয় আনটাইড্ ফাণ্ডৰ গাইডলাইন মতে Guideline– The Untied Fund shall not in any way be divided among Legislative Constituencies and the selection of schemes is also not be constituencywise in view of the fact that requirement of MLS's for their respective constituencies is not being taken care of by

the fund under MLA's Area Development.

এইটো বাঢ়ি বাঢ়ি এতিয়া এই পর্যায় হৈছে। এই সম্পর্কত বহুত বিভাগে পৰামর্শও দিছে। এইটো বঢ়াব লাগে বুলিও কৈছে। বর্তমান যিখিনি টকা আছে সেইখিনিও আমি দিম। গতিকে এতিয়া কথাটো হ'ল (সদদনত কেইবাজনো বিধায়কে একেলগে কোৱাত একো শুনা নাযায়)।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে বহক। আপোনালোকে হাহাকাৰ নকৰিব। এতিয়া শ্রীপদ্ম হাজৰিকাই কওক।

*** শ্রীপদ্ম হাজৰিকা (বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে উত্তৰবিলাক ইমান ধুনিয়াকৈ কৈছে যে মই মোৰ সমষ্টিৰ কাৰণে কি কি স্কিমৰ কথা কৈছিলো সেইটো মই পাহৰিয়েই গৈছো। অধ্যক্ষ মহোদয়, এই স্কিমখন মতে আমাৰ ২৭ খন জিলাক সামৰি লোৱা হৈছে। মোৰ জিলাত ১০ কোটি টকা দিছে। কিন্তু মই মোৰ সমষ্টিৰ কাৰণে মাত্র ২০ লাখ টকাহে পাইছো। মাননীয় মুখ্যমন্ত্রী মহোদয়ে ঘোষণা কৰা ২৫ লাখ টকা দিম বুলি কৈছিল আৰু চিঠিও পঠাইছিল। কিন্তু চিঠি মই পাইছো। কিন্তু টকাটোহে পোৱা নাই। কথাটো হ'ল অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে আপোনাৰ দায়িত্বত থকা প্লেনিং ব্রাণ্ডটো কেনেকৈ চলি আছে। সেইটোও চোৱাৰ সময় হৈছে। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*** শ্রীগুল আখতাৰ বেগম (বিধায়িকা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কুৱেশ্চন আনচাৰত যিখিনি কথা কৈছে তাৰ ভিতৰত মাননীয় পদ্ম হাজৰিকাই কৈছে সেইখিনি ২ নম্বৰত। মই কথাটো ভালেই পাইছো, শুনিও ভাল লাগিছে। আমাৰ অসমত ২৭ খন জিলা আছে। এই ২৭ খন জিলাৰ ভিতৰত কামৰূপ জিলা এক নম্বৰত আছে। অধ্যক্ষ মহোদয়, আমাৰ শৰীৰ ভালেই। শৰীৰ ভাল থাকিলে দেখাত ভালেই দেখি। যদি

শৰীৰৰ আঙুলিত ঘাঁ তাকে তেতিয়া গোটেই শৰীৰটো দেখাত বেয়া দেখি। অধ্যক্ষ মহোদয়, কামৰূপ আৰু শোণিতপুৰ জিলাত আটাইতকৈ বেছি টকা দিয়া হৈছে। কিন্তু মই কৈছো অসমত ধুবুৰী জিলা নাই নেকি? ধুবুৰী, বাগ্‌ছা, ডিমা হাছাও নাই নেকি?

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে মোক কমিউটমেণ্ট দিছিল। ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বৰ্ষৰ লিষ্টখন চালে আপুনি গম পাব। মই আৰু বেছি কথা নকওঁ। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীটংক বাহাদুৰ বায় (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া বিধায়িকাগৰীকয়ে যিটো কৈছে সেইটো মই যদি তেখেতে মোৰ ৰুমলৈ আহে মই তেতিয়া কম। আমাৰ গাইডলাইন মতে All proposals for a district must invarialy be routed through the Deputy Commissioner of the district. The proposals must be prepared by the district level officers of technical departments as per usual Govt. norms and the estimates etc. shall be approved by the Deputy Commissioner before the shemes are submitted to the Govt. in P & D Department.

P & D Department having satisfied in the man nor above about the technical and financial reasonableness of the project, would sanction funds as per the estimates and release the same of the D.C. for implementation.

Any proposal, which is reveived directly by the Department would be referred back to D.C. for further pessessing as mentioned above.

স্কিম ডিচিৰ তাত পঠাই দিওঁ— সদনত হাহাকাৰ।

মাননীয় অধ্যক্ষ ঃ এতিয়া বিধায়ক শ্রীজয়ন্তমল্ল বৰুৱা বৰুৱাই কওঁক।

*** শ্রীজয়ন্তমল্ল বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আনটাইড্ ফাণ্ডটো হ'ল আছুতীয়া ধন। মই এই আছুতীয়া ধনৰ ৭.৫০ লাখ টকা পাইছো। কোনোবা সমষ্টিত ৪০/৫০ লাখ টকা পাইছে। তাত মোৰ ক'বলগা একো নাই। মাননীয় মুখ্যমন্ত্রীয়ে ঘোষণা কৰা মতে পাইছে তাতো মোৰ ক'ব লগা একো নাই। এই প্রশ্নবিলাক যদি সমষ্টি ভিত্তিত চোৱা হয় এক তৃতীয়াংশই পোৱা নাই। সমষ্টি ভিত্তিত হ'লে ভাল হয়। এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিলো।

*** শ্রীটংক বাহাদুৰ বায় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্রীজয়ন্তমল্ল বৰুৱাই যিটো কৈছে সেইটো মই আখৰে আখৰে পালন কৰিছো। তেখেতক মই ২০ লাখ টকাৰ স্কিম এটা দিছো।

বিষয় ঃ আঠুৰা বিতৰণ।

শ্রীমতী মণিকা বৰাই সুধিছে ঃ

*২০৩। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহদোয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চাহ জনজাতি কল্যাণ বিভাগৰ দ্বাৰা বিধানসভা সমষ্টি ভিত্তিত চাহ ও প্রাক্তন চাহ জনজাতি সম্প্রদায়ৰ লোকৰ বাবে পৰিয়ালে প্রতি দুখনকৈ আঠুৰা দিবৰ বাবে হিতাধিকাৰীৰ তালিকা প্রস্তুত কৰি চৰকাৰলৈ প্রেৰণ কৰিবলৈ চাহ জনজাতি কল্যাণ মহকুমা বোর্ডসমূহক নির্দেশ দিয়াৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই তালিকাসমূহ পালেনে নাই জনাব?

(গ) যদি আঠুৰা হিতাধিকাৰীৰ তালিকাসমূহ পালে, ২০১৩ চনতে দিয়া নির্দেশৰ পাছতো আজি পর্যন্ত কিয় আঠুৰাসমূহ বিভাগৰ পৰা যোগান ধৰা নাই?

(ঘ) বর্তমান ৰাজ্যখনত মেলেৰিয়া আৰু জাপানী এনকেফেলাইটিছ ৰোগে

* Speech not corrected

ভয়াৱহ ৰূপ ধাৰণ কৰাৰ পাছতো বিভাগে আজি পর্যন্ত আঠুৰাসমূহ দিবলৈ কিয় ব্যৱস্থা লোৱা নাই?

শ্রীপৃথিৱী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) কেইটামান মহকুমাৰ পৰা পোৱা তালিকা পৰিশিষ্ট 'ক'ত দিয়া হ'ল।

(See Annexure-III)

(গ) ২০১৩-১৪ বিত্তীয় বর্ষৰ বাজেটত প্রয়োজনীয় পুঁজি আবণ্টন নোহোৱাৰ বাবে আঠুৰা যোগান ধৰিব পৰা নগ'ল।

(ঘ) প্রশ্ন নুঠে।

মাননীয় অধ্যক্ষ ঃ এতিয়া ২০৩ প্রশ্ন, শ্রীমতী মণিকা বৰা।

* **শ্রীমতী মণিকা বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ পৰা লোকসভা নির্বাচনৰ আগতেই লিষ্ট পঠোৱা হৈছিল যদিও আজি কোপতি আঠুৰা কিন্তু এখনো নাহিল। স্বাস্থ্য বিভাগৰ পৰা পোৱা গৈছিল কিন্তু চাহ জনজাতি কল্যাণ বিভাগৰ পৰা পোৱা নহ'ল। প্রশ্ন উত্তৰত মাননীয় মন্ত্রী মহোদয়ে তালিকা কিন্তু ইয়াৰ লগত সংলগ্ন কৰি দিছে পোৱা বুলি। কিন্তু মোৰ সমষ্টিত এখনো আঠুৰা পোৱা নাই। যাৰ ফলত জিলাখনত মেলেৰীয়া আৰু এনকেলেফাইটিছ আদি বেমাৰে দেখা দিলে। মাননীয় মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে কিয় আজি পর্যন্ত আঠুৰাসমূহ বিভাগৰ পৰা যোগান ধৰা হোৱা নাই।

* **শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিৰ বাবে প্রয়োজনীয় পুঁজি পোৱা নহ'ল, যাৰ বাবে আঁচনিত ধৰা আঠুৰা বিতৰণ কৰিব পৰা নহ'ল। এই আঁচনিৰ বাবে ১০ কোটি টকা ধৰা হৈছিল কিন্তু বিত্ত বিভাগে এই আঁচনিৰ টকা নিদিলে। যাৰ বাবে চাহ জনজাতি কল্যাণ বিভাগৰ পৰা আঠুৰা বিতৰণ কৰিব পৰা নগ'ল।

* **শ্রীমতী মণিকা বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে প্রশ্নৰ

উত্তৰত কৈছে... প্ৰশ্ন নুঠে। বৰ্তমান ৰাজ্যখনত মেলেৰিয়া আৰু জাপানী এনকেফেলাইটিছ ৰোগে ভয়ানক ৰূপ ধাৰণ কৰাৰ পাছতো বিভাগে আজি পৰ্যন্ত আঠুৰাসমূহ দিয়াৰ ব্যৱস্থা কৰা নাই, যাৰ ফলত ৰাতি মহে কামুৰি মানুহৰ অৱস্থা নোহোৱা হৈছে, আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত কৈছে প্ৰশ্ন নুঠে এইটো কেনেকুৱা কথা।

শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো এই বিষয়ত স্বাস্থ্য বিভাগে ব্যৱস্থা লৈছে। পুঁজি পালে আমিও দিয়াৰ ব্যৱস্থা কৰিম।

শ্ৰীকেশৱ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, চাহ জন-জাতি এলেকাসমূহত মেলেৰিয়া আৰু এনেকেফেলাইটিছ ৰোগত পৰি মানুহৰ যি অৱস্থা দেখিলে বেয়া লাগে। বেমাৰী ৰখাৰ বাবে চিকিৎসালয়ত ঠাই নাই। প্ৰাইভেট নাৰ্ছিংহোমত ৰাখিব লগা হৈছে। যাৰ ফলত যথেষ্ট খৰচ কৰিব লগা বুলি গম পাইছো। চাহ জন-জাতি কল্যাণ বিভাগত ১০০ কোটি টকা হৈছিল, কিন্তু সেই টকাৰে মাত্ৰ সূতা আৰু চাইকেল দি শেষ কৰিলে। আঠুৰা দিয়া নহ'ল। যদি আঠুৰা দিয়াৰ ব্যৱস্থা কৰিলেহেঁতেন তেতিয়া বহু মানুহ এই ৰোগৰ পৰা হাত সাৰিব পাৰিলেহেঁতেন। যিবোৰ চলি আছে, এইক্ষেত্ৰত ইয়াৰ পৰা ৰেহাই দিব নোৱাৰে।

* **শ্ৰীপৃথিৱী মাঝি (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেধৰণৰ আঠুৰা স্বাস্থ্য বিভাগৰ পৰা দিয়া হৈছে। তথাপিও মই কওঁ এই বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰীৰ আলোচনা কৰি মই কি কৰিব পাৰো চাম।

* **শ্ৰীপল্লৱ লোচন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ জন-জাতিৰ মানুহৰ বেমাৰৰ যিবোৰ প্ৰতিষেধক ব্যৱস্থা লৈছে মাত্ৰ স্বাস্থ্য বিভাগে কৰিছে। চাহ জন-জাতি কল্যাণ বিভাগৰ পৰা একো কৰা হোৱা নাই। চাহ জন-জাতি কল্যাণৰ বাবে এই বিভাগৰ পৰা কোনো আঁচনি হাতত লোৱা দেখা নগ'ল। যদি কিবা আঁচনি ধৰা হয় তাক ৰিজেক্ট কৰি পঠায়। গতিকে বিভাগৰ মন্ত্ৰী মহোদয়ে এই বিষয়ে বিবেচনা কৰি বিহীত

* Speech not corrected

ব্যৱস্থা হাতত ল'ব লাগে।

* শ্রীপৃথিৱী মাঝি (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই বিত্ত বিভাগৰ লগত আলোচনা কৰি ব্যৱস্থা লম।

Mr. Speaker : Now, Question Hour is Over.

(Starred question Nos. 204 to 220 except starred quesiton No. 205 could not be taken up disposal as the Question Hour over. However the said questions deemed to have been laid on the table of the House with replies there to)

বিষয় ঃ ব্ৰহ্মপত্ৰৰ গৰাখহনীয়া।

শ্ৰীমতী আৰতী হাজৰিকাই সুধিছে ঃ

*২০৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাৰ দেৰগাঁও বিধানসভা সমষ্টিৰ পূব ব্ৰহ্মপুত্র গাঁও পঞ্চায়তৰ অন্তর্গত চিৰিশটিকা, বাঘেধৰা, নতুন চাপৰি অঞ্চলৰ বহু পৰিয়াল গৰাখহনীয়াৰ কবলত পৰিছে? যাৰ ফলত পৰিয়ালৰ ঘৰ-দুৱাৰ, নামঘৰ আদি ব্ৰহ্মপুত্রত জাহ গৈছে, চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, ইয়াৰ কাৰণে চৰকাৰে কি আঁচনি লৈছে?

(গ) যদি লৈছে, আঁচনিৰ কাম কেতিয়াকৈ আৰম্ভ কৰিব?

শ্ৰীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উল্লেখিত অঞ্চলসমূহক ব্ৰহ্মপুত্রৰ গৰাখহনীয়াৰ পৰা সুৰক্ষা দিবৰ বাবে "Protection of Baghedhora, Bakúpara and its adjoining arear of Dakhin Ahotguri from the erosion of river Brahmaputra" (Estt. cost of Rs. 12.37 crore) নামৰ আঁচনি এখন প্রস্তুত কৰা হৈছে। বর্তমান আঁচনিখন কেন্দ্রীয় জল আয়োগৰ পর্য্যবেক্ষণত আছে।

* Speech not corrected

(গ) কেনদ্রীয় জল আয়োগ তথা সংশ্লিষ্ট বিভাগীয় অনুমোদন আৰু পুঁজিৰ আবণ্টন সাপেক্ষে আঁচনিৰ কাম আৰম্ভ কৰিব পৰা যাব।

(Starred Question No. 5 was disallawed)

বিষয় ঃ চৰৰ মাটি পট্টা।

শ্রীশেৰমান আলী আহমেদে সুধিছে ঃ

*২০৬। মাননীয় ৰাজহ ও দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজহ আৰু মাটি সংক্রান্তীয় নথি-পত্র আধুনিকীকৰণৰ বাবে অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা এতিয়ালৈ কিমান ধন লাভ কৰিছে? (বিত্তীয় বর্ষ অনুযায়ী বিতং তথ্য দাখিল কৰিব)

(খ) ইয়াৰে কিমান ধন এতিয়ালৈ খৰচ কৰা হৈছে আৰু কামৰ অগ্রগতি কিমান হৈছে? (বিতংকৈ জনাব)

(গ) এই আধুনিকীকৰণৰ কাম কেতিয়ালৈ সমাপ্ত কৰা হ'ব?

(ঘ) চৰ অঞ্চল আৰু অন্যান্য অঞ্চলৰ মুঠ কিমান কৃষিভূমি আৰু বস্তি অঞ্চলৰ মাটি জৰীপ আৰু পট্টা, প্রদান কৰিবলৈ বাকী আছে আৰু এতিয়ালৈ কিমান মাটিৰ পট্টা প্রদান কৰা হ'ল? (জিলা ভিত্তিত ইয়াৰ বিতং তথ্য দাখিল কৰিব)

(ঙ) জৰীপ আৰু পট্টা প্রদান নকৰা মাটিৰ জৰীপ আৰু পট্টা প্রদানৰ কাম কেতিয়ালৈ শেষ কৰা হ'ব, তাৰ সুনির্দিষ্ট পৰিকল্পনা চৰকাৰে কৰিছেনে?

(চ) যদি কৰিছে, ইয়াৰ সবিশেষ তথ্য দাখিল কৰিবনে?

(ছ) যদি কৰা নাই, ইয়াৰ উপযুক্ত কাৰণ দর্শাবনে?

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহ আৰু মাটি সংক্রান্তীয় নথি পত্র আধুনিকীকৰণৰ বাবে ২০০১-০২ ৰ পৰা এতিয়ালৈ লাভ কৰা ধনৰ পৰিমাণ বিত্তীয় বর্ষ অনুযায়ী

বিতংভাৱে তলত উল্লেখ কৰা হ'ল ঃ-

Year	Fund Received (in lakh)
2001-2002	Nil
2002-2003	Nil
2003-2004	62-25
2004-2005	Nil
2005-2006	542.50
2006-2007	984.30
2007-2008	251.00
2008-2009	Nil
2009-2010	1806.12
2010-2011	329.625
2011-2012	Nil
2012-2013	Nil
2013-2014	Nil
Total	**3975.795**

(খ) বিভাগীয় তথ্য মতে এতিয়ালৈ মুঠ ধন খৰচ কৰা হৈছে ১৪২৬.০৪ লাখ টকা আৰু উপায়ুক্তসমূহৰ পৰা পুঁজি ব্যৱহাৰৰ প্ৰমাণপত্ৰ পাবলৈ বাকী আছে। কামৰ অগ্ৰগতি বিতংভাৱে তলত উল্লেখ কৰা হ'ল ঃ

ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ইতিমধ্যে ভূমিনথি কম্পিউটাৰাইজেচনৰ কাম ৰূপায়ণ কৰি আছে। স্বায়িত্ব শাসিত পৰিষদসমূহৰ জিলাসমূহত (য'ত ভূমি ৰাজহ প্ৰশাসন এটা হস্তান্তৰিত বিষয়) আৰু পুনঃবন্দোৱস্তি চলি থকাৰ বাবে কাছাৰ আৰু হাইলাকান্দি জিলাৰ বাহিৰে বাকী জিলাত যাৱতীয় আন্তঃগাঁথনি তৈয়াৰ কৰা হৈছে। Date Entry ৰ কাম প্ৰায় সম্পন্ন হৈছে। ৰাজ্যত উক্ত এলেকাৰ বাহিৰে প্ৰায় সকলো ৰাজহ চক্ৰ কাৰ্য্যালয়ত নামজাৰিকে আদি কৰি মাটি বাৰীৰ কাম-কাজ কম্পিউটাৰৰ জৰিয়তে আৰম্ভ কৰা হৈছে। ইয়াৰ লগত জড়িত বিষয়া-কৰ্মচাৰীক কম্পিউটাৰৰ পদ্ধতিত এই বিষয়ে ইতিমধ্যে কেইবাটাও স্তৰত প্ৰশিক্ষণ দিয়া হৈছে।

ইতিমধ্যে Cadastral Map সমূহ Digitzed কৰিবলৈ এটা Pilot Project মঞ্জুৰী দিয়া হৈছে। Assam Science Technology and Environment Council (ASTEC) ত আৰু ভাৰতীয় মহাকাশ গৱেষণা সস্থাৰ (ISRO) সহযোগত উক্ত কাম আৰম্ভ কৰা হৈছে।

Electronic Total Station (ETS) ইত্যাদি আধুনিক জৰীপ পদ্ধতি প্ৰৱৰ্তন কৰিবলৈ যো-জা কৰা হৈছে। ইতিমধ্যে হাইদৰাবাদত থকা Survey of Inida ৰ Indian Institute of Surveying and Mapping নামৰ অনুষ্ঠানত আৰু Indian Institute of Technology, Guwahati ত বিষয়াক প্ৰশিক্ষণ দিয়া আৰম্ভ হৈছে।

NLRMP আঁচনি সঠিকভাৱে ৰূপায়ণ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। তাৰ বাবে যাৱতীয় প্ৰচেষ্টা চলাই থকা হৈছে। এইটো এটা প্ৰচলিত প্ৰক্ৰিয়া।

(গ) NLRMP আঁচনিৰ আধাৰত আধুনিকীকৰণৰ কাম এটা জটিল আৰু পৰ্যায়ক্ৰমে কৰিবলগা বিজ্ঞান প্ৰযুক্তি সম্পন্ন কাম। এইটো এটা

প্রচলিত প্রক্রিয়া আৰু সেই কাৰণে কেতিয়ালৈ সমাপ্ত হ'ব সঠিকভাৱে ক'ব পৰা নাযায়।

(ঘ) ১৫ খন জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি এই পর্য্যন্ত চৰ অঞ্চল আৰু অন্যান্য অঞ্চলৰ মাটিৰ জৰীপ আৰু পট্টা প্রদান কৰা আৰু নকৰা তথ্যসমূহ জিলা ভিত্তিত দিয়া হ'ল।

ডিব্রুগড় জিলাৰ উপায়ুক্তৰ তথ্য মতে চৰ এলেকা ডিব্রুগড় জিলাত নাই। লক্ষীমপুৰ জিলাৰ উপায়ুক্তৰ তথ্য মতে ৪,৩২,৪৯০ বিঘা ৩ কঠা ১৫ লেচা জমি জৰীপ কৰিবলৈ বাকী আছে আৰু তাৰে ৪,১৩,৪০০ বিঘা ৪ লেচা পট্টা দিয়া হৈছে। গোৱালপাৰা জিলাৰ উপায়ুক্তৰ তথ্য মতে জৰীপ কার্য্য সম্পূর্ণ হৈছে আৰু পট্টা প্রদানৰ কাম সম্পূর্ণ হোৱা নাই। নলবাৰী জিলাৰ উপায়ুক্তৰ তথ্য মতে ১০,১৭২ বিঘা চৰৰ জমি পট্টা দিয়া হৈছে। কামৰূপ জিলাৰ উপায়ুক্তৰ তথ্য মতে চৰ অঞ্চল আৰু অন্যান্য অঞ্চলৰ কৃষিভূমি আৰু বস্তি অঞ্চলৰ ভূমি পট্টা প্রদান প্রক্রিয়া চলি আছে। চৰ অঞ্চলৰ বর্তমানলৈ ৯২৫ বিঘা ১৭ লেচা জমিত পট্টা প্রদান কৰা হৈছে। বৰপেটা জিলাৰ উপায়ুক্তৰ তথ্য মতে চৰ অঞ্চলত মুঠ ৮১৯৬ বিঘা ১ কঠা ৮ লেচা মাটিৰ জৰীপ কৰা হৈছে। ইয়াৰে ৬৮৩৬ বিঘা ১ কঠা ৩ লেচা মাটি কৃষি ভূমি আৰু ১৩৬০ বিঘা ৫ লেচা মাটি বস্তি অঞ্চলৰ। চৰ অঞ্চল আৰু অন্যান্য অঞ্চলৰ কৃষি ভূমি আৰু বস্তি অঞ্চলৰ মুঠ ২৪১৪৩৪ বিঘা ১ কঠা ৬ লেচা মাটিৰ পট্টা প্রদান কৰিবলৈবাকী আছে আৰু এতিয়ালৈ মুঠ ৫৯২৩৭ বিঘা ১ লেচা মাটিৰ ১২৫ খন পট্টা প্রদান কৰা হৈছে। মৰিগাঁও জিলাৰ উপায়ুক্তৰ তথ্য মতে ১৯৬৮-৬৯ চনৰ পৰা মাটিৰ জৰীপ হোৱা নাই। নগাঁও জিলাৰ উপায়ুক্তৰ তথ্য মতে অধিসূচীত চৰ এলেকা নাই। হালিকান্দি জিলাৰ উপায়ুক্তৰ তথ্য মতে অধিসূচীত চৰ এলেকা নাই। কৰিমগঞ্জ জিলাৰ উপায়ুক্তৰ তথ্য মতে অধিসূচীত চৰ এলেকা নাই। কাছাৰ

জিলাৰ উপায়ুক্তৰ তথ্য মতে অধিসূচীত চৰ এলেকা নাই। তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ তথ্য মতে ২১৯৫২৫ বিঘা ১৩ লেচা মাটি জৰীপ কৰিবলৈ বাকী আছে। বঙাইগাঁও জিলাৰ উপায়ুক্তৰ তথ্য মতে বন্দোৱস্তৰ জৰীপ আৰু পট্টা দিয়া কাম ইতিমধ্যে বন্ধ হৈছে। দৰং জিলাৰ উপায়ুক্তৰ তথ্য মতে ১৩৬৮টা পৰিয়ালক চৰ অঞ্চলৰ মাটি পট্টা দিয়া হৈছে। ধুবুৰী জিলাৰ উপায়ুক্তৰ তথ্য মতে ৫১২টা পৰিয়ালক চৰ অঞ্চলৰ মাটি পট্টা দিয়া হৈছে।

অন্যান্য জিলাৰ পৰা তথ্য বিচৰা হৈছে।

(ঙ), (চ) জৰীপ আৰু পট্টা প্রদানৰ কাম এটা চলিত প্রক্রিয়া। আধুনিক প্রযুক্তিৰ সহায়ত জৰীপৰ কাম ত্বৰান্বিত কৰিবলৈ প্রয়োজনীয় আন্তঃগাঁথনিৰ ব্যৱস্থা কৰি থকা হৈছে। NLRMP ৰ অধীনত কিছু কাম কৰিব পৰা যাব।

(ছ) প্রযোজ্য নহয়।

বিষয় ঃ সংৰক্ষণৰ ব্যৱস্থা।

শ্রীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

* ২০৭। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ অনুসূচীত জাতি আৰু জনজাতিৰ চাকৰিৰ ক্ষেত্রত থকা The Assam SC & ST's (Reservation of Vacancies in Services and posts) Act 1978 খন ২০১২ চনৰ ২৫ আগষ্ট তাৰিখে সংশোধিত ৰূপত গৃহীত হয় আৰু ২০১৩ চনৰ ২৭ মে'ৰ পৰাঅসম বিধানসভাত গৃহীত কৰা প্রস্তাৱমর্মে এই আইনখন বলৱৎ কৰা হয়— এই বিষয়টো চৰকাৰৰ জ্ঞাতনে?

(সংশোধিত প্রস্তাৱৰ কপি সদনৰ মেজত বিতংভাৱে দাখিল কৰিব)

(খ) এই সংশোধিত আইনখন সদ্যহতে অনুসূচীত জাতি, জনজাতিৰ

চাকৰিয়ালসকলৰ ক্ষেত্ৰত কাৰ্য্যকৰী কৰা হৈছেনে? যদি কাৰ্য্যকৰী হোৱা নাই, কিয় কাৰ্য্যকৰী কৰা হোৱা নাই? (বিতং তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিব)

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কি ব্যৱস্থা গ্ৰহণ কৰিছে? যদি কৰা নাই, কিয় কৰা নাই?

(ঘ) অসম চৰকাৰৰ কোনো এটা বিভাগেই এই আইনখন মানি নচলাটো চৰকাৰৰ জ্ঞাতনে? এই আইনখনৰ বিধি অনুসৰি কাৰ্য্যকৰী নোহোৱাৰ বাবে অনুসূচীত জাতি, জনজাতিৰ চাকৰিৰ যোগ্য প্ৰাৰ্থীসকল পদোন্নতিৰ পৰা বঞ্চিত হোৱাটো সত্যনে?

(ঙ) চৰকাৰৰ বিধি-বিধানৰাশি আন আন বিভাগত যিদৰে কাৰ্য্যকৰী হয়— ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগত কিয় চৰকাৰী আইন আৰু চৰকাৰে সংশোধিত ৰূপত গ্ৰহণ কৰা আইন কাৰ্য্যকৰী কৰা নহয়? (বিতং তথ্য দিব)

(চ) চৰকাৰে, অনুসূচীত জাতি-জনজাতিৰ চাকৰি প্ৰাৰ্থীৰ ক্ষেত্ৰত One Man Quantifiable data, Harish Sonowal Commission যোগে যি ৰিপোৰ্ট বিচাৰিছিল— সেই ৰিপোৰ্ট ২০১৪ চনৰ ১০ মাৰ্চ তাৰিখে চৰকাৰক দাখিল কৰাৰ পিছতো কিয় আজিলৈকে কেবিনেটৰ অনুমোদন নহ'ল? Rules & Office Memorandum নোহোৱাৰ কাৰণ কি? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(ছ) পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণ ব্যৱস্থা নাই বুলি কোনো আদালতে নোকোৱা সত্ত্বেও অসম চৰকাৰৰ আইন বিভাগৰ সচিবে তথা বিধি নিৰ্দেশকে (Legal Remembrancer) কিহৰ ভিত্তিত সংৰক্ষণ বিৰোধী মতামত আগবঢ়ালে, সেই কথা জনাব? (সদনৰ মেজত মতামতৰ (views) কপি দাখিল কৰিব)

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জ্ঞাত। সংশোধিত প্রস্তাৱৰ প্রতিলিপি অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(See Annexure-IV)

(খ) হৈছে। ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগে ২৭-০৫-২০১৩ তাৰিখে Gazatte Nofification ৰ দ্বাৰা উক্ত আইন কার্য্যকৰী কৰাইছে। Gazatte Notification ৰ প্রতিলিপি অনুবদ্ধ 'খ'ত দিয়া হ'ল।

(See Annexure-IV-A)

(গ) উত্তৰ 'খ'ৰ দৰে একে।

(ঘ) উক্ত আইনখন মানি চলাটো অসম চৰকাৰৰ প্রত্যেক বিভাগৰে কর্তব্য। বিভাগসমূহে নতুন আইন অনুসৰি Post Based Roster বনোৱাৰ পিছত ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগ আৰু কর্মচাৰী বিভাগৰ অনুমোদন লৈ উক্ত Post Based Roster notify কৰে। উক্ত প্রক্রিয়া চলি আছে।

(ঙ) উত্তৰ 'ঘ'ৰ দৰে একে। (See Annexure-IV-B)

(চ) One Man Commission ৰ প্রতিবেদন পোৱাৰ পিছত বিভিন্ন বিভাগৰ মতামত বিচাৰি পঠোৱা হৈছে। সমসাময়িকভাৱে ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগে এখন কেবিনেট স্মাৰকপত্র তৈয়াৰ কৰি ইয়াক কেবিনেটত উপস্থাপন কৰিবলৈ প্রাৰম্ভিক প্রক্রিয়া চলাই থকা হৈছে। ইতিমধ্যে প্রতিবেদনখনৰ ওপৰত ন্যায় বিবাগৰ পৰা অভিমত পোৱাৰ পিছত উক্ত প্রতিবেদন কর্মচাৰী বিভাগত তেওঁলোকৰ অভিমত লোৱাৰ বাবে প্রেৰণ কৰা হৈছে।

(ছ) ন্যায় বিভাগৰ উত্তৰ অনুবদ্ধ 'গ'ত দিয়া হ'ল। এই সম্পর্কত ন্যায় বিভাগে পশুপালন বিভাগলৈ দিয়া মতামত অনুবদ্ধ 'ঘ'ত দিয়া হ'ল।

(See Annexure-IV-C)

বিষয় ঃ TSP আৰু SC এলেকাৰ আঁচনি।

শ্ৰীস্বপন কৰে সুধিছে ঃ

*২০৮। মাননীয় ডব্লিউ, পি, টি এণ্ড বি, চি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হোজাই মহকুমাৰ TSP আৰু SC এলেকা সমূহত কি কি আঁচনিৰ বাবে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত মুঠ কিমান টকা অনুমোদন দিয়া হৈছে?

(খ) ২০১১ চনৰ পৰা বৰ্তমানলৈকে হোজাই মহকুমাত উক্ত আঁচনিৰ যোগেদি কি কি ৰাস্তা পকীকৰণ কৰা হৈছে আৰু কি কি ৰাস্তা মেৰামতিৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে? (সমষ্টি ভিত্তি বিতং তথ্য দিব)

(গ) হোজাই মহকুমাৰ অধীনত SC আৰু ITDP বোৰ্ড সমূহক যোৱা ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত মুঠ কিমানখন Power Tiller আৰু Tractor কোন সমষ্টিৰ কোন কোন গোটসমূহক বিতৰণ কৰা হৈছে? (সমষ্টি ভিত্তিত বিতং তথ্য দিব)

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হোজাই মহকুমাৰ TSP এলেকাসমূহত বিভিন্ন আঁচনিৰ নামত ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত অনুমোদন দিয়া মুঠ টকাৰ সবিশেষ তলত দিয়া হ'ল ঃ

বৰ্ষ	অনুমোদিত ধন (লাখ হিচাপত) আৰু আঁচনিৰ নাম			
	FOIGs	IBS	Spray Machine	Cottong Yarn
২০১১-১২	২.০০	৪.০০	৪৫০টা	৩০৭ বান্দুল
২০১২-১৩	৫.০০	৬.০০	নাই	১০০৩ বান্দুল
২০১৩-১৪	নাই	নাই	নাই	নাই

হোজাই মহকুমাৰ SC এলেকাসমূহত বিভিন্ন আঁচনিৰ নামত ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত অনুমোদন দিয়া মুঠ টকাৰ সবিশেষ তলত দিয়া হ'ল ঃ

	আঁচনিৰ নাম	বৰ্ষ অনুযায়ী অনুমোদিত টকাৰ পৰিমাণ (লাখ হিচাপত)		
		২০১১-১২	২০১২-১৩	২০১৩-১৪
১)	সাংস্কৃতি আৰু শিক্ষামূলক ভ্ৰমণ	১.০০	নাই	নাই
২)	প্ৰাক প্ৰৰেশিকা বৃত্তি	৫.৬৯৪২০	২.৬২০৮০	২.১৪৬২০
৩)	পৰিয়াল ভিত্তিক আয়বৰ্ধক আঁচনি	১২.০০	নাই	নাই
৪)	আত্মসহায়ক আঁচনি	৪খন টাটা নেনো গাড়ী	৭খন গাড়ী	নাই
৫)	টিবি/কেঞ্চাৰ ৰোগীলৈ সাহায্য	নাই	০.১০০০	নাই
৬)	প্ৰাক প্ৰৰেশিকা বৃত্তি (চাফাই কৰ্মীৰ ল'ৰা-ছোৱালীৰ বাবে)	নাই	০.২০৩৫০	০.৫৯২০০
৭)	সস্থা/সংগঠনলৈ আৰ্থিক সাহায্য	নাই	নাই	১.০০

(খ) ২০১১ চনৰ পৰা বৰ্তমানলৈকে হোজাই মহকুমাত 'অনুসূচীত জাতিৰ উন্নয়ন' আঁচনিৰ অধীনত কোনো ৰাস্তা পকীকৰণ অথবা মেৰামতিৰ বাবে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই।

হোজাই মহকুমাত TSP আঁচনিৰ অধীনত ১৪৪.০০ লাখ টকা কুমাৰাকাট গাঁৱৰ পৰা ৰাইকাটা গাঁৱলৈ পথ পকীকৰণৰ বাবে মোকলাই দিয়া হৈছে।

(গ) হোজাই মহকুমাত 'অনুসূচীত জাতিৰ উন্নয়ন' আঁচনিৰ অধীনত SC বোৰ্ড সমূহক যোৱা ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪

বিত্তীয় বর্ষত কোনো Power Tiller অথবা Tractor বিতৰণ কৰা হোৱা নাই।

হোজাই মহকুমাত 'TSP' আঁচনিৰ অধীনত যোৱা ২০১১-১২ বিত্তীয় বর্ষত ৫ খন Power Tiller ২০১২-১৩ বিত্তীয় বর্ষত ১ খন Tractor আৰু ৩ খন Power Tiller বিতৰণ কৰা হৈছে। ২০১৩-১৪ বিত্তীয় বর্ষত কোনো Power Tiller অথবা Tractor বিতৰণ কৰা হোৱা নাই।

বিষয় ঃ ম্যাদ উকলা মথাউৰি।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

*২০৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কিমানটা ম্যাদ উকলা মথাউৰি আছে? (জিলা ভিত্তিত তালিকা দাখিল কৰিব)

(খ) মথাউৰিসমূহ ওখ ও সৰলীকৰণৰ বাবে চৰকাৰে কি পৰিকল্পনা গ্রহণ কৰিছে? (বিতংভাৱে জনাব)

(গ) উক্ত মথাউৰি সমূহ কেতিয়া নির্মাণ কৰা হৈছিল?

(ঘ) নির্মাণৰ পৰা একোটা ণথাউৰিৰ ম্যাদ কিমান দিন ধার্য্য কৰা হয়?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্তমান ৪২৩টা মথাউৰি আছে। যাৰ সর্বমুঠ দৈর্ঘ্য হ'ল ৪৪৭৩.৮২ কিঃমিঃ আৰু ইয়াৰ ভিতৰত ৩২৮৫.৭৭৮ কিঃমিঃ মথাউৰিৰ ম্যাদ শেষ হৈছে।

(খ) অসমৰ ম্যাদ উকলি যোৱা মথাউৰিসমূহৰ ওখ আৰু সৰলীকৰণৰ বাবে বিভাগে বিভিন্ন শিতানত হ্রস্বম্যাদি আৰু দীর্ঘম্যাদি আৰু দীর্ঘম্যাদি কার্যসূচী সমূহ পর্য্যায়ক্রমে গ্রহণ কৰি আহিছে। এই বিভিন্ন কার্য্যসূচীসমূহ হ'ল— FMP, NLCPR, NABARD, SDRF ইত্যাদি।

(গ) প্রায় ভাগ মথাউৰি ১৯৫৪ চনৰ পৰা ১৯৮০ চনৰ ভিতৰত নির্মাণ কৰা হৈছিল।

(ঘ) নির্মাণৰ পৰা একোটা মথাউৰিৰ ম্যাদ ২৫ বছৰ বুলি বিভাগীয়ভাৱে ধার্য্য কৰা হয়।

বিষয় ঃ ক্ষুদ্র চাহ খেতিয়কক মাটিৰ পট্টা।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

*২১০। মাননীয় চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১ লাখ ২০ হেজাৰ ক্ষুদ্র চাহ খেতিয়কে আজিকোপতি মাটিৰ পট্টা পোৱা নাই ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) চৰকাৰ জ্ঞাতনে, ২০০৯ চনৰ পৰা উপ-কৰ হিচাপে ২৫ পইচাকৈ প্রতি কেজি চাহপাতত লোৱা হৈছে আৰু সেই ধনৰ পৰিমাণ প্রায় ১০০ কোটি হ'ব?

(গ) যদি জ্ঞাত তেন্তে সেইখিনি ধন চৰকাৰে ক'ত জমা ৰাখিছে। (তথ্য সহকাৰে সদনক জনাব)

(ঘ) উক্ত জমা ধনেৰে Mico, Mini Tea Industries ত খৰচ কৰি ক্ষুদ্র চাহ খেতিয়কসকলক উপকৃত কৰিব পৰা নাজাবনে? (সদনক জনাওক)

শ্রীপৃথিৰী মাঝি (চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ক্ষুদ্র চাহ খেতিয়কক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা আছে। এই সংক্রান্তত ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ তৰফৰ পৰা সময়ে সময়ে নির্দেশনা জাৰি কৰি থকা হৈছে। শেহতীয়া প্রতিলিপি পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল। (See Annexure-V)

(খ) হয় জ্ঞাত। কৰ বিভাগে অসম বিশেষ ভূমি আইনৰ (Specified Land Act) অধীনত Bought Tea Leaf ফেক্টৰী আৰু চাহ বাগান বিলাকে ক্ষুদ্র চাহ খেতিয়কৰ পৰা কিনা প্রতি কিলোগ্রাম কেঁচা

চাহপাতৰ ওপৰত ২০ পইচা হাৰত ১২/২/২০০১ তাৰিখৰ পৰা কার্য্যকৰী হোৱাকৈ উপকৰ সংগ্রহ কৰে। ২৯/৪/২০১০ তাৰিখৰ পৰা এই কৰৰ নিৰিখ ২৫ পইচালৈ বৃদ্ধি কৰা হয়। ২০০৯-১০ ৰ পৰা ২০১৩-১৪ বিত্তীয় বর্ষলৈ সংগ্রহ হোৱা এই উপকৰৰ পৰিমাণ ১০৪.৬৫ কোটি টকা।

(গ) সংগৃহীত ধন অসম চৰকাৰৰ একত্রিত পুঁজিত "29-103-III (Cess on specified, Coal & Tea)" শিতানত জমা ৰখা হয়।

(ঘ) উক্ত সংগৃহীত ধন উদ্যোগ আৰু বাণিজ্য বিভাগৰ জৰিয়তে বিত্ত বিভাগৰ সন্মতি সাপেক্ষে চাহ উপকৰ প্রয়োগ নীতি, ২০১০ Cess Utilization Policy, 2010 ৰ নিয়ম অনুসৰি ক্ষুদ্র চাহ খেতিয়কসকলক উপকৃত কৰিব পৰা যাব।

বিষয় ঃ ASDMA ৰ আঁচনি ৰূপায়ণ।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

*২১১। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্তাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত Assam State Disaster Management Authority য়ে কি কি আঁচনি ৰূপায়ণ কৰে?

(খ) ASDMA ৰ জৰিয়তে ধুবুৰী জিলাত ২০১০ চনৰ পৰা বর্তমানলৈকে গাঁও আৰু চহৰ অঞ্চলৰ ৰাস্তা মেৰামতিৰ আৰু গৰাখহনীয়া ৰোধ কৰাৰ বাবে কেইখন আঁচনি কার্য্যকৰী কৰা হৈছে?

(সমষ্টি ভিত্তিত তালিকা দাখিল কৰিব)

(গ) বিলাসীপাৰা পূব সমষ্টিত কি কি আঁনি লোৱা হৈছে, আঁচনিৰ বিপৰীতে কিমান টকা কার্য্য কৰা হৈছে আৰু কিমান টকা মোকলাই দিয়া হৈছে? এই আঁচনিবোৰৰ কাম সম্পূর্ণ হৈছেনে? যদি হোৱা নাই, কিয় হোৱা নাই? (বিতং তথ্য সদনত দাখিল কৰিব)

(ঘ) আঁচনিৰ বিপৰীতে কোন কোন ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল (বিতং তথ্য সদনত দাখিল কৰিব)

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক দুর্য্যোগ ব্যৱস্থাপনা প্রাধিকৰণে কোনো আঁচনি ৰূপায়ণ নকৰে। অসম ৰাজ্যিক দুর্য্যোগ ব্যৱস্থাপনা প্রাধিকৰণ হৈছে ৰাষ্ট্রীয় দুর্য্যোগ ব্যৱস্থাপনা অধিনিয়ম ২০০৫ ৰ অধীনত প্রতিষ্ঠিত এক সমন্বয় ৰক্ষাকাৰী অভিকৰণ।

এই প্রাধিকৰণে সাম্ভাব্য দুর্য্যোগৰ বাবে ল'বলগীয়া আগতীয়া ব্যৱস্থা, দুর্য্যোগ প্রশমন আৰু দুর্য্যোগৰ সময়ত লোৱা কার্য্য ব্যৱস্থাসমূহৰ তদাৰক কৰে।

(খ) ধুবুৰী জিলাত ২০১০ চনৰ পৰা বর্তমানলৈকে কার্য্যকৰী কৰা আঁচনিৰ সংখ্যা তলত দিয়া হ'ল ঃ

(১) জলসম্পদ বিভাগ ৮ খন।

(২) গড়কাপ্টানি বিভাগ ৫৭ খন।

(সমষ্টি ভিত্তিক তালিকা অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হৈছে)।

(গ) বিলাসীপাৰা পূপ সমষ্টিত অনুমোদন জনোৱা আঁচনিৰ নাম অনুবদ্ধ 'খ'ত সংলগ্ন কৰা হ'ল এই আঁচনিসমূহৰ বিপৰীতে মুঠ ৯৭.৫০ লাখ টকা ধার্য্য কৰা হৈছে আৰু ইতিমধ্যে ৩৭.৫০ লাখ টকা মোকলাই দিয়া হৈছে। আঁচনিসমূহৰ ভিতৰত মুঠ ১২খন আঁচনিৰ কাম সম্পূর্ণ হৈছে। গড়কাপ্টানি বিভাগে জনোৱা মতে বাকী থকা আঁচনি এখনৰ কাম বৰষুণৰ বাবে লেহেম হৈছে। বিতং তথ্য অনুবদ্ধ "ক"ত সংলগ্ন কৰা হ'ল। (See Annexure-VI)

(ঘ) আঁচনিৰ বিপৰীতে দায়িত্ব দিয়া ঠিকাদাৰৰ তালিকা অনুবদ্ধ "খ"ত সন্নিৱিষ্ট কৰা হৈছে। (See Annexure-VI-A)

Mr. Speaker : Now, Starred Question No. 212, Hon'ble Member

Shri Moin Udding Ahmed.

বিষয় ঃ দুর্য্যোগ ব্যৱস্থা।

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

*২১২। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিবাগে কেনে ধৰণৰ আৰু কি কি দুর্য্যোগ সামৰি লয়? (বিভাগীয় নীতি-নিয়মৰ সৈতে বিতং তথ্য দাখিল কৰিব)

(খ) জলেশ্বৰ সমষ্টি ২০০১ চনৰ পৰা আজিলৈকে কিমান পৰিয়াল, গৰাখহনীয়াত গৃহহাৰা হৈছে? (নাম-ঠিকনাৰে সৈতে বছৰ ভিত্তিত বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)।

(গ) উক্ত পৰিয়ালবোৰৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ বাবে কি কি আঁচনি বা ব্যৱস্থা লোৱা হৈছিল? (বিতংভাৱে জনাব)

(ঘ) ২০১১ চনৰ পৰা আজিলৈকে বানপানী আৰু গৰাখহনীয়াত কেতিয়া কিমান কিঃমিঃ মথাউৰিৰ ক্ষতি সাধন হৈছিল আৰু সেইবিলাকৰ পুনৰ নির্মাণৰ বাবে কেতিয়া কোন আঁচনিৰ অধীনত কিমান টকা দিয়া হৈছিল? (বছৰ ভিত্তিত বিতং তালিকা দাখিল কৰিব)

(ঙ) জুয়ে পোৰা আৰু ধুমুহাত ক্ষতিগ্রস্ত লোকৰ বাবে এই বিভাগত কি কি ব্যৱস্থা আছে জনাবনে?

শ্রীপৃথিৰী মাছি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগে নিম্নোল্লিখিত দুর্য্যোগসমূহ সামৰি লয় ঃ

বানপানী, খৰাং, ঘূর্ণীবতাহ, দুর্ঘটনাজনিতভাৱে জুইলগা, শিলাবৃষ্টি, ডাৱৰ বিস্ফোৰণ, ভূমিকম্প, ছুনামি, ভূমিস্খলন, হিমবাহ, কীট-পতংগৰ আক্রমণ, গোষ্ঠীসংঘর্ষ, দলীয় সংঘর্ষ, সাম্প্রদায়িক সংঘর্ষ,

দুর্ঘটনাজনিত মৃত্যু, উগ্রপন্থীৰ আক্রমণ আদি।

(নির্ধাৰিত নীতি-নির্দেশনাৰ প্রতিলিপি অনুৰূ "ক"ত আৰু লগতে সময়ে সময়ে সলনি হৈ থকা সাহায্যৰ নিৰিখৰ শেহতীয়া তালিকা অনুবদ্ধ "খ" আৰু "গ"ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল)। (See Annexure-VII)

(খ) গোৱালপাৰা জিলাৰ উপাযুক্তৰ পৰা পোৱা তথ্য অনুসৰি জলেশ্বৰ সমষ্টিত ২০০১ চনৰ পৰা আজিলৈকে ২৬২৭ টা পৰিয়াল গৰাখহনীয়াত গৃহহাৰা হৈছে।

(বিতং তথ্যৰ তালিকা অনুবদ্ধ "ঘ"ত সংলগ্ন কৰি সদনৰ মেজত দাখিল কৰা হ'ল)। (See Annexure-VII-A)

(গ) গৰাখহনীয়া, ৰাজ্যিক দুর্য্যোগ সঁহাৰি পুঁজিৰ নির্ধাৰিত নিয়মাৱলীৰ আওতাত নপৰা হেতুকে কোনোধৰণৰ সাহায্য দিব পৰা নাযায়।

(ঘ) সংশ্লিষ্ট বিভাগৰ পৰা তথ্য সংগ্রহ কৰি থকা হৈছে।

(ঙ) জুয়ে পোৰা, ঘূর্ণীবতাহ (Cyclone), ঘূর্ণী বতাহজনিত ধুমুহা (Cyclonic Storm), শিলাবৃষ্টি (Hailstorm) আদি তালিকাভুক্ত প্রাকৃতিক দুর্য্যোগত ক্ষতিগ্রস্ত হোৱা পৰিয়ালক অনুবদ্ধ "খ"ত দিয়া তালিকাৰ ৯নং দফা অনুসৰি পুনৰ সংস্থাপন সাহায্য প্রদান কৰা হয় আৰু উক্ত প্রাকৃতিক দুর্য্যোগৰ ফলত নিহত হোৱা লোকৰ নিকটাত্মীয়লৈ উক্ত তালিকাৰ ১নং দফা অনুসৰি এককালীন সাহায্য প্রদান কৰা হয়।

Sub : Functioning of PWSS schemes .

Smti. Mandira Roy asked :

*213. Will the Minister of Public Health Engineering be pleased to state:

a) How many total Nos. of PWSS Schemes are there

functioning in Assam?

b) Whether all the Schemes are properly functioning? If not, will the Government take initiative for functioning of the defunct schemes?

c) Whether it is fact, that some of the Schemes there are no any User's Committee?

d) If so, will the Government take initiative for formation of user's Committee so that the distrioution of drinking water supply as well as the PWSS Project can be maintained properly?

e) In reply to my earlier Assembly Question dated 7-12-13, it was replied that one World Bank assisted Greater Algapur, Hailakandi Rural Piped Water Supply and Sanitation Schemes for Rs.82.36 crore has been sanctioned by the Government but the work of the said Scheme has not) et been started, why and when the work will be started ? .

Shri Gautam Roy (Minister, P.H.E. Department) asked :

a) In total 6,582 nos. of PWSS are functioning in Assam.

b) All the sc remes are not functioning properly. Government will take initiate for functioning of the defunct schemes in phased manner depending upon the availability of fund.

c) Yes, there are some schemes without having User's Committee despite the department is constantly

perusing the matter for formation of User's Committee.

d) Government has already taken initiative for formation of User's Committee in every PWS S by giving instruction to all PHE divisions for proper distribution of drinking water supply and smooth maintenance.

e) E-tendering process for the schemes has already been completed, but no bidder succeeded in financial bidding as per norms. Hence, the work could not be allotted and started yet. The work will be started within this financial year by inviting re-tender.

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধ।

শ্ৰীবিস্মিতা গগৈয়ে সুধিছে ঃ

২১৪। মাননীয় জনসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলি ধনশিৰি নৈৰ বুকুত লীন হ'বলৈ মাত্ৰ ১০০ মিটাৰৰো কম দূৰত্ব থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, ধোদৰ আলিৰ কাষেৰে বৈ যোৱা ধনশিৰি নৈত ৰঙাপৰাৰ পৰা পাৰঘাটলৈ প্ৰায় ৩০ কিঃমিঃ দৈর্ঘ্যৰ ৰাস্তাটোৰ গৰাখহনীয়া ৰোধ কৰিবলৈ কি ব্যৱস্থা হাতত লৈছে?

(গ) গোলাঘাট জিলাৰ একমাত্ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰটো যে গেলাবিলৰ নদীত জাহ যাবলৈ প্ৰায় ১০ মিটাৰতকৈ কম দূৰত্ব থকাৰ বিষয়ে মন্ত্ৰী মহোদয়ে ২০১১ বৰ্ষত ইয়াক স্বচক্ষে প্ৰত্যেক্ষ কৰি অহাৰ পাছতো ইয়াক ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) উক্ত অঞ্চলত ধনশিৰি নদীয়ে কৰা গৰাখহনীয়া প্রতিৰোধ তথা মথাউৰি সৱলীকৰণৰ বাবে ইতিমধ্যে ৬১.৯৬ কোটি টকাৰ আঁচনি প্রস্তুত কৰি কেন্দ্রীয় জল আয়োগৰ অনুমোদনৰ বাবে দাখিল কৰা হৈছে।

(গ) উক্ত শিক্ষক প্রশিক্ষণ কেন্দ্রটো গেলাবিল নদীৰ গৰাখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে ২.৭১ কোটি টকাৰ এখন আঁচনি সম্প্রতি যুগুত কৰা হৈছে।

বিষয় ঃ শ্রমিকৰ ভৱিষ্য নিধিৰ ধন।

শ্রীপল্লৱ লোচন দাসে সুধিছে ঃ

*২১৫। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ কোন কোন চাহ বাগিচাই চাহ শ্রমিকৰ ভৱিষ্য নিধিৰ ধন 'অসম চাহ বাগিচা ভৱিষ্য নিধি আৰু বৃত্তি নিধি" আঁচনিৰ কার্য্যালয়ত আদায় দিয়া নাই? (জিলা ভিত্তিত প্রতিখন চাহ বাগিচাৰ নাম আৰু ধনৰ পৰিমাণৰ তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) ভৱিষ্য নিধিৰ ধন আদায় নিদিয়া চাহ বাগচা কর্তৃপক্ষৰ বিৰুদ্ধে চৰকাৰে কি কি বিহিত পদক্ষেপ গ্রহণ কৰিছে?

(গ) ভৱিষ্য নিধিৰ ধন আদায় লোৱাৰ ক্ষেত্রত গাফিলতি কৰাৰ বাবে কোনো দায়িত্বশীল বিষয়া তথা কর্মচাৰীৰ বিৰুদ্ধে চৰকাৰে বিহিত পদক্ষেপ গ্রহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে, কি পদক্ষেপ গ্রহণ কৰিছে আৰু গাফিলতিৰ কাৰণ কি আছিল?

(ঙ) যদি কৰা নাই, নকৰাৰ কাৰণ কি?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) তালিকা গাঁঠি দিয়া হ'ল। পৰিশিষ্ট (১ আৰু ২)ত।

(See Annexure-VIII)

(খ) ভৱিষ্য নিধি-দেয় ধন জমা দিয়াত ত্রুটি কৰা বাগিচাসমূহৰ ওপৰত বিভাগীয় বিধি অনুযায়ী বাকীজাই আৰু ফৌজদাৰী গোচৰ ৰুজু কৰা হয়। জমা দিয়াত ত্রুটি কৰা বাগিচাসমূহৰ ওপৰত লোৱা কার্য্য ব্যৱস্থা এনেকুৱা পৰিশিষ্ট (Annexure) ১ তলব।

(See Annexure-VIII-A)

(গ) বর্তমানলৈ কোনো বিষয়া আৰু কর্মচাৰীয়ে তেওঁলোকৰ বিভাগীয় দায়িত্ব সম্পন্ন কৰাৰ ক্ষেত্রত গাফিলতি কৰা পৰিলক্ষিত হোৱা নাই।

(ঘ) প্রশ্ন নুঠে।

(ঙ) প্রশ্ন নুঠে।

বিষয় ঃ দক্ষতা বৃদ্ধি (Skill Development)।

শ্রীৰণজিৎ কুমাৰ দাসে সুধিছে ঃ

*২১৬। মাননীয় শ্রম আৰু নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বিভিন্ন বৃত্তিৰ বাবে দক্ষতা বৃদ্ধিৰ কি কি পৰিকল্পনা চৰকাৰে হাতত লৈছে?

(জিলা অনুপাতে জনাব)

(খ) কেন্দ্রীয় চৰকাৰে দক্ষতা বৃদ্ধিৰ বাবে ২৫ হাজাৰ কোটি টকা ধার্য্য কৰাত অসম চৰকাৰে কিমান টকাৰ বাবে প্রস্তাৱ প্রেৰণ কৰিছে আৰু কি কি আঁচনি ৰূপায়ণ কৰাৰ পৰিকল্পনা হাতত লৈছে?

(গ) অসমৰ প্রতিটো সমষ্টিত একোটাকৈ দক্ষতা বৃদ্ধিৰ প্রশিক্ষণ কেন্দ্র স্থাপনৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঘ) দক্ষতা বৃদ্ধিৰ সফল ৰূপায়ণৰ বাবে চৰকাৰে পৃথক সঞ্চালকালয় বা সুকীয়া বিভাগ গঠন কৰাৰ পৰিকল্পনা হাতত লৈছে নেকি?

(ঙ) Skill Development ৰ সুযোগ গ্রহণ কৰিবলৈ কেন্দ্রীয় ক্রীড়া মন্ত্রীৰ লগত যোগাযোগ কৰিছে নেকি? যদি কৰিছে, সদনৰ মেজত এই বিষয়ে জনাব নেকি?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) দক্ষতা বৃদ্ধিৰ বাবে Ctraftsman Training Scheme আৰু Apprenteńship Scheme ৰ অধীনত Vocational Training Improvement Project, (VTIP) Public Private Partnership (PPP), Skill Development Initiative Scheme (Modular Employable Scheme), Enhencing Skill Development Infrastructive Scheme (ESDIS) আদি আঁচনি ৰূপায়ণ কৰি থকা হৈছে। (জিলা অনুপাতে তালিকা সংলগ্ন কৰা হ'ল।

(See Annexure-IX)

(খ) কেন্দ্রীয় চৰকাৰে দক্ষতা বৃদ্ধিৰ বাবে ধার্য্য কৰা ২৫ হাজাৰ কোটি টকা নির্ধাৰিত কৰিছে যদিও অসমে আবণ্টন পোৱা নাই আৰু প্রয়োজন সাপেক্ষে আঁচনি যুগুত কৰি প্রেৰণ কৰা হ'ব।

(গ) অসমৰ প্রতিটো সমষ্টি ভিত্তিত দক্ষতা বৃদ্ধিৰ প্রশিক্ষণ কেন্দ্র স্থাপনৰ পৰিকল্পনা হাতত লোৱা নাই।

(ঘ) পৃথক সঞ্চালকালয় গঠন কৰাৰ পৰিকল্পনা লোৱা হোৱা নাই, কিন্তু এটা সুকীয়া বিভাগ গঠন কৰাৰ প্রক্রিয়া আৰম্ভ কৰা হৈছে।

(ঙ) বর্তমানেও অনুষ্ঠানিকাভাৱে যোগাযোগ কৰা হোৱা নাই।

বিষয় ঃ জলচ্ছেদ আঁচনি।

শ্রীপ্রবীণ হাজৰিকাই সুধিছে ঃ

*২১৭। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাত কেইটা জলচ্ছেদ আঁচনিৰ কাম চলি আছে? কোন চনৰ পৰা আৰম্ভ হৈছে, কেতিয়া শেষ হ'ব, প্রত্যেকটো আঁচনিত কিমান পৰিমাণৰ টকা ধার্য্য কৰা হৈছে, আৰু কাক দায়িত্ব দিয়া

হৈছে, আঁচনি মতে কমিটী কিমানখন গঠন কৰা হৈছে? (নামসহ আঁচনি, সমষ্টি ভিত্তিক তালিকা আৰু উল্লেখ কৰা সমূহ তথ্য দাখিল কৰিব)

(খ) বিশ্বনাথ সমষ্টিত কেইখন আঁচনি চল আছে? (প্ৰতিটো আঁচনিৰ E.P.A. আৰু প্ৰত্যেকটো কামৰ আঁচনিৰ তালিকা ও খৰচৰ পৰিমাণ জনাব)

(গ) D.O. ৰ কাৰ্য্যালয়ৰ অধীনত জিলাখনত কেইটা বিভাগৰ কাৰ্য্যালয় আছে আৰু প্ৰতিটো কাৰ্য্যালয়ত কিমান কৰ্মচাৰী আছে, ক'ত ক'ত আছে বিষয়বাবসহ জনাবনে? (সকলো তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্ৰীনীলমণি সেন ডেকা (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শোণিতপুৰ জিলাত বৰ্তমানে ১৪টা সংহত জলচ্ছেদ আঁচনিৰ কাম চলি আছে।

২০০৯-১০ চনৰ আঁচনিসমূহৰ কাম ২০১০ চনত আৰম্ভ হৈছে, ২০১৪ চনত শেষ হ'ব, (DPRৰ মতে)।

২০১০-১১ চনৰ আঁচনিসমূহৰ কাম ২০১১-১২ চনত আৰম্ভ হৈছে, ২০১৫ চনত শেষ হ'ব, (DPRৰ মতে)।

২০১১-১২ চনৰ আঁচনিসমূহৰ কাম ২০১২-১৩ চনত আৰম্ভ হৈছে, ২০১৬ চনত শেষ হ'ব, (DPRৰ মতে)।

২০১২-১৩ চনৰ আঁচনিসমূহৰ কাম ২০১৩-১৪ চনত আৰম্ভ হৈছে, ২০১৭ চনত শেষ হ'ব, (DPRৰ মতে)।

উক্ত আঁচনিসমূহৰ কাম বিভাগীয় ফালৰ পৰা WDT Leader আৰু ক্ষুদ্ৰ জলচ্ছেদ কমিটী সমূহক দায়িত্ব দিয়া হৈছে। ১৪টা আঁচনিৰ বিপৰীতে ৫৯ খন ক্ষুদ্ৰ জলচ্ছেদ কমিটী গঠন কৰা হৈছে।

(নামসহ আঁচনি, ধাৰ্য্য কৰা টকাৰ পৰিমাণ সমষ্টি ভিত্তিত তালিকা

অনুচ্ছেদ 'ক'ত সদনৰ মেজত দিয়া হ'ল।)

(See Annexure-X)

(খ) বিশ্বনাথ সমষ্টিত ৪খন আঁচনিৰ কাম চলি আছে। প্ৰতিটো আঁচনিৰ E.P.A. আৰু প্ৰত্যেকটো কামৰ আঁচনিৰ তালিকা ও খৰচৰ পৰিমাণ অনুচ্ছেদ 'খ'ত সদনৰ মেজত দিয়া হ'ল।

(See Annexure-X-A)

(গ) D.O. ৰ কাৰ্য্যালয়ৰ অধীনত জিলাখনত থকা বিভাগৰ কাৰ্য্যালয়, প্ৰতিটো কাৰ্য্যালয়ত থকা কৰ্মচাৰীৰ সংখ্যা, ক'ত ক'ত আছে বিষয়বাবসহ তথ্য অনুচ্ছেদ 'গ'ত সদনৰ মেজত দিয়া হ'ল।

(See Annexure-X-B)

বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধ।

শ্ৰীমনোৰঞ্জন দাসে সুধিছে ঃ

*২১৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ গৰাখহনীয়া সৃষ্টি কৰা প্ৰতিখন নদীৰ বিপৰীতে গৰাখহনীয়া প্ৰতিৰোধ আঁচনি/প্ৰকল্প চৰকাৰৰ হাতত আছে নেকি? (যদি আছে নদীৰ নামসহ আঁচনি আৰু আঁচনিৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ জনাব)

(খ) বৰপেটা জিলাৰ কালদিয়া নদীৰ গৰাখহনীয়া ৰোধৰ বাবে চৰকাৰে কিমান টকাৰ কিমানটা আঁচনি কাৰ্য্যকৰী কৰিলে বা কৰিব বিচাৰিছে? (আঁচনিৰ নাম আৰু খৰচ হোৱা/ধাৰ্য্য টকাৰ পৰিমাণ প্ৰত্যক আঁচনিৰ বিপৰীতে দেখুৱাব)

(গ) কালদিয়া নদীৰ গৰাখহনীয়া আদি প্ৰতিৰোধৰ বাবে অসম চৰকাৰে কিবা আঁচনি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠাইছে নেকি? (যদি পঠাইছে Cover Letter ৰ কপি এটি সদনত দাখিল কৰিব)

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ গৰাখহনীয়া সৃষ্টি কৰা বিভিন্ন নদীসমূহৰ ভিতৰত বর্তমান ৪২খন আঁচনিৰ বাবে মুঠ ৭১৭৬১.৭১ লাখ টকাৰ অনুমোদন লাভ কৰা হৈছে। আঁচনিসমূহৰ তালিকা পৰিশিষ্ট-'ক'ত সংলগ্ন কৰা হ'ল।

(See Annexure-XI)

(খ) বৰপেটা জিলাৰ কালদিয়া নদীৰ গৰাখহনীয়া ৰোধৰ বাবে "Protection of both bank of river Kaldia (Bank Protection in different reaches of river Kaldia)" নামৰ ১৬৪.১২ লাখ টকাৰ আঁচনিখন FMPশিতানত কার্য্যকৰী কৰা হৈছে। আঁচনিখনৰ বিপৰীতে বর্তমানলৈ ১৬৪.১২ লাখ টকা ব্যয় কৰা হয়।

(গ) কালদিয়া নদীৰ গৰাখহনীয়া প্রতিৰোধৰ বাবে জলসম্পদ বিভাগে "Pro sitation measures in different reaches on both banks of river Deojara and Kaldia" (Review) নামৰ ৭০১.৭৭৮ লাখ টকাৰ এখন আঁচনি প্রস্তুত কৰি কেন্দ্রীয় চৰকাৰলৈ যাৱতীয় অনুমোদনৰ বাবে দাখিল কৰা হৈছিল যদি অনুমোদিত নহ'ল। তদন্ত আঁচনিখন কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা পত্রৰ প্রতিলিপি পৰিশিষ্ট-'খ'ত সংলগ্ন কৰা হ'ল।

(See Annexure-XI)

বিষয় ঃ চক্র বিষয়া, বেদখল।

শ্রীমুকুন্দ ৰায় চৌধুৰীয়ে সুধিছে ঃ

*২১৯। মাননীয় ৰাজহ ও দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলা আৰু ওদালগুৰি জিলাত কিমানটা চক্র বিষয়াৰ কার্য্যালয় আছে? (জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)।

(খ) উক্ত কার্য্যালয়সমূহত চক্র বিষয়া আছেনে নাই? যদি আছে, বিষয়াসকলৰ নাম কার্য্যালয় অনুযায়ী নামৰ তালিকা দাখিল কৰিবনে)

(গ) যদি নিযুক্তি দিয়া হোৱা নাই, কেতিয়া নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব?

(ঘ) দৰং আৰু ওদালগুৰি জিলাত কিমান মাটি বেদখলকাৰীৰ কবলত আছে?

(ঙ) যদি আছে, বেদখলকাৰীক উচ্ছেদ কৰা হ'ব নেকি? (বেদখলকাৰীৰ নাম তালিকা, মাটিৰ পৰিমাণ বিতংভাৱে সদনৰ মেজত দাখিল কৰিব)

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) দৰং আৰু ওদালগুৰি জিলাত মুঠ ৯ (ন) টা ৰাজহ চক্রবিষয়াৰ কার্য্যালয় আছে। (জিলা ভিত্তিত তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল)।

(See Annexure-XII)

(খ) উক্ত কার্য্যালয়সমূহত ৰাজহ চক্রত চক্র বিষয়া পদস্থাপিত কৰা হৈছে। কার্য্যালয় অনুযায়ী বিষয়াসকলৰ নামৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল।

(গ) সকলো ৰাজহ চক্রতে বিষয়া নিযুক্তি হৈছে।

(ঘ) দৰং জিলাত বেদখলকৃত মাটিৰ পৰিমাণ হ'ল— ১,২২,৬৩৫ বিঘা ০৪ কঠা ০১ লেচা আৰু ওডালগুৰি জিলাৰ বেদখলকৃত মাটিৰ পৰিমাণ ২,২৮,১৮৪ বিঘা ৩ কঠা ১০ লেচা।

(ঙ) চৰকাৰী নিয়ম অনুসৰি নিশ্চিতভাৱে বেদখলকাৰীসকলক উচ্ছেদ কৰা হ'ব। বেদখলকাৰীৰ নামৰ তালিকা সদ্যহতে প্রস্তুত হৈ উঠা নাই।

বিষয় ঃ পৰিকল্পনা আৰু পৰিকল্পনা বহির্ভূত ধনৰ (Non-Plan) ব্যয়।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

*২২০। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০১-০২ বিত্তীয় বছৰত পৰিকল্পনা আয়োগৰ লগত হোৱা আলোচনাৰ অন্তত ২০১৪-১৫ বিত্তীয় বর্ষলৈকে প্রতিটো বিত্তীয়

বছৰত ধাৰ্য্য কৰা ধনৰ পৰিমাণ কিমান ধাৰ্য্য কৰা হৈছিল? (বিত্তীয় বছৰ অনুসৰি পৰিকল্পনা শিতানৰ ধনৰ ৰাজ্য চৰকাৰৰ পৰিমাণ (State Share), পৰিকল্পনা বহির্ভত ধনৰাশি সুকীয়া সুকীয়াকৈ দেখুৱাব।

(খ) ২০০১-০২ বিত্তীয় বছৰৰ পৰা আজিলৈকে (২০১৩-১৪ বিত্তীয় বছৰৰ পৰা আজিলৈকে (২০১৩-১৪ বিত্তীয় বছৰ) প্ৰতিটো বছৰতে পৰিকল্পনা শিতানৰ ধন ধাৰ্য্য ধনৰাশিতকৈ কিমান খৰচ হ'ল আৰু কিমান খৰচ নোহোৱাকৈ থাকি গ'ল?

(গ) উক্ত বছৰবোৰত খৰচ নোহোৱাকৈ থকা ধনৰ পৰিমাণ কিমান? (সৰ্বমুঠ ২০০১ৰ পৰা ২০১৪ লৈকে)।

(ঘ) উক্ত বছৰবোৰত পৰিকল্পনা বহির্ভূত ধন প্ৰতিটো বিত্তীয় বছৰত কিমানকৈ খৰচ কৰা হৈছিল উক্ত বছৰবোৰত মুঠ কিমান পৰিকল্পনা বৰ্হিভূত ধন ব্যয় কৰা হ'ল?

শ্ৰীটংক বাহাদুৰ ৰাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ২০০১-০২ বৰ্ষৰ পৰা ২০১৪-১৫ বৰ্ষলৈ ৰাজ্যখনত বছৰ অনুসৰি পৰিকল্পনা শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণ, ৰাজ্য চৰকাৰ ধনৰ অংশ আৰু পৰিকল্পনা বহির্ভূত ধনৰাশিৰ তালিকা এখন পৰিশিষ্ট-১ (Annexure-I), সংলগ্ন কৰা হ'ল। যিহেতু ২০১৪-১৫ বৰ্ষৰ বাবে পৰিকল্পনা আয়োগৰ পৰা আবণ্টন এতিয়ালৈকে পোৱা নাই তথাপিও ৰাজ্যখনৰ সম্পদৰ ওপৰত ভিত্তি কৰি তথা কেন্দ্ৰৰ পৰা পৰিকল্পনা সাহায্য হিচাপে পাব লগা আনুমানিক পুঁজিৰ ওপৰত ভিত্তি কৰি মুঠ ২১০০৬.৯০ কোটি টকা চলিত বছৰৰ বাবে বিভিন্ন বিভাগৰ মাজত আবণ্টন দিয়া হৈছে।

(See Annexure-XIII)

(খ) ২০০১-০২ বিত্তীয় বৰ্ষৰ পৰা ২০১৩-১৪ বিত্তীয় বৰ্ষলৈ বছৰ অনুসৰি পৰিকল্পনা শিতানত ধাৰ্য্য কৰা ধনৰ পৰিমাণ, খৰচৰ পৰিমাণ আৰু খৰচ নোহোৱাকৈ থকা ধনৰ পৰিমাণৰ তালিকা এখন পৰিশিষ্ট-

২ত (Annexure-II) সংলগ্ন কৰা হ'ল।

(See Annexure-XIII-A)

(গ) ২০০১-০২ বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ খৰচ নোহোৱাকৈ থকা ধনৰ পৰিমাণ হ'ল ১৩০৯২.৭১ কোটি টকা। ২০১৩-১৪ বৰ্ষৰ পৰিকল্পনা শিতানৰ খৰচৰ হিচাপ অহা ছেপ্টেম্বৰ মাহৰ পিছতহে দিব পৰা যাব।

(ঘ) ২০০১-০২ বৰ্ষৰ পৰা ২০১২-১৩ বৰ্ষলৈ পৰিকল্পনা বহির্ভূত ব্যয়ৰ মুঠ পৰিমাণ হ'ল ১৩৭০৯৩২৯.০৯ লাখ টকা। উক্ত বছৰবোৰৰ পৰিকল্পনা বহির্ভূত ধনৰ খৰচৰ হিচাপ বছৰ অনুসৰি পৰিশিষ্ট-৩ত (Annexure-III) সংলগ্ন কৰা হ'ল।

(See Annexure-XIII-B)

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ বৰদিকৰাই জলসিঞ্চন আঁচনি।

শ্রীপদ্ম হাজৰিকাই সুধিছে ঃ

৪৪৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ বৰদিকৰাই জলসিঞ্চন আঁচনি বৰ্তমান কি অৱস্থাত আছে?

(খ) এই আঁচনিখন কেতিয়া আৰম্ভ কৰা হৈছিল আৰু কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(প্রাককলনৰ প্রতিলিপি সহ বিতং তথ্য সদনত দিব)

(গ) প্রাককলন, ৱর্ক অর্ডাৰ মতে এই কাম কেতিয়া শেষ হ'ব লাগিছিল? নির্ধাৰিত সময়ত কিয় শেষ নহ'ল?

(ঘ) বর্তমান এই আঁচনিখনৰ বাবে কিমান টকা মোকলাই দিয়া হ'ল আৰু কিমান টকা দিবলৈ বাকী আছে?

(তাৰিখ অনুসৰি মোকলাই দিয়া টকাৰ পৰিমাণসহ বিতং তথ্য দিব)

(ঙ) আঁচনিখনৰ পৰা ৰাইজৰ কিমান কৃষিভূমিক সামৰি লোৱাৰ কথা আছিল? এতিয়ালৈ বিভাগ লক্ষ্যত উপনীত হ'ব পাৰিছেনে?

(চ) বর্তমান অসমত কিমানটা জলসিঞ্চনৰ আঁচনি আছে? ইয়াৰে কিমানটা কার্য্যক্ষম কিমানটা অকার্য্যক্ষম হৈ আছে? কি কাৰণত জলসিঞ্চন আঁচনিসমূহ অকার্য্যক্ষম হৈ আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(ছ) বর্তমান অসমত কিমানখন আঁচনি নির্মীয়মাণ অৱস্থাত আছে? প্রতিখন আঁচনিৰ নাম, ধনৰ পৰিমাণ, কাম শেষ হোৱাৰ দিন আৰু কিমান কৃষি ভূমিক সামৰি লোৱাৰ লক্ষ্য আছে? (তথ্য সদনত দাখিল কৰিব)

শ্রীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শোণিতপুৰ জিলাৰ বৰডিকৰাই জলসিঞ্চন আঁচনিখনে বর্তমান অৱস্থাত ৯৪ শতাংশ কাম সম্পূর্ণ কৰিছে।

(খ) আঁচনিখনৰ কাম ১৯৭৫-৭৬ চনত আৰম্ভ কৰা হৈছিল আৰু প্রাৰম্ভিক পর্য্যায়ত ৩.৫৬১ কোটি টকা ধার্য্য কৰা হৈছিল যদিও তৃতীয় সংশোধিত প্রাককলন অনুসৰি মুঠ ৪৯.৯৩ কোটি টকা ধার্য্য কৰা হয়। (তৃতীয় সংশোধিত প্রাককলনৰ প্রতিলিপিৰ তথ্য Annexure-I ত দাখিল কৰা হ'ল।

(See Annexure-XIV)

(গ) প্রাককলন, ৱর্ক অর্ডাৰ অনুসৰি বৰডিকৰাই জলসিঞ্চন আঁচনিৰ কাম ১৯৮০ চনতেই শেষ হ'ব লাগিছিল। কিন্তু পুঁজিৰ অভাৱ, মাটি

অধিগ্রহণৰ দীঘলীয়া প্ৰক্ৰিয়া, নিৰ্মাণ সামগ্ৰী সময়মতে নোপোৱাৰ বাবে নিৰ্ধাৰিত সময়ত এই আঁচনিখনৰ কাম শেষ কৰিব পৰা নগ'ল।

(ঘ) বৰ্তমানে আঁচনিখনৰ বাবদ সৰ্বমুঠ ৯৪.২৩২১৮ কোটি টকা মোকলাই দিয়া হৈছে। ইয়াৰ ভিতৰত ৪০.৮৪ কোটি টকা One time Central Assistance ৰ শিতানৰ, ৬.৩৮৪৯ কোটি টকা CAD ৰ শিতানৰ আৰু এতিয়াও ৬.৯১৩৬৫ কোটি টকা মোকলাই দিবলৈ বাকী আছে। বিতং তথ্য Annexure-II ত দাখিল কৰা হ'ল।

(See Annexure-XIV-A)

(ঙ) এই আঁচনিখনৰ জৰিয়তে ১৬৯৯৪.০০ হেক্টৰ (NIA) কৃষিভূমি সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। এতিয়ালৈকে এই বিভাগে সম্পূৰ্ণ লক্ষ্যত উপনীত হ'ব পৰা নাই।

(চ) বৰ্তমান অসমত ২৬৮৭ খন জলসিঞ্চন আঁচনি আছে। ইয়াৰে ১২৪৫ খন আঁচনি সম্পূৰ্ণ কাৰ্য্যক্ষম নাইবা আংশিক কাৰ্য্যক্ষম হৈ আছে আৰু ৪০৮ খন আঁচনি অকাৰ্য্যক্ষম হৈ আছে। বাকী ১৩৭৬ খন আঁচনৰ কাম নিৰ্মাণৰ বিভিন্ন পৰ্য্যায়ত আছে। জিলাভিত্তিত তথ্য Annexure-III ত দাখিল কৰা হ'ল।

(See Annexure-XIV-B)

(ছ) বৰ্তমান অসমত জলসিঞ্চন বিভাগত ৬১৯ খন জলসিঞ্চন আঁচনি নিৰ্মীয়মাণ অৱস্থাত আছে। (এই আঁচনি কেইখন Ongoing অৱস্থাত থকা ১৩৭৬ খন আঁচনিৰ অন্তৰ্গত)। এই তথ্য Annexure-IV ত দাখিল কৰা হ'ল।

(See Annexure-XIV-C)

বিষয় ঃ জলসিঞ্চন প্ৰকল্প।

শ্ৰীআলী হুছেইনে সুধিছে ঃ

৪৪৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান সংখ্যক সৰু-ডাঙৰ ডলসিঞ্চন প্ৰকল্প আছে?

(জিলা ভিত্তিত সদনত জনাব)

(খ) ইয়াৰে কিমানটা জলসিঞ্চন প্ৰকল্প কার্য্যক্ষম আৰু কিমান প্ৰকল্প অকার্য্যক্ষম অৱস্থাত আছে?

(গ) অকার্য্যক্ষম অৱস্থাত থকা জলসিঞ্চন প্ৰকল্পবিলাক কার্য্যক্ষম কৰাৰ কাৰণে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছেনে?

(ঘ) চলিত বিত্তীয় বর্ষত নতুন জলসিঞ্চন প্ৰকল্প কৰাৰ কাৰণে চৰকাৰৰ কোনো পৰিকল্পনা আছেনে? যদি আছে, কোন কোন ঠাইত জলসিঞ্চন প্ৰকল্প কৰা যাব জনাবনে?

শ্ৰীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্তমান ২৬৮৭ খন সৰু-ডাঙৰ জলসিঞ্চন প্ৰকল্প আছে। (তথ্য অনুবদ্ধ-১ ত দাখিল কৰা হ'ল।)

(See Annexure-XV)

(খ) ইয়াৰে ১২৪৫ খন আঁচনি সম্পূর্ণ বা আংশিক কার্য্যক্ষম অৱস্থাত আৰু ৪০৮খন আঁচনি অকার্য্যক্ষম অৱস্থাত আছে।

(গ) অকার্য্যক্ষম অৱস্থাত থকা জলসিঞ্চন প্ৰকল্পবিলাক ধনৰ আবণ্টন সাপেক্ষে কার্য্যক্ষম কৰাৰ কাৰণে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰি আছে।

(ঘ) হয়, আছে। চলিত বিত্তীয় বর্ষৰ কাৰণে পৰিকল্পনা কৰা আঁচনিসমূহৰ স্থান অনুবদ্ধ-২ত দাখিল কৰা হ'ল।

(See Annexure-XV-A)

বিষয় ঃ পেঞ্চনৰ আবেদন।

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৪৪৯। মাননীয় পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ পেঞ্চন সঞ্চালকালয়ত বিগত ৫ বছৰত কিমান সংখ্যক

ৰাজ্যিক বিষয়া-কর্মচাৰীৰ পেঞ্চন নিয়মীয়াকৰণৰ আবেদনপ্ৰাপ্ত হৈছে? (জিলা ভিত্তিত সংখ্যা বিভাগ অনুযায়ী তালিকা সদনত দাখিল কৰিব)

(খ) তাৰে ভিতৰত কিমন সংখ্যক বিষয়া-কর্মচাৰীৰ পেঞ্চন নিয়মীয়াকৰণ কৰা হ'ল? (বিভাগ অনুযায়ী জিলাভিত্তিত সংখ্যা সদনত দাখিল কৰিব)

(গ) কিমান সংখক বিষয়া-কর্মচাৰীৰ পেঞ্চন বর্তমানলৈকে নিয়মীয়াকৰণ কৰা হোৱা নাই? (বিভাগ অনুযায়ী নাম-ঠিকনাৰ সৈতে আবেদনকাৰীৰ তালিকা জিলা-ভিত্তিত সদনত দাখিল কৰিব)

(ঘ) পেঞ্চন নিয়মীয়াকৰণ নকৰাৰ কাৰণসমূহ কি কি? (সদনত জনাব)

(ঙ) কিমান দিনৰ ভিতৰত আবেদনকাৰীৰ পেঞ্চন নিয়মীয়াকৰণ কৰিব লাগে?

(চ) সেই মতে কৰা হৈছেনে? (বিতং সদনত জনাব)

শ্ৰীটংক বাহাদুৰ ৰাই (পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পেঞ্চন সঞ্চালকালয়ত ৰাজ্যখনৰ প্ৰাদেশীকৃত স্কুলসমূহৰ শিক্ষক কর্মচাৰীৰ লগতে অসম চৰকাৰৰ প্ৰাদেশীকৃত পঞ্চায়ত বিভাগৰ তৃতীয় আৰু চতুর্থ শ্ৰেণীৰ কর্মচাৰীসকলৰহে পেঞ্চন নিয়মীয়াকৰণৰ কাম কৰা হয়। এই সংক্ৰান্তত পেঞ্চন সঞ্চালকালয়ে বিগত ৫ বছৰত পেঞ্চন নিয়মীয়াকৰণৰ বাবে ২৩,১৫৩ টা গোচৰ (পেঞ্চন গোচৰ) পোৱা হৈছে, ইয়াৰে শিক্ষা বিভাগৰ পৰা ২১,২৯৬টা আৰু পঞ্চায়ত বিভাগৰ পৰা ১৮৫৭টা গোচৰ পোৱা হয়)। উক্ত গোচৰসমূহৰ জিলা ভিত্তিত পোৱা সঠিক সংখ্যাৰ তালিকা পৰিশিষ্ট-'ক'ত গাঠি দিয়া হ'ল।

(See Annexure-XVI-A)

(খ) ওপৰোক্ত 'ক'ত উল্লেখ কৰা গোচৰসমূহৰ ভিতৰত শিক্ষা বিভাগৰ ১৭,৪৪৫ টা আৰু পঞ্চায়ত বিভাগৰ ১৭৮৫টা গোচৰ নিয়মীয়াকৰণ কৰা হয়। (বিভাগ অনুযায়ী জিলা ভিত্তিত সংখ্যাৰ তালিকা পৰিশিষ্ট-'খ'ত গাঠি দিয়া হ'ল)

(See Annexure-XVI-A)

(গ) বিগত ৫ বছৰত (০১-০৩-২০০৯ ৰ পৰা ৩১-১২-২০১৩ লৈ) পেঞ্চন সঞ্চালকালয়ে নিয়মীয়াকৰণৰ বাবে পোৱা ২৩,১৫৩ টা গোচৰৰ ভিতৰত ৪৬৩২ টা গোচৰ নিষ্পত্তি হোৱা নাই। ইয়াৰে শিক্ষা বিভাগৰ ৪৫৯৫ টা আৰু পঞ্চায়ত বিভাগৰ ৩৭টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে (বিভাগ অনুযায়ী নাম ঠিকনাৰ সৈতে আবেদনকাৰীৰ তালিকা জিলাভিত্তিত সীমিত সময়ৰ ভিতৰত দিয়াটো অসুবিধা হোৱাৰ বাবে নামৰ সলনি নিষ্পত্তি নোহোৱা গোচৰ সমূহৰ জিলা ভিত্তিত সংখ্যাৰ তালিকা পৰিশিষ্ট 'গ'ত গাঠি দিয়া হ'ল)। (See Annexure-XVI-B) নিষ্পত্তি নোহোৱা পেঞ্চন প্ৰস্তাৱৰ আবেদনকাৰীৰ তালিকাসমূহ প্ৰস্তুত কৰি থকা হৈছে আৰু বহু দীঘলীয়া হোৱায় তালিকাসমূহ সম্পূৰ্ণ নোহোৱাৰ বাবে দিব পৰা নহ'ল। সম্পূৰ্ণ হোৱাৰ লগে লগে মাননীয় বিধায়ক মহোদয়ক এমাহৰ ভিতৰত দিয়া হ'ব।

(ঘ) পেঞ্চন নিয়মীয়াকৰণ নকৰাৰ কোনো কাৰণ নাই। উল্লেখ থাকে যে পেঞ্চন সঞ্চালকালয়ত বিষয়া আৰু কৰ্মচাৰীসহ মুঠ কৰ্মচাৰী ২১ জন (ইয়াৰে সঞ্চালকালয়ৰ নিজা ১১ জন, সচিবালয়ৰ ২ জন আৰু ঠিকাভিত্তিত থকা ৮ জন) বিষয়া কৰ্মচাৰীৰ বিপৰীতে পেঞ্চন প্ৰস্তাৱ প্ৰাপ্তিৰ সংখ্যা যথেষ্ট সৰহ হোৱাৰ বাবে কিছুসংখ্যক গোচৰ নিষ্পত্তি নোহোৱাকৈ থাকি যায়। পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগে স্থায়ী পেঞ্চন নিষ্পত্তি নোহোৱা পৰ্যন্ত সামৰিক পেঞ্চন আৰু ন্যায্যভাৱে পাবলগীয়া DCRG আদি আৰু পৰিয়াল পেঞ্চন দিবৰ

বাবে বিভাগীয় কর্তৃপক্ষক ইতিমধ্যে নির্দেশ দিয়া হৈছে। তাৰোপৰি ৰাজ্য চৰকাৰে পেঞ্চন সঞ্চালকালয়ৰ বাবে মঞ্জুৰী দিয়া ১২ টা নিম্নবর্গ সহায়কৰ পদ আৰু ২টা চতুর্থ বর্গৰ কর্মচাৰীৰ পদ পূৰণৰ বাবে ব্যৱস্থা লৈ থকা হৈছে। ২৯-০৪-১৯৭৬ চনৰ চৰকাৰী অধিসূচনা মতে ও পৰৱর্তী পর্য্যায়ত জাৰি কৰা বিভিন্ন বিধি অনুযায়ী অৱসৰপ্রাপ্ত কর্মচাৰীজনৰ বাবে পেঞ্চনৰ প্রস্তাৱসমূহ অৱসৰ পোৱাৰ ২ বছৰ আগৰ পৰাই আৰম্ভ কৰিব লাগে আৰু অৱসৰ পোৱাৰ ঠিক ছমাহৰ আগে আগে পেঞ্চন মঞ্জুৰ কৰা কর্তৃত্বশীল প্রাধিকাৰীলৈ পেঞ্চনৰ প্রস্তাৱসমূহ পঠিয়াব লাগে যাতে অৱসৰপ্রাপ্ত চৰকাৰী কমচাৰীজনে ঠিক অৱসৰৰ পৰৱর্তী দিনৰ পৰা পেঞ্চন পাব পাৰে। যিসকলে উক্ত নির্দেশনামতে পেঞ্চনৰ প্রস্তাৱসমূহ সময় মতে দাখিল কৰে, পেখেতসকলে অৱসৰৰ লগে লগে পেঞ্চন পোৱাত বিলম্ব নহয়। কিন্তু যিসকলৰ ক্ষেত্রত নির্দেশনা মতে পেঞ্চন প্রস্তাৱ পোৱা নাযায় তেওঁলোকৰ ক্ষেত্রত অৱসৰৰ লগে লগে পেঞ্চন পোৱাত কিছু বিলম্ব হ'ব পাৰে। উক্ত অসুবিধা দূৰ কৰাৰ কাৰণে পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগে ইতিমধ্যে চৰকাৰী সকলো বিভাগলৈ ২০১৬ চনলৈ (পাঁচ বছৰৰ বাবে) অৱসৰ পাবলগীয়া কর্মচাৰীৰ তালিকা প্রস্তুত কৰাৰ নির্দেশনা জাৰি কৰিছে আৰু এই ক্ষেত্রত কিছু সফলতা লাভ কৰিছে। উক্ত বিধি গ্রহণ কৰাৰ বাবে ইতিমধ্যে মুখ্য সচিবৰ অধ্যক্ষতাত পর্য্যালোচনা সভা অনুষ্ঠিত কৰা হৈছে আৰু মুৰব্বী বিষয়াৰ কার্য্যালয়লৈ তথা উপায়ুক্তসকললৈ যাৱতীয় উপযুক্ত ব্যৱস্থা লোৱাৰ নির্দেশনা প্রেৰণ কৰা হৈছে। এইক্ষেত্রত পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগে কিছু সফলতা লাভ কৰিছে আৰু ভৱিষ্যতে সম্পূর্ণ সফলতা লাভ কৰিব পৰা যাব।

নিষ্পত্তি নোহোৱা পেঞ্চনৰ সংক্রান্তত পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগ সজাগ আৰু তাৰ সংখ্যা শীঘ্রে হ্রাস কৰাৰ উদ্দেশ্যে পেঞ্চন আদালতে অনুষ্ঠিত কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে। ইতিমধ্যে

কামৰূপ মহানগৰ আৰু কামৰূপ জিলাক সামৰি প্ৰথমটো পেঞ্চন আদালত অনুষ্ঠিত কৰা হৈছে আৰুউক্ত আদালতত ৪২৩টা পেঞ্চন প্ৰস্তাৱ নিষ্পত্তি কৰা হৈছে।

এই বিত্তীয় বৰ্ষতে তলত উল্লেখিত জিলাসমূহত পেঞ্চন আদালত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হছে। জিলাকেইখন হৈছে— যোৱহাট, শোণিতপুৰ, কাছাৰ, লক্ষীমপুৰ, গোৱালপাৰা, ধুবুৰী, নগাঁও, কৰিমগঞ্জ, কোকৰাঝাৰ, বাক্সা, চিৰাং, বঙ্গাইগাঁও, বৰপেটা, শিৱসাগৰ, হাইলাকান্দি, দৰং, ওদালগুৰি, গোলাঘাট। পৰৱৰ্তী সময়ত বাকী থকা জিলাসমূহত পেঞ্চন আদালত অনুষ্ঠিত কৰা হ'ব। উক্ত জিলাসমূহত পেঞ্চন আদালত অনুষ্ঠিত হ'লে নিষ্পত্তি নোহোৱাকৈ থকা পেঞ্চন গোচৰৰ সংখ্যা যথেষ্ট হ্ৰাস পাব বুলি আশা কৰা হৈছে। তাৰ ফলত পেঞ্চন নিষ্পত্তি নোহোৱাৰ সমস্যা সমাধান হ'ব। জিলা ভিত্তিত পেঞ্চন আদালত অনুষ্ঠিত হ'লে দূৰণিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে উপস্থিত হৈ যদি কিবা ওজৰ-আপত্তি থাকে তেতিয়াহ'লে তাত উপস্থিত হৈ তাক্ষণিকভাৱে যাৱতীয় কাগজ-পত্ৰ দাখিল কৰি পেঞ্চন গোচৰসমূহ নিষ্পত্তি কৰাত সহায় কৰিব পাৰে আৰু তেওঁলোকৰ টকা-পইচা খৰচ কৰি গুৱাহাটীলৈ অহাৰ পৰাও ৰেহাই পাব।

তাৰোপৰি অৱসৰ পাবলগীয়া চৰকাৰী বিষয়া-কৰ্মচাৰীজনৰো পেঞ্চনৰ প্ৰস্তাৱ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কৰণীয় আছে। এই ক্ষেত্ৰত অসম সেৱা (পেঞ্চন) বিধি ১৯৬৯ চনৰ বিধিত পৰিষ্কাৰকৈ উল্লেখ আছে যে অৱসৰ পাবলগীয়া চৰকাৰী বিষয়া কৰ্মচাৰীয়ে অৱসৰ পোৱাৰ এবছৰৰ ভিতৰত তেওঁৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়ালৈ পেঞ্চনৰ প্ৰস্তাৱ দাখিলৰ বাবে যাৱতীয় প্ৰপত্ৰ বিচাৰি আবেদন কৰিব লাগে। দেখা যায় যে এই ক্ষেত্ৰত সৰহ সংখ্যক বিষয়া কৰ্মচাৰীয়ে পেঞ্চন প্ৰস্তাৱ দাখিলৰ বাবে যাৱতীয় আবেদন দাখিল কৰা অতি বিৰল।

(See Annexure-XVI-C)

(ঙ) উত্তৰ 'ঘ'ত দিয়া হৈছে।

(চ) উত্তৰ 'ঘ'ত উল্লেখ কৰা মতে ৰাজ্যিক বিষয়া কৰ্মচাৰীসকলৰ পেঞ্চন নিয়মীয়াকৰণৰ ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ চাহ বাগিচাৰ মজুৰী, পি এফ।

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৫০। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান চাহ বাগিচা আছে?

(বাগিচাৰ নাম, মালিকৰ নাম জিলা ভিত্তিত দাখিল কৰিব)

(খ) অসমৰ বৰ্তমান চাহ শ্ৰমিকৰ মজুৰি কিমান? এই মজুৰি বৃদ্ধিৰ চিন্তা ৰাজ্য চৰকাৰে কৰিছেনে? শ্ৰমিকসকলে প্ৰকৃত মজুৰি বৰ্তমান লাভ কৰি আছেনে?

(গ) অসমৰ কোন চাহ বাগিচাই বৰ্তমান কিমানকৈ টকা পি এফত জমা দিবলৈ বাকী আছে?

(বাগিচাৰ নামৰ বিপৰীতে ধনৰ পৰিমাণ জনাব)

(ঘ) এই অনাদায় পি এফৰ ধন আদায়ৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

(ঙ) বৰ্তমান অসম চাহ নিগমৰ অধীনত কিমান চাহ বাগিচা আছে?

(বাগিচাৰ নাম, ঠিকনা দাখিল কৰিব)

(চ) এই বাগিচাসমূহৰ কোনখনত কিমান শ্ৰমিক আছে? এই শ্ৰমিকসকলক কি হাৰত মজুৰি দিয়া হ'ব?

(ছ) অসম চাহ নিগমৰ চাহ বাগিচাৰ কিমান পি এফৰ ধন অনাদায় হৈ আছে?

(বাগিচাৰ নামৰ বিপৰীতে ধনৰ পৰিমাণ সুকীয়া সুকীয়াকৈ উল্লেখ কৰিব)

(জ) এই ধন আদায়ৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(ঝ) অসমত বর্তমান কিমান ক্ষুদ্র চাহ খেতিয়ক আছে? এইসকলক কি কি সুবিধা দিয়া হৈছে?

শ্রীপৃথিৱী মাঝি (শ্রম আৰু নিয়োগ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ চাহ বাগিচাৰ সংখ্যা ৭৯০ খন। মণ্ডল ভিত্তিত বাগিচাৰ নামৰ তালিকা Annexure-I সদনত দাখিল কৰা হ'ল।

(খ) ব্রহ্মপুত্র উপত্যকাত ৯৪.০০ টকা আৰু বৰাক উপত্যকাত ৭৫.০০ টকা। ইয়াৰ উপৰিও দুয়ো উপত্যকাতে শ্রমিকসকলৰ পৰিয়ালক বেহাই হাৰত ৰেচন খৰি অথবা খৰিৰ পইচা আদি দিয়া হয়। ৰাজ্য চৰকাৰে চাহ শ্রমিকৰ মজুৰী বৃদ্ধিৰ বিষয়টো সক্রীয়ভাৱে বিবেচনা কৰি আছে। দ্বিপাক্ষিক চুক্তি মতে নির্ধাৰণ কৰা, ওপৰত উল্লেখিত মজুৰী বাগিচাসমূহত দি থকা হৈছে।

(গ) কোন কোন বাগিচাই কিমানকৈ টকা ভৱিষ্য নিধিত জমা দিবলৈ বাকী আছে তাৰ বিতং তথ্য Annexure-II সদনত দাখিল কৰা হ'ল।

(ঘ) ভৱিষ্য নিধিৰ ধন জমা নিদিয়া বাগিচাবিলাকৰ কি কি ব্যৱস্থা লোৱা হৈছে তাৰ উত্তৰ Annexure-II ৰ Remark ত দেখুৱা হৈছে।

(ঙ) এই বিভাগত তথ্য নাই।

(চ) উত্তৰ (ঙ)ৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

(ছ) উত্তৰ(ঙ)ৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

(জ) উত্তৰ(ঙ)ৰ পৰিপ্রেক্ষিতত প্রশ্ন নুঠে।

বিষয় ঃ চৰকাৰী ভূমি।

শ্রীঘনশ্যাম কলিতাই সুধিছে ঃ

৪৫১। মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰঙিয়া সমষ্টিত বর্তমান চৰকাৰী ভূমি কিমান আছে? এই ভূমিসমূহ

বর্তমান কিভাৱে ব্যৱহৃত হৈ আছে?
(বিতং তথ্য সদনত দাখিল কৰিব)

(খ) সমষ্টিটোৰ কোন ঠাইত চৰকাৰী ভূমি বেদখলকৃত ৰূপত আছে নেকি? যদি আছে, কেতিয়াৰ পৰা আছে আৰু সেই ভূমি মুক্ত কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

(গ) যদি ব্যৱস্থা গ্ৰহণ কৰিছে, কি ব্যৱস্থা গ্ৰহণ কৰিছে? যদি কৰা নাই, কিয় কৰা নাই?

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙিয়া মহকুমাত ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত বৰ্তমান চৰকাৰী ভূমিৰ পৰিমাণ ২০,০০৪ বিঘা ১ কঠা ১৮ লেচা। এই ভূমিসমূহ তলত দেখুওৱা ধৰণে ব্যৱহৃত হৈ আছে ঃ

গোচৰণীয়া পথাৰ ঃ ৫,৪৮৯ বিঘা ৪ কঠা ২ লেচা।

অনুষ্ঠান/প্ৰতিষ্ঠান ও সাধাৰণ চৰকাৰী (বাটপথ, নদী বিল, খেলপথাৰ আদি ঃ ১৫১৩ বিঘা ২ কঠা ১২ লেচা।

চিলিং চৰকাৰী ঃ ২১০ বিঘা ২ কঠা ০ লেচা।

ধৰ্মীয় চৰকাৰী ঃ ১২,৭৯০ বিঘা ৩ কঠা ৪ লেচা।

(খ) ৰঙিয়া সমষ্টিৰ অন্তৰ্গত এলেকাত বৰ্তমান বিভিন্ন গাঁৱৰ চৰকাৰী ভূমি কিছু পৰিমাণে বেদখলকৃত ৰূপত আছে। এই ভূমিৰ ভিতৰত চিলিং চৰকাৰী আৰু ধৰ্মীয় চৰকাৰী ভূমি ৰায়ত সকলে দখল কৰি আছে আৰু বেদখল বহু বছৰৰ পূৰ্বৰ পৰা আছে। এই ভূমিৰ কিছু অংশ ভূমি ৰহু ভূমিহীন আৰু বান ক্ষতিগ্ৰস্থ পৰিয়ালে বেদখল কৰি আছে। উক্ত বেদখল সময়ে সময়ে উচ্ছেদ কৰি থকা হৈছে।

(গ) গোচৰণীয়া পথাৰ, পথৰ দাতিৰ সংৰক্ষণ আৰু সাধাৰণ চৰকাৰী ভূমিৰ বেদখল প্ৰয়োজন সাপেক্ষে সময়ে সময়ে উচ্ছেদ কৰি থকা হৈছে।

বিষয় ঃ পথ মেৰামতি আৰু বানপানীত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

৪৫২। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১২ বৰ্ষত সমগ্ৰ অসমতে বানপানীয়ে ক্ষতি কৰাৰ পাছত চৰকাৰে কি কি আঁচনিৰ অধীনত কিমান টকা আবণ্টন দিছিল?
(ৰাস্তা-ঘাটৰ নামৰ তালিকা আৰু আবণ্টিত পুঁজিৰ পৰিমাণ বিতং তথ্য জিলা ভিত্তিত সদনৰ মেজত দাখিল কৰিব)

(খ) ২০১২ বৰ্ষত কামৰূপ (গ্ৰাম্য) জিলাৰ ৰঙিয়া উপ-সংগুলৰ অধীনস্থ গোপালপুৰ, লৰমাগৌৰহাটী-১, লৰমাগৌৰহাটী-২, ধুহি নং-১ চৌমুখামুখ বৰলীয়া নদীয়ে আৰু টোকানকাটা নোনা নৈয়ে মথাউৰি সম্পূৰ্ণৰূপে ভগাৰ ফলত বৃহত্তৰ এলেকা ভয়াৱহ দুৰ্য্যোগৰ সন্মুখীন হোৱা কথাটো চৰকাৰ অৱগতনে?

(গ) যদি অৱগত, উক্ত অঞ্চলসমূহত ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান?
(পশুধন, ৰাস্তা-ঘাট, দলং, কৃষি, আৱাসগৃহ আদিৰ বিস্তাৰিত তথ্য পৃথকে পৃথকে সদনত দাখিল কৰিব)

(ঘ) উক্ত ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰে কি ধৰণৰ ক্ষতিপূৰণ দিলে?
(ক্ষতিপূৰণ দিয়া বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)

(ঙ) উপৰোক্ত ৰঙিয়া উপ-সংমগুলৰ অধীনস্থ স্থানসমূহৰ মেৰামতিৰ নামত কি কি আঁচনিৰ অধীনত কিমান টকা আবণ্টন দিছিল? আঁচনিসমূহ সম্পূৰ্ণভাৱে ৰূপায়ণ হ'লনে?
(ঠিকাদাৰৰ নাম-ঠিকনাসহ পৃথকে পৃথকে বিস্তাৰিত তথ্য সদনত দাখিল কৰিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) যোৱা ২০১২ বৰ্ষত বানপানীয়ে ক্ষতি কৰাৰ পিছত চৰকাৰে

অনুমোদন দিয়া বানক্ষতিগ্রস্ত ৰাস্তা-ঘাট মেৰামতিৰ আঁচনিসমূহৰ নাম আৰু আবণ্টিত ধনৰ তালিকা অনুবদ্ধ 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XVII)

(খ) হয়, অৱগত।

(গ) উক্ত অঞ্চলসমূহত ২০১২ চনত হোৱা বানপানীৰ ফলত ক্ষতি হোৱা পশুধনৰ সংখ্যা ২৭৭ টা। অন্যান্য ক্ষয়-ক্ষতিৰ বিতং তথ্য সংগ্রহ কৰি থকা হৈছে বুলি সংশ্লিষ্ট উপায়ুক্তই জনাইছে।

(ঘ) তথ্য সংগ্রহ কৰি থকা হৈছে।

(ঙ) ক্ষতিগ্রস্ত ৰাস্তা, দলং, মথাউৰি আদিৰ মেৰামতিৰ নামত অনুমোদন দিয়া আঁচনিৰ তালিকা আবণ্টিত ধনৰ পৰিমাণসহ অনুবদ্ধ 'খ'ত সংলগ্ন কৰা হ'ল। (See Annexure-XVII-A)

আঁচনিসমূহ সম্পূর্ণভাৱে ৰূপায়ণ কৰা হৈছে।

ঠিকাদাৰৰ নাম, ঠিকনা অনুবদ্ধ 'খ'ত সন্নিৱিষ্ট কৰা হৈছে।

Sub : NLCPR

Shri Aminul Islam asked :

453. Will the Minister of Planning and Development be pleased to state :

What are the schemes under NLCPR approved by the Government to send for the final approval of Central Government in 2013-14?

(Furnish the amount as per estimate for each scheme)

Shri Tanka Bahadur Rai (Minister of Planning and Development) replied :

157 schemes under NLCPR were approved

by the Government for fmal approval of Ministry of DoNER during 2013-14, list of scheme wise estimated amount enclosed at flag 'A'.

(See Annexure-XVIII)

বিষয় ঃ চৰকাৰী খাচ মাটি।

শ্রীআবুল কালাম আজাদে সুধিছে ঃ

৪৫৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সৰুপেটা ৰাজহ চক্রৰ অন্তর্গত চৰকাৰী খাচ মাটি কিমান আছে?

(খ) ইয়াৰে ব্যৱহাৰিক কিমান আৰু অব্যৱহাৰিক কিমান?

(গাঁও পঞ্চায়ত ভিত্তিত দাগ-পট্টা নম্বৰসহ বিতং তথ্য দাখিল কৰিব)

(গ) যোৱা পাঁচটা বছৰত চৰকাৰী খাচ মাটি কোন কোন ব্যক্তি আৰু প্রতিষ্ঠানৰ নামত আবণ্টন দিয়া হৈছে?

(ব্যক্তি-প্রতিষ্ঠানৰ নাম লগতে মাটিৰ পৰিমাণ উল্লেখ কৰিব)

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সৰুপেটা ৰাজহ চক্রৰ অন্তর্গত ৩৩,০৩৫ বিঘা ১ কঠা ৩ লেচা চৰকাৰী খাচ মাটি আছে।

(খ) ইয়াৰে ব্যৱহাৰিক ২৬,৪৪১ বিঘা ০ কঠা ১৩ লেচা আৰু অব্যৱহাৰিক ৬,৫৯৪ বিঘা ০ কঠা ১০ লেচা। (বিতং তথ্য পৰিশিষ্ট-'ক' যোগে দাখিল কৰা হ'ল)।

(গ) যোৱা পাঁচ বছৰত ৩ বিঘা চৰকাৰী খাচ মাটি ধুমাৰকুৰ এম ই স্কুলৰ নামত আবণ্টন দিয়া হৈছে।

বিষয় ঃ অনুসূচিত জাতি আৰু জনজাতিৰ উন্নয়ন।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

৪৫৫। মাননীয় অনুসূচিত জাতি, জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে অনুসূচিত জাতি আৰু জনজাতিৰ উন্নয়নৰ বাবে লোৱা কি কি আঁচনি কামৰূপ জিলাৰ কমলপুৰ সমষ্টিত ৰূপায়ণ কৰিছে আৰু কি কি আঁচনি ৰূপায়ণ কৰিব পৰা নাই?

(আঁচনিৰ বিতং তালিকা সদনৰ মেজত দিব)

(খ) ৰূপায়ণ কৰা আঁচনিৰ জৰিয়তে কিমানখন গাঁও উপকৃত হৈছে আৰু কিমানখন গাঁও বঞ্চিত হৈ আছে?

(তালিকা সদনৰ মেজত দিব)

(গ) বঞ্চিত গাঁওকেইখনক সামৰি আঁচনি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ উন্নয়নৰ বাবে কোনো আঁচনি সমষ্টিভিত্তিত লোৱা নহয়।

(খ) যিহেতু এই আঁচনিসমূহ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি অধ্যুষিত অঞ্চল (SCSP আৰু Area) অনুযায়ীহে লোৱা হয়, সেয়েহে গাঁওভিত্তিত তথ্য দিব পৰা নহ'ল।

(গ) ৪০% ৰ ওপৰত SC/ST জনসংখ্যা থকা অঞ্চলসমূহত অগ্ৰাধিকাৰৰ ভিত্তিত আঁচনি গ্ৰহণ কৰা হ'ব (Copy of Govt. of India's Guideline is enclosed, at Annexure-I)

বিষয় ঃ আঁচনিৰ টকা।

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

৪৫৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন ঃ

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনৰ বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ণ কৰাৰ বাবে চৰকাৰে মুঠ কিমান টকা ব্যয় কৰিছে?

(খ) উল্লেখিত সময়ছোৱাত SCSP আঁচনিৰ অধীনত বিশুদ্ধ খোৱা পানীৰ বাবে কিমান টকাৰে কিমানটা Filter ক্ৰয় কৰিছে?

(গ) উক্ত Filter সমূহ কোন কোন জিলাৰ অনুষ্ঠান/অঞ্চলত বিতৰণ কৰা হৈছে আৰু উল্লেখিত অনুষ্ঠান/অঞ্চলত ৪০% অনুসূচিত জাতিৰ মানুহ বসবাস কৰেনে?

(ঘ) যদি ৪০% অনুসূচিত জাতিৰ মানুহ নাথাকে তেন্তে কেনেকৈ বিতৰণ কৰা হ'ল?

(ঙ) উল্লেখিত সময়ত Repair and maintenance আঁচনিৰ শিতানত কোন আঁচনিৰ (SCSP) বাবে কিমান টকা খৰচ কৰা হ'ল? (আঁচনিসমূহৰ নাম ও ঠিকনা ব্যয় কৰাৰ টকাৰ পৰিমাণ জনাব)

শ্রীগৌতম ৰয় (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনৰ বিত্তীয় বর্ষ কেইটাত বিভাগে কৰা ব্যয়ৰ হিচাপত তথ্য আঁচনিসহ Annexure-I ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) উক্ত সময়ছোৱাত SCSP আঁচনি অধীনত বিশুদ্ধ খোৱাপানীৰ বাবে ১৫২১.১১ লাখ টকাৰে ১৩,৩১৪ টা Filter বিভাগে ক্রয় কৰিছে।

(গ) উক্ত Filter সমূহ যোৰহাট, দৰং, বঙাইগাঁও, হাইলাকান্দি, কাছাৰ, গোলাঘাট, মৰিগাঁও, কৰিমগঞ্জ, নগাঁও জিলাৰ অনুসূচিত জাতিবসতি প্রধান অঞ্চলবিলাকত মহকুমা অনুসূচিত জাতি কল্যাণ ব'ৰ্ডৰ (Sub-divisional Schedule Cast Welfare Board) অনুমোদন সাপেক্ষে অনুসূচিত জাতিৰ হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হৈছে।

(ঘ) বিভাগে Filter সমূহ মহকুমা অনুসূচিত জাতি কল্যাণ ব'ৰ্ডৰ (Sub-divisional Schedule Cast Welare Borad) অনুমোদন সাপেক্ষে অনুসূচিত জাতিৰ হিতাধিকাৰীৰ মাজত বিতৰণ কৰা হৈছে।

(ঙ) উল্লেখিত সময়ত Repair and Maintenance ৰ শিতানত SCSP আঁচনিৰ ব্যয় কৰা টকাৰ হিচাপ সংমণ্ডলত ভিত্তিত Annexure-II ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল। আঁচনিৰ বিতং তথ্য সংমণ্ডলৰ পৰা সংগ্রহ কৰি থকা হৈছে।

বিষয় ঃ অনাময় আঁচনিৰ শৌচাগাৰ।

শ্রীইমানুৱেল মছাহাৰীয়ে সুধিছে ঃ

৪৫৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ২০১১-১২ বিত্তীয় বর্ষৰ পৰা বর্তমানলৈ ৰাজ্যখনত অনাময় আঁচনিৰ জৰিয়তে কিমানটা শৌচাগাৰ নির্মাণ কৰিলে?

(খ) অনাময় আঁচনিৰ জৰিয়তে নির্মাণ হোৱা শৌচাগাৰৰ বাবে বিভাগে কেন্দ্রীয়ভাৱে কি কি সামগ্রী ক্রয় কৰে?

(সামগ্রী অনুপাতে মূল্য উল্লেখ কৰি তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) সম্পূর্ণ অনাময় আঁচনিৰ যোগেদি নির্মাণ কৰা শৌচাগাৰ এটাৰ খৰচৰ পৰিমাণ কিমান?

(ঘ) উক্ত শৌচাগাৰৰ হিতাধিকাৰীৰ অংশ বা দিব লগা টকাৰ পৰিমাণ কিমান?

শ্রীগৌতম ৰয় (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ২০১১-১২ বিত্তীয় বর্ষৰ পৰা বর্তমানলৈ ৰাজ্যখনত অনাময় আঁচনিৰ জৰিয়তে নির্মাণ কৰা ব্যক্তিগত আৱাসিক শৌচালয়সমূহ তলত উল্লেখ কৰা হ'ল।

চন	মুঠ সংখ্যা
২০১১-১২	৫,১০,২৪৩ (পাঁচ লাখ দহ হাজাৰ দুশ তিয়াল্লিশ)
২০১২-১৩	২,৭৩,২৪০ (দুই লাখ তেশত্তৰ হাজাৰ দুশ চল্লিশ)
২০১৩-১৪	১,৬০,৬০২ (এক লাখ ষাঠি হাজাৰ ছশ দুই)
২০১৪-১৫	৪,৮৪০ (চাৰি হাজাৰ আঠশ চল্লিশ)
সর্বমুঠ	**৯,৪৮,৯২৫**

(খ) অনায়ম আঁচনিৰ জৰিয়তে নিৰ্মাণ হোৱা শৌচাগাৰৰ বাবে কেন্দ্ৰীয়ভাৱে ক্ৰয় কৰা সামগ্ৰীৰ তালিকা তলত কৰা হ'ল।

সামগ্ৰীৰ নাম	মূল্য (প্ৰতিটো সামগ্ৰী)
১) পেন (PAN)	৩৮০.০০ (তনিশ আশী) টকা
২) ট্ৰেপ (TRAP/SYPHON)	৩৪০.০০ (তিনিশ চল্লিশ) টকা
৩) ওৱাই জাংচন (Y-JUNCTION)	৪০০.০০ (চাৰিশ) টকা
৪) পি ভি চি (P.V.C. Pipe)	২৮০.০০ (দুশ আশী) টকা
৫) ইণ্ড কেপ END CAP	২৭৩.০০ (দুশ তেসত্তৰ) টকা
৬) চলভেণ্ট চিমেণ্ট (SOLVENT CEMENT)	২৫.০০ (পঁচিশ) টকা

(গ) সম্পূৰ্ণ অনাময় আঁচনিৰ যোগেদি নিৰ্মাণ কৰা শৌচাগাৰ এটাৰ খৰচ ৬,০০০.০০ (ছয় হাজাৰ) টকা।

(ঘ) উক্ত শৌচাগাৰৰ হিতাধিকাৰীৰ অংশ বাদিব লগা টকাৰ পৰিমাণ ৯০০.০০ (ন শ) টকা।

বিষয় ঃ নিৰ্মাণ শ্ৰমিকৰ অৱস্থা।

শ্ৰীমনোৱাৰ হুছেইনে সুধিছে ঃ

৪৫৮। মাননীয় শ্ৰম আৰু নিয়োগ বিবাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰীৰ জীৱন বীমা আঁচনিৰ অধীনত বৃহত্তৰ গুৱাহাটী মহানগৰত বিভিন্ন ঠিকাদাৰৰ অধীনত ২০১১-১২ আৰু ২০১২-১৩ চনত নিৰ্মাণ কাৰ্য্যত নিয়োজিত শ্ৰমিকৰ মুঠ সংখ্যা কিমান?

(খ) এইসকলৰ কিমান পুৰুষ-মহিলা কিমানজন দৈনিক মজুৰি, কিমানজন মুখ্যমন্ত্ৰীৰ জীৱন বীমা আঁচনিৰ অন্তৰ্ভুক্ত?
(বিতং তথ্য সদনত দাখিল কৰিব)

(গ) নিৰ্মাণ শ্ৰমিকসকলৰ থকা-মেলাৰ অস্বাস্থ্যকৰ পৰিবেশৰ পৰা উদ্ধাৰ

কৰি 'শ্ৰমিক আৱাস' গৃহ নিৰ্মাণৰ কোনো আঁচনি আছেনে?

(ঘ) যদি নাই, শীঘ্ৰে আঁচনি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীপৃথিৱী মাঝি (শ্ৰম আৰু নিয়োগ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শ্ৰম আয়ুক্তৰ কাৰ্য্যালয়ত মুখ্যমন্ত্ৰীৰ জীৱন বীমা আঁচনিখন নিৰ্মাণ কাৰ্য্যত নিয়োজিত শ্ৰমিকৰ ক্ষেত্ৰত ৰূপায়ণ কৰা হোৱা নাই। গতিকে এই আঁচনিৰ অধীনত নিৰ্মাণ কাৰ্য্যত নিয়োজিত শ্ৰমিকৰ সংক্যা জ্ঞাত নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) নিৰ্মাণ শ্ৰমিকসকলৰ থকা-মেলাৰ বাবে 'শ্ৰমিক আৱাস' গৃহ নিৰ্মাণৰ আঁচনি নাই।

(ঘ) এনে আঁচনি গ্ৰহণ কৰাৰ বৰ্তমানে কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

বিষয় ঃ ভূমিৰ শ্ৰেণী বিভাজন।

শ্ৰীনৱ কুমাৰ দলে সুধিছে ঃ

৪৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান বছৰ ধৰি ভূমিৰ শ্ৰেণী বিভাজন (Classification) কৰা হোৱা নাই? শেষবাৰ কেতিয়া ৰাজ্যত ভূমিৰ শ্ৰেণী বিভাজন কৰা হৈছিল?

(খ) চৰকাৰী নীতি অনুসৰি কিমান বছৰৰ অন্তৰে অন্তৰে ভূমিৰ শ্ৰেণী বিভাজন হ'ব লাগে? অসমত ইমান বছৰে ভূমিৰ শ্ৰেণী বিভাজন নোহোৱাৰ কাৰণ কি?

(গ) সম্প্ৰতি অসমত কোন শ্ৰেণীৰ ভূমি কিমান পৰিমাণৰ আছে? (বিতং তালিকা দিব)

(ঘ) শেহতীয়াভাৱে অব্যৱহৃত কৃষি ভূমিক মুকলি শ্ৰেণীলৈ সলনি কৰাৰ চৰকাৰী জাননীক লৈ যি বিতৰ্কৰ সূচনা হৈছে, সেই বিষয়ে বিভাগ জ্ঞাতনে?

(ঙ) যদি জ্ঞাত, সেই বিতর্ক নাইকিয়া কৰিবলৈ কি ব্যৱস্থা লৈছে? (বিতং জনাব)

(চ) অসমত নতুন ভূমি নীতি গ্ৰহণৰ সিদ্ধান্ত হৈছে নেকি? কেতিয়া নতুন ভূমি নীতি গ্ৰহণ কৰা হ'ব?

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মাটিৰ শ্ৰেণী পৰিৱৰ্তন এটা চলিত প্ৰক্ৰিয়া। ব্যৱহাৰ অনুযায়ী বিধি অনুসাৰে শ্ৰেণী পৰিৱৰ্তন (Classification) কৰি থাকিব লাগে। গোৱালপাৰা, বঙ্গাইগাঁও, ধুবুৰী, কোকৰাঝাৰ, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত আৰু চন্দ্ৰপুৰ ৰাজহ চক্ৰত ভূমিৰ পুনঃ বন্দোৱস্তিৰ প্ৰক্ৰিয়া চলি আছে। উক্ত জিলাসমূহৰ বাদে বাকীবোৰ জিলাত ভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ কাম চক্ৰ বিষয়া আৰু উপায়ুক্তসকলৰ জৰিয়তে কৰি থকা হৈছে।

(খ) চলিত বিধি অনুসাৰে ভূমি জৰীপ ও বন্দৱস্তী ন্যূনতম ২০ বছৰৰ পিছত কৰিব লাগে। অৱশ্যে প্ৰয়োজন অনুসাৰে চৰকাৰে তাৰ আগতেও পুনঃবন্দোৱস্তীৰ বিবেচনা কৰিব পাৰে। কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, গোৱালপাৰা, বঙাইগাঁও, ধুবুৰী, কোকৰাঝাৰ জিলাৰ লগতে কামৰূপ (মহানগৰ) জিলাৰ চন্দ্ৰপুৰ ৰাজহ চক্ৰত পুনঃ বন্দৱস্তী চলি আছে। বাকী জিলাসমূহৰ বন্দৱস্তী জৰীপৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই। ভূমিৰ শ্ৰেণীৰ পৰিৱৰ্তন এটা চলিত প্ৰক্ৰিয়া।

(গ) ৬ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি ভূমিৰ শ্ৰেণী আৰু ভূমিৰ পৰিমাণ তলত দেখুওৱা হ'ল।

জিলা	ভূমিৰ শ্ৰেণী আৰু পৰিমাণৰ তথ্য
(১) নলবাৰী	পৰিশিষ্ট-'ক'ত দাখিল কৰা হ'ল
(২) কামৰূপ	৯,১৫,৪৫০ বিঘা ৪ কঠা ৯ লেচা কৃষি শ্ৰেণীৰ জমি আছে। বাকী শ্ৰেণীৰ জমিৰ ক্ষেত্ৰত তথ্য সংগ্ৰহ কৰি তথা হৈছে।

(৩) ৰৱপেটা পৰিশিষ্ট-'খ'ত দাখিল কৰা হ'ল

(৪) গোলাঘাট কৃষি ভূমি-৯৫৭৬৪৮ বিঘা ১ কঠা ৯ লেচা
বসতি ভূমি- ৮৮০২৫ বিঘা ২ কঠা ৩ লেচা
বাণিজ্য আৰু উদ্যোগ- ১২৫৩৪ বিঘা ৩ কঠা ৮ লেচা
পতিত মাটি-৩৪০৬৬ বিঘা ৩ কঠা ১৩ লেচা
জলাশয় বা চেচুক- ৯৩৮২৪ বিঘা ২ কঠা ৭ লেচা

(৫) লক্ষীমপুৰ ব্যৱসায়ীক- ৭০৫২ বিঘা ১৫ লেচা,
বাৰী- ১,২৭,৫৩১ বিঘা ৩ কঠা ১১ লেচা
ভালবাৰী- ২৫,৬৭৬ বিঘা ৩ কঠা ১৮ লেচা
শালিতলী- ৪,৬৮,৪৫০ বিঘা ১৭ লেচা
লাহীতলী- ৩,২৯,৫৪৪ বিঘা ১১ লেচা
ফৰিং- ১,২৩,৩৭৩ বিঘা
বি ফৰিং- ১,০৮,৯৭৪ বিঘা ৩ কঠা ১৯ লেচা
জল ডুবা- ২,৯১,৩২২ বিঘা ১১ লেচা

(৬) তিনিচুকীয়া পৰিশিষ্ট-'গ'ত দাখিল কৰা হ'ল

(ঘ) হয় জ্ঞাত।

(ঙ) ইতিমধ্যে যোৱা ২-৮-২০১৪ ইং তাৰিখে কৃষক মুক্তি সংগ্রাম সমিতিৰ লগত আলোচনা কৰা হৈছে।

(চ) ডাঃ ভূমিধৰ বৰ্মনৰ অধ্যক্ষতাত গঠন হোৱা সমিতিয়ে নতুন ভূমি নীতিৰ আৰ্হি তৈয়াৰ কৰি চৰকাৰৰ ওচৰত দাখিল কৰিছে উক্ত নতুন ভূমি নীতি আনুষ্ঠানিকভাৱে গ্রহণৰ বাবে যাৱতীয় ব্যসস্থা লৈ থকা হৈছে।

Sub : Soil Erosion

Shri Abdur Rahman Ajmal asked :

460. Will the Minister of Revenue Department be pleased to State:

(a) Whether agricultural land is shrinking due to soil erosion by rivers in the State?

(b) If so, the details thereof, district wise, with special reference to Dhubri, Barpeta and Goalpara districts?

(c) Whether the Government has taken adequate measures to prevent such soil erosion?

(d) If so, the details thereof, the compensation provided by the Government to the farmers whose land has been adversely affected by soil erosion?

(e) What kinds of schemes had been taken up for the welfare of affected farmers whose land has been already eroded?

(Furnish in details)

(f) How many hectors of agricultural land has been eroded in last 5 (five) years in Dhubri, Goalpara and Barpeta districts?

(Give data in details)

(g) How many farmers becomes landless due to soil erosion by rivers in the state?

(Furnish in details LAC wise)

(h) Whether the Govemment has taken any adequate measures to compensate landless farmers?

(i) If so, furnish in details LAC wise?

Shri Prithibi Majhi (Minister of Revenue & D.M.) replied :

(a) Yes.

(b) Details of the eroded land of Dhubri, Barpeta and Goalpara districts are as under.

(1) Dhubri..... 27858.45 Hectares.

(2) Barpeta..... 9465.12 Hectares

(3) Goalpara ..... 3268.31 Hectares.

Details of soil erosion in respect of other districts are being collected.

(c) Yes.

(d) Measures to prevent soil erosion undertaken by Water Resources Department are enclosed at Annexure 'A'.

Details ot compensation provided to the farmers are being collected.

(e) Information are being collected.

(f) Dhubri .....5790.33 hectares,

Goalpara .....393.3 hectares,

Barpeta .....3235.615 hectares.

(g) No. of farmer who become landless due to soil erosion by rivers in the state in respect of 7 districts is enclosed at Annexure-'B'

Information in respect of other districts is being collected,

(h) Yes.

(i) Information in respect of Dhubri and Mori gaon districts are indicated below:

In Dhrbri District (1) South Salmara revenue circle 273 families have been given 611B-4L ofland as annual patta and (2) :n families have been allotted 101 B-2 K-13 L of land.

In Morigaon District (1) In 79 .lagiroad (SC) LAC 88 families (2) 81 Lahorighat LAC 483 families and (3) 83 Dhing LAC 270 families are rehabilitated in Govt. land.

Information in respect of other districs is being colleted.

বিষয় ঃ উপ-সংমণ্ডল স্থাপন।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৪৬১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জলসম্পদ বিভাগৰ এটি উপ-সংগুল ছিপাঝাৰত স্থাপনৰ বিষয়টো যোৱা বিধানসভাৰ বাজেট অধিৱেশনত অনতিপলমে পৰীক্ষা কৰা হ'ব বুলি উল্লেখ কৰিছিল? বিষয়টো পৰীক্ষা কৰি ইতিবাচক ব্যৱস্থা গ্রহণ কৰা হ'লনে?

(খ) যদি নাই হোৱা, বিষয়টোৰ গুৰুত্ব বুলি শীঘ্রেই এটি উপ-সংমণ্ডল ছিপাঝাৰত স্থাপনৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) BTAD গঠন হোৱাৰ পিছত ৰাক্ছা আৰু ওদালগুৰি জিলা দুখন নতুনকৈ গঠিত হয়। দৰং জিলাৰ আগৰ ওদালগুৰি জলসম্পদ বিভাগৰ উপ-সংমণ্ডলটো সম্পূর্ণৰূপে BTAD ৰ অধীনলৈ যায় আৰু বর্তমান মণ্ডলদৈ জলসম্পদ উপ-সংমণ্ডলৰ উত্তৰ অঞ্চলৰ বহুত এলেকাও BTAD ৰ অধীনলৈ যায়। ইয়াৰ ফলত মণ্ডলদৈ জলসম্পদ

সংমণ্ডল এলেকা বহু পৰিমাণে হ্ৰাস পায়। ইয়াৰ পৰিপ্ৰেক্ষিতত ছিপাঝাৰত আৰু এটা উপ-সংমণ্ডল স্থাপন কৰা বিষয়টো পৰ্য্যালোচনা কৰি থকা হৈছে।

(খ) 'ক'ৰ উত্তৰ সাপেক্ষে প্ৰযোজ্য নহয়।

বিষয় ঃ ভূমিৰ পৰিমাণ।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

৪৬২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা বৰ্তমানলৈ ৰাজ্যখনত কিমান কৃষিভূমি অনাকৃষিভূমিলৈ পৰিৱৰ্তিত কৰা হ'ল?

(ৰাজহ চক্ৰ ভিত্তিত পৰিৱৰ্তিত কৰা ভূমিৰ পৰিমাণসহ বিতং তথ্য দিব)

(খ) শোণিতপুৰ জিলাত উল্লেখিত বছৰকেইটাত কিমান কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তত কৰা হ'ল?

(ৰাজহ চক্ৰ ভিত্তিত পৰিৱৰ্তিত কৰা ভূমিৰ পৰিমাণসহ তথ্য দিব)

(গ) শোণিতপুৰ জিলাৰ বিশ্বনাথ আৰু চতিয়া ৰাজহ চক্ৰত বিগত ৫ বছৰত কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিতকৰণৰ বাবে আবেদন জাইছে নেকি? যদি জনাইছে, আবেদনকাৰীৰ নাম, আবেদনপত্ৰৰ প্ৰতিলিপি, বৰ্ষ অনুসৰি বিতং তথ্য দিবনে?

(ঘ) এই সময়ছোৱাত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাত কিমান কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিত হ'ল?

(পৰিৱৰ্তিত হোৱা ভূমিৰ গৰাকীৰ নাম, ভূমিৰ পৰিমাণ, (ৰাজহ চক্ৰ ভিত্তিত উল্লেখ কৰিব)

(ঙ) কামৰূপ জিলাত ২০০১ চনৰ পৰা বৰ্তমানলৈকে কোন কোন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যক্তিয়ে চৰকাৰী ভূমি আবণ্টন বিচাৰি আবেদন কৰিছিল? এই সময়ত কাক কাক ভূমি আবণ্টন দিয়া হ'ল?

(তেওঁলোকৰ নাম ৰাজহ চক্ৰ ভিত্তিত উল্লেখ কৰিব)

(চ) বৰ্তমান কামৰূপ জিলাত কোন কোন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিৰ আবেদন বিবেচনাৰ পৰ্য্যায়ত আছে?

(তেওঁলোকৰ নামসমূহ ৰাজহ চক্ৰ হিচাপত দাখিল কৰিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা বৰ্তমানলৈকে কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিত কৰাৰ তথ্য পৰিশিষ্ট 'ক' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(খ) শোণিতুপৰ জিলাৰ তথ্য পৰিশিষ্ট-'খ' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(গ) শোণিতপুৰ জিলাৰ আবেদনকাৰীৰ তথ্য পৰিশিষ্ট-'গ' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(ঘ) এই সময়ছোৱাত কামৰূপ জিলাত ১১৩৪ বিঘা কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিত হৈছে। পৰিৱৰ্তিত হোৱা ভূমিৰ গৰাকীৰ নাম, ভূমিৰ পৰিমাণ ৰাজহ চক্ৰ ভিত্তিত তথ্য বিচৰা হৈছে। কামৰূপ মহানগৰ জিলাত ৮৪৭ বিঘা কৃষিভূমি অনাকৃষি ভূমিলৈ পৰিৱৰ্তিত হৈছে। বিতং তথ্য পৰিশিষ্ট-'ঘ' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(ঙ) অবিভক্ত কামৰূপ জিলা ২০০৩ চনত বিভাজন হোৱাৰ পাছত বৰ্তমান কামৰূপ জিলাৰ কাৰ্য্যালয়ত উপলব্ধ তথ্য অনুসৰি চৰকাৰ, ভূমিৰ বাবে আবণ্টন বিচাৰি আবেদন কৰা অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিৰ তালিকা পৰিশিষ্ট-'ঙ' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল। ভূমি আবণ্টন পোৱা অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিৰ তথ্য বিচৰা হৈছে।

(চ) কামৰূপ জিলাত বিবেচনাৰ বাবে থকা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ তথা পৰিশিষ্ট-'চ' যোগে সদনৰ মজিয়াত দাখিল কৰা হ'ল।

বিষয় ঃ সামগ্রীৰ যোগান।

শ্রীমজিবুৰ ৰহমানে সুধিছে ঃ

৪৬৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে ২০১২-১৩, ২০১৩-১৪ আৰু ২০১৪-১৫ বৰ্ষত কেন্দ্রীয়ভাৱে কিকি সামগ্রী যোগানৰ প্রাপ্তি স্বীকাৰ কৰিছিল?

(খ) সামগ্রীৰ যোগান লাভ কৰা প্রতিষ্ঠানসমূহৰ তালিকা দাখিল কৰিবনে? (প্রতিখন প্রতিষ্ঠানে যোগান ধৰা সামগ্রীৰ পৰিমাণ, মোকলাই দিয়া পুঁজিৰ বৰ্ষ ভিত্তিক বিতং তথ্য দাখিল কৰিব)

(গ) একাংশ প্রতিষ্ঠানে যোগান ধৰা নিম্ন মানদণ্ডৰ পাইপৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) যদি জ্ঞাত, কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

(ঙ) যোগান ধৰা সামগ্রীৰ মানদণ্ড পৰীক্ষা কৰা হয়নে?

(চ) যদি হয়, প্রতিবেদনসমূহ দাখিল কৰিবনে?

শ্রীগৌতম ৰয় (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভা)য়ে উত্তৰ দিছে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগে ২০১২-১৩, ২০১৩-১৪ আৰু ২০১৪-১৫ বৰ্ষত কেন্দ্রীয়ভাৱে পোৱা সামগ্রীৰ তালিকা Annexure-I ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) সামগ্রীৰ যোগান লাভ কৰা প্রতিষ্ঠানসমূহৰ তালিকা Annexure-II ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

আকৌ প্রতিষ্ঠানৰ নামসহ বৰ্ষভিত্তিক যোগান ধৰা সামগ্রীৰ পৰিমাণসহ বিতং তথ্য Annexure-III ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) কোনো প্রতিষ্ঠানে এই বিভাগত নিম্নমানৰ পাইপ যোগান ধৰাৰ কথা

এতিয়ালৈ অৱগত হোৱা নাই।

(ঘ) যিহেতু জ্ঞাত নহয়, ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

(ঙ) যোগান ধৰা সামগ্ৰীৰ মানদণ্ড পৰীক্ষা কৰা হয়।

কাৰণ বিভিন্ন প্ৰতিষ্ঠানে যোগান ধৰা সামগ্ৰীসমূহৰ গুণগত মানদণ্ড ভাৰতীয় ব্যৱৰ (BIS) Specification মতে হোৱাৰ সত্যতা অসম উদ্যোগ ও বাণিজ্য বিভাগৰ নিয়ন্ত্ৰণ শাখাই নিৰীক্ষণ কৰি প্ৰমাণপত্ৰ দিয়াৰ পাছতহে সামগ্ৰীসমূহ লোৱা হয়।

(চ) যোগান ধৰা সামগ্ৰীৰ মানদণ্ডৰ পৰীক্ষাৰ প্ৰতিবেদনসমূহ Annexure-IV ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ NBA কামৰ টকা।

শ্ৰীআলী হুছেইনে সুধিছে ঃ

৪৬৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত NBA ৰ কামৰ নামত চৰকাৰে কিমান টকা আবণ্টন দিছে?

(বৰ্ষ অনুযায়ী জনাব)

(খ) NBA ৰ IHHLৰ কামৰ বাবদ PAN-Trap 'Y' Junction PVC pipe আদি কোন সংস্থাৰ দ্বাৰা বৰপেটা জিলাত যোগান ধৰা হৈছে আৰু বৰ্তমানলৈকে বস্তুখিনি যোগান ধৰা সংস্থাটোক কিমান টকা Payment কৰা হৈছে?

(গ) NBA কামত PAN-Trap PVC pipe যোগান ধৰিবলৈ কেন্দ্ৰীয় অনুমতি আঁচনিৰ কথা উল্লেখ আছেনে? যদি আছে, ইয়াৰ নামত কিমান টকা ধাৰ্য্য কৰা আছে?

শ্ৰীগৌতম ৰয় (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) বিগত ৫ বছৰত NBA ৰ কামৰ নামত চৰকাৰে আবণ্টন দিয়া টকাৰ পৰিমাণ Annexure-I ৰ যোগেদি সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) NBA ৰ IHHL ৰ কামৰ বাবদ PAN-Trap 'Y' Junction PVC pipe আদি য়োগান ধৰিবলৈ (১) নর্থ ইষ্ট চিলিমিনাইট, পি চি বিনায়ক এপার্টমেণ্ট, খানাপাৰা, গুৱাহাটী-২২ (২) মেচার্চ এছ বি এণ্টাৰপ্রাইজ, ষ্টেডিয়াম ৰোড, ভেটাপাৰা, গুৱাহাটী-২৮ (৩) মেঃ গ্রীনভিউ উদ্যোগ, পশ্চিম ৰৰগাঁও, গুৱাহাটী-৩৩ যোগানিয়াৰক যোগানৰ আদেশ দিয়া হৈছে।

বর্তমানলৈ যোগানিয়াৰ সংখ্যা সমূহক নিম্নোক্ত ধৰণে Payment কৰা হৈছে।

১) নর্থ ইষ্ট চিলিমিনাইট, পি চি বিনায়ক, এপার্টমেণ্ট, খানাপাৰা, গুৱাহাটী-৩৩,৯৬০০/- টকা।

২) মেঃ গ্রীনভিউ উদ্যোগ, পশ্চিম ৰৰগাঁও, গুৱাহাটী-৪১,৯৩০০/- টকা।

গ) ৰাজ্যিক পানী আৰু অনাময় অভিযান (SWSM) অসমৰ ইং ০৪/০৯/২০১৩ তাৰিখে মুখ্য সচিব মহোদয়ৰ সভাকক্ষত অনুষ্ঠিত অষ্টম অপেক্স বডিৰ (8th Apex Body) সিদ্ধান্ত মর্মে NBA ৰ কামৰ বাবে লাগতিয়াল Pan Trap Footrest ইত্যাদি সামগ্রীসমূহৰ মানদণ্ড আৰু আকাৰৰ সমতা (Quality & Uniformity) ৰক্ষাৰ বাবে কেন্দ্রীয়ভাৱে ক্রয় কৰাৰ প্রয়োজনীয়তা উল্লেখ কৰা হৈছে।

উক্ত সভাত প্রতিটো IHHL ৰ নিম্নতম মূল্য ৪,০০০/- টকাৰ পৰা ৬,০০০/- টকালৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে আৰু উক্ত সভাতেই নিবিদা আহ্বানৰ যোগেদি অতি শীঘ্রে গৃহ শৌচাগাৰ সামগ্রীৰ ক্রয়ৰ প্রক্রিয়া সম্পন্ন কৰি চলিত কম সময়ৰ ভিতৰত (Working Season) সমগ্র ৰাজ্যত যোগান ধৰিবলৈ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লয়।

উক্ত ৬০০০/- টকাৰ প্রাক্-কলনত সামগ্রীসমূহৰ বাবদ নিবিদাযোগে নিম্নোক্ত ধৰণে মূল্য নির্ধাৰণ কৰা হৈছে।

১) পেন (PAN) (2) O.T. PAN) ৩৮০.০০ (তনিশ আশী) টকা

২) ট্রেপ (TRAP/SYPHON)	৩৪০.০০ (তিনিশ চল্লিশ) টকা
৩) ওৰাই জাংচন (Y-JUNCTION)	৪০০.০০ (চাৰিশ) টকা
৪) পি ভি চি (P.V.C. Pipe)	২৮০.০০ (দুশ আশী) টকা
৫) ইণ্ড কেপ (END CAP PVC)	২৭৩.০০ (দুশ তেসত্তৰ) টকা
৬) চলভেণ্ট চিমেণ্ট (SOLVENT CEMENT)	২৫.০০ (পঁচিশ) টকা
সৰ্বমুঠ	১৬৯৮.০০ টকা

বিষয় ঃ ৰাজহ চক্ৰ Re-organisation.

শ্ৰীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৪৬৫। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ অৱগতনে যে, বৰপেটা জিলাৰ বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজহ গাঁও ক্ৰমে গান্ধাৰীপাৰা, মেচপাৰা, বাহবাৰী, গুৱাগাছা (বৰপেটা সমষ্টি) আৰু বিলাসীপাৰা গাঁও, বিলাসীপাৰা পথাৰ, বাৰগুৱেয়া (সৰভোগ সমষ্টি) ভৌগলিক, যাতায়াত, প্ৰশাসনিক সকলো দিশত বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত হিচাপে জনস্বাৰ্থমূলক?

(খ) চৰকাৰ এইটোও অৱগতনে যে, উক্ত গাঁওসমূহ বৰপেটা ৰাজহ চক্ৰৰ নিচেই ওচৰত আৰু Geographically in Administration and Communication সকলো ক্ষেত্ৰতে জনস্বাৰ্থমূলক?

(গ) চৰকাৰ এইটোও নিশ্চিতভাৱে অৱগতনে, উক্ত গাঁওসমূহ বৰপেটা জিলাৰ Non BTAD Arear ৰ অন্তৰ্গত?

(ঘ) তেন্তে চৰকাৰে BTAD creation ৰ বাবে Revenue Circle Re-organization কৰাৰ ক্ষেত্ৰত Govt. Gazatte Notification No. RLR. 229/2007/199 dtd. 30/7/13 and Govt. letter No.

RLR.229/2007/201 dtd. 9/10/13 মর্মে উক্ত বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওসমূহ নতুনকৈ সৰুপেটা ৰাজহ চক্ৰলৈ সংলগ্ন কৰি জনসাধাৰণক সৰ্বতোপ্ৰকাৰে হাৰাশাস্তি কৰি BTAD Creation ত ব্যৱহাৰ কৰাৰ কি প্ৰয়োজন আছে?

(ঙ) এই গাঁওসমূহ পূৰ্বৰ দৰে বৰনগৰ ৰাজহ চক্ৰত ৰখাৰ ব্যৱস্থা কৰিবনে?

(চ) নতুবা ৰাইজৰ সৰ্বতোপ্ৰকাৰৰ সুবিধাৰ্থে উক্ত গাঁওসমূহ বৰপেটা ৰাজহ চক্ৰত সংলগ্ন কৰিবনে?

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰনগৰ ৰাজহ চক্ৰৰ পূৰ্বৰ অন্তৰ্গত ৰাজহ গাঁও ক্ৰমে গান্ধাৰীপাৰা, মেচপাৰা, বাহবাৰী, গুৱাগাছা আৰু বিলাসীপাৰা গাঁও, বিলাসীপাৰা পথাৰ আৰু বাৰগুৱেয়া ৰাজহ চক্ৰ পুনৰ গঠনৰ পাছত সৰুপেটা ৰাজহ চক্ৰলৈ স্থানান্তৰিত কৰা হৈছে। প্ৰশাসনিক দিশ আৰু ভৌগলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি জনসাধাৰণৰ সুবিধাৰ্থে উক্ত স্থানান্তৰণ কৰা হৈছে।

(খ) চৰকাৰ অৱগত যে উক্ত গাঁওসমূহ সৰুপেটা ৰাজহ চক্ৰৰহে নিচেই ওচৰত আৰু প্ৰশাসনিক আৰু ভৌগলিক অৱস্থিতিৰ দিশত ই জনস্বাৰ্থৰ হিতাৰ্থে।

(গ) হয়, জ্ঞাত।

(ঘ) BTAD গঠনৰ পাছত BTC ৰ সীমামূৰীয়া কিছু ৰাজহ চক্ৰ তলত উল্লেখ কৰা নীতিসমূহ বিবেচনা কৰি পুনৰ্গঠন কৰা হৈছে।

(১) যিবোৰ ৰাজহ চক্ৰৰ কাৰ্য্যালয় BTC ৰ সীমাৰ বাহিৰত কিন্তু ইয়াৰ অধীনষ্ঠ কিছু অঞ্চল/গাঁও BTC সীমাৰ ভিতৰত অৱস্থিত তেনে গাঁও/অঞ্চলসমূহ BTC ৰ ভিতৰৰ আৰু ওচৰৰ ৰাজহ চক্ৰত অন্তৰ্ভুক্ত কৰা হৈছে।

(২) যিবোৰ ৰাজহ চক্ৰৰ কাৰ্য্যালয় BTC ৰ সীমাৰ ভিতৰত অৱস্থিত,

ইয়াৰ অধীনস্থ BTC সীমাৰ বাহিৰৰ অঞ্চলসমূহ BTC ৰ বাহিৰত থকা ওচৰৰ ৰাজহ চক্রত অন্তর্ভুক্ত কৰা হৈছে।

(৩) কিছু সংখ্যক এনে গাঁও/অঞ্চল যিবোৰ সম্পূর্ণ BTC এলেকাৰ ভিতৰুৱা বা সম্পূর্ণ BTC ৰ বাহিৰত অৱস্থিত, তেনে গাঁও/অঞ্চলসমূহ প্রশাসনিক দিশৰ প্রতি লক্ষ্য ৰাখি আৰু ভৌগোলিক অৱস্থিতি অনুসৰি নির্দিষ্ট ৰাজহ চক্রত অন্তর্ভুক্ত কৰা হৈছে।

(ঙ) এই সম্পর্কত বৰপেটা সমষ্টিৰ মাননীয় বিধায়কৰ পৰা পোৱা প্রস্তাৱ বৰপেটা জিলাৰ উপায়ুক্তলৈ প্রেৰণ কৰা হৈছে আৰু প্রতিবেদন বিচৰা হৈছে।

(চ) এই সম্পর্কত বৰপেটা সমষ্টিৰ মাননীয় বিধায়কৰ পৰা পোৱা প্রস্তাৱ বৰপেটা জিলাৰ উপায়ুক্তলৈ প্রেৰণ কৰা হৈছে আৰু প্রতিবেদন বিচৰা হৈছে।

বিষয় ঃ SC, ST Committee.

শ্রীমইন উদ্দিন আহমেদে সুধিছে ঃ

৪৬৬। মাননীয় WPT & BC বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্তমান কিমান SC আৰু ST Board আছে এই বিলাকৰ কার্য্যালয়সমূহ ক'ত আছে?

(জিলা ভিত্তিক বিতং তালিকা আৰু প্রতিখন বোর্ডৰ সমষ্টিৰ সদসসমূহৰ নাম-ঠিকনাৰ সৈতে বিতং তালিকা দাখিল কৰিব)

(খ) এই কমিটীসমূহ গঠন কৰাৰ বিভাগীয় কি নিয়ম-নীতি আছে?

(তথ্য সহকাৰে জনাব)

(গ) কমিটীসমূহৰ কার্যকাল কিমান দিন থাকে? কার্যকাল উকলি যোৱাৰ পাছতো কোনো কমিটী কাম কৰি আছেনে?

(বিতংভাৱে জনাব)

(ঘ) ২০১০ চনৰ পৰা আজিলৈকে SC Borad আৰু ST Borad ৰ

অধীনত কি কি আঁচনিৰ কাম/সামগ্ৰী বিতৰণৰ কাম কৰা হৈছে?

(বছৰ ভিত্তিত আঁচনিৰ নাম, পুঁজিৰ পৰিমাণ, সামগ্ৰীৰ নাম আৰু সংখ্যাৰ সৈতে জিলা ভিত্তিত বিতং তালিকা দাখিল কৰিব)

(ঙ) গোৱালপাৰা জিলাৰ ২০১০ চনৰ পৰা আজিলৈকে কিমান আঁচনি ৰূপায়িত কৰা হ'ল?

(আঁচনিৰ নাম, পুঁজিৰ পৰিমাণ, সামগ্ৰীৰ নাম/সংখ্যা আৰু উপকৃত হোৱা হিতাধিকাৰীৰ নাম-ঠিকনাৰ সৈতে বিতং তালিকা সমষ্টি ভিত্তিত দাখিল কৰিব)

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অসমত ৪৪খন SC Board আৰু ৪১খন ST Board আছে। (জিলা ভিত্তিক বিতং তালিকা আৰু প্ৰতিখন Boardৰ সদস্যসমূহৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(খ) এই কমিটীসমূহ গঠন কৰাৰ নিয়মাৱলী অনুবদ্ধ 'খ'ত দিয়া হ'ল।

(গ) কমিটীসমূহৰ কাৰ্য্যকাল ৫ বছৰলৈকে থাকে। নাই।

(ঘ) SC Board আৰু ST Board ৰ অধীনত কোনো আঁচনি কৰা নহয়। এই বোৰ্ডসমূহৰ দ্বাৰা সভা অনুষ্ঠিত কৰি আঁচনিৰ হিতাধীকাৰি নিৰ্বাচন কৰা হয়। মহকুমা কল্যাণ বিষয়াৰ দ্বাৰা আঁচনি ৰূপায়ণ কৰা হয়।

(ঙ) গোৱালপাৰা জিলাৰ মহকুমা কল্যাণ বিষয়াৰ জৰিয়তে ২০১০ চনৰ পৰা বৰ্তমানলৈকে ৰূপায়ণ কৰা আঁচনিসমূহৰ নাম, পুঁজিৰ নাম, সামগ্ৰীৰ নাম, সংখ্যা আৰু হিতাধীকাৰিৰ নাম তালিকা অনুবদ্ধ 'গ'ত দিয়া হ'ল।

বিষয় ঃ পদোন্নতি।

শ্রীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

৪৬৭। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত অনুসূচীত জাতি-জনজাতি চাকৰিয়াল প্রার্থীৰ ক্ষেত্রত (RVSP Act 1978) থকা আইনগত চৰকাৰৰ বিভাগসমূহে পালন কৰি আহিছেনে?

(বিতং তথ্য দিব)

(খ) অনুসূচীত জাতি-জনজাতিৰ চাকৰিয়ালসকল যদি চৰকাৰী বিষয়া হয়, তেন্তে চৰকাৰী আইন আৰু বিধিয়ে প্রদান কৰা সুবিধা ৰাশিৰ পৰা কিয় বঞ্চিত হয়, চৰকাৰে জনাবনে?

(গ) চৰকাৰৰ এনে এখন আইন থকাৰ পাছতো কিয়—

(১) কর্মচাৰী বিভাগত পাব লগা ১২ গৰাকী Senior Grade ACS অফিচাৰ প্রাপ্য পদোন্নতিৰ পৰা বঞ্চিত হ'ল।

(বিতং তথ্য দিব)

(২) গড়কাপ্টানি বিভাগত ৬ গৰাকী অধীক্ষক অভিযন্তা, ২৪ গৰাকী সহকাৰী কার্যবাহী অভিযন্তা।

(৩) জলসিঞ্চন বিভাগত ৪ গৰাকী অধীক্ষক অভিযন্তা, ৬ গৰাকী কার্য্যবাহী অভিযন্তা, ১৬ গৰাকী সহকাৰী কার্য্যবাহী অভিযন্তা।

(৪) কৃষি বিভাগত Sub-Divisional Agril. Officer ১৬ গৰাকী প্রাপ্য পদোন্নতিৰ পৰা বঞ্চিত হ'ল, চৰকাৰে জনাবনে?

(বিতং তথ্য দিব)

(ঘ) চৰকাৰে এই সন্দর্ভত এই গুৰুতৰ বিষয়টো তদন্ত কৰি সবিশেষজনাবনে?

(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত অনুসূচীত জাতি-জনজাতি চাকৰিয়াল প্ৰাৰ্থীৰ ক্ষেত্ৰত The Assam SC & ST (RVSP) Act, 1978 as amended in 2012 আইনখন ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগে ২৭-০৫-২০১৩ তাৰিখে Gazette Notification ৰ দ্বাৰা কাৰ্য্যকৰী কৰাইছে। উক্ত আইনখন মানি চলাটো অসম চৰকাৰৰ প্ৰত্যেক বিভাগৰে কৰ্তব্য। বিভাগসমূহে নতুন আইন অনুসৰি Post Based Roster বনোৱাৰ পিছত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগ আৰু কৰ্মচাৰী বিভাগৰ অনুমোদন লৈ উক্ত Post Based Roster notify কৰে। উক্ত প্ৰক্ৰিয়া চলি আছে।

(খ) বঞ্চিত নহয়।

(গ) (১) কৰ্মচাৰী বিভাগৰ পৰা পোৱা উত্তৰ অনুবদ্ধ 'ক'ত গাঁঠি দিয়া হ'ল।

(২) গড়কাপ্টানি বিভাগৰ পৰা পোৱা উত্তৰ অনুবদ্ধ 'খ'ত গাঠি দিয়া হ'ল।

(৩) জনসিঞ্চন বিভাগৰ পৰা পোৱা উত্তৰ অনুবদ্ধ 'গ'ত দিয়া হ'ল।

(৪) নিৰ্দিষ্ট উত্তৰৰ বাবে কৃষি বিভাগলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। উত্তৰ আহিলে সদনৰ মেজত দাখিল কৰা হ'ব।

(ঘ) প্ৰশ্ন 'গ'ৰ উত্তৰ সংক্ৰান্তত প্ৰযোজ্য নহয়।

বিষয় ঃ মাটি বেদখল।

শ্ৰীমনোৰঞ্জন দাসে সুধিছে ঃ

৪৬৮। মাননীয় ৰাজহ বিবাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত এনে কোনো ভূমি আইন আছেনে যিখন/যিবিলাকৰ সহায়ত চৰকাৰী পতিত মাটি, নৈপৰীয়া মাটি, বন বিভাগৰ মাটি আদি

বেদখলকাৰীসকলক উচ্ছেদ কৰিব পাৰি?

(তেনেধৰণৰ আইনবোৰৰ তালিকা সদনত দাখিল কৰিব)

(খ) বেদখল হোৱাৰ লগে লগে মণ্ডল আদি ৰাজহ বিভাগৰ কৰ্মচাৰীয়ে প্ৰতিবেদন দি বেদখল হোৱা মাটি বেদখলমুক্ত কৰাৰ বাবে কিবা নিয়ম আছে নেকি?

(গ) মণ্ডল আদি কৰি যিসকল ৰাজহ বিভাগৰ কৰ্মচাৰী বা বিষয়াই বেদখলকাৰীৰ বিৰুদ্ধে প্ৰয়োজনীয় প্ৰতিবেদন পঠাই বেদখল কৰা মাটিৰ পৰা উচ্ছেদ কৰাৰ ব্যৱস্থা লোৱাৰ ছুপাৰিছ কৰা নাই, উক্ত কৰ্মচাৰী/বিষয়াৰ বিৰুদ্ধে কি শাস্তিমূলক ব্যৱস্থা লৈছে?

(বিতংভাৱে সদনক জনাব)

শ্ৰীপৃথিৱী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসম ভূমি ও ৰাজহ অধিনিয়ম, ১৮৮৬ ৰ অধিনিয়ম ১৮ (২) আৰু ১৮ (৩) ৰ মতে যিকোনো চৰকাৰী খাচ মাটিত থকা বেদখলকাৰীক উপায়ুক্তই উচ্ছেদ কৰিব পাৰে। নৈপৰীয়া চৰকাৰী মাটিসমূহ উক্ত ভূমি আইন মতে উচ্ছেদ কৰিব পাৰে। বন বিভাগে জনোৱা মতে অসমৰ বনভূমিৰ ক্ষেত্ৰত বেদখলকাৰী সকলক উচ্ছেদ কৰিবৰ বাবে অসম বন আইন, ১৮৯১ আৰু বন্য প্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ প্ৰয়োগ হৈ আছে।

(খ) হয়, আছে। বেদখল হ'লে বিভাগীয় কৰ্মচাৰীয়ে চক্ৰ বিষয়াৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগে। গোচৰ ৰুজু কৰি চক্ৰ বিষয়াই সেই বেদখল উচ্ছেদ কৰিব পাৰে।

(গ) বেদখলীকৃত চৰকাৰী জমি বেদখলমুক্ত কৰাটো এটা নিৰবচ্ছিন্ন প্ৰক্ৰিয়া। উপায়ুক্ত, মহকুমাধিপতি আৰু চক্ৰ বিষয়াসকলক বেদখলী ভূমি বেদখলমুক্ত কৰিবলৈ নিৰ্দেশ দি থকা হৈছে। ওপৰত উল্লেখিত অধিনিয়ম অনুযায়ী উপায়ুক্ত, মহকুমাধিপতি তথা চক্ৰ বিষয়াসকলে

বেদখলী মাটি বেদখলমুক্ত কৰাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ৰাজহ বিভাগৰ কোনো বিষয়া বা কৰ্মচাৰীয়ে এই বিষয়ত কাৰ্য্যব্যৱস্থা নোলোৱা বুলি অভিযোগ পালে তেনে বিষয়া বা কৰ্মচাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাৰ নিয়ম আছে।

Sub : Upgradation Schemes.

Shri Aminul Islam asked :

469. Will the Minister of P.H.E be pleased to state :

a) What are the schemes under Dhing P.H.E. Division going to be upgraded this year and last fi lancial year?

b) Who are the contractors having allotment of the Upgradation Schemes?

(Mention the amount sanctioned for each Scheme with DPR prepared for those alongwith the name of the contractors against each Schemes)

c) What are the new PWSS Schemes under Dhing P.H.E Division?

Shri Gautam Roy (Minister, P.H.E. Department) replied :

(a) The name of PWSS under Dhing PHE Division to be upgraded this year which were Sane tioned last year are as follows :

1) Kador.ioni PWSS
2) Dhopguri Kachari gaon PWSS
3) Rowmari PWSS
4) Chamaka PWSS

5) Lalipathar PWSS

6) Salpara PWSS

7) Paramaibheti PWSS

(b) The names of contractors against whom work had been allotted for upgradation of schemes are placed on the floor of the house as per Annexure-I mentioning the DPR amount of each schemes.

(c) The names of new PWSS under Dhing Division are as follows :

1) Batarrari PWSS

2) Goria Kawaimari PWSS

3) Rowrnari Reserve PWSS

বিষয় ঃ গাঁওবুঢ়া নিযুক্তি।

শ্রীমতী গুল আখতাৰা বেগমে সুধিছে ঃ

৪৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত মুঠ কিমানজন গাঁওবুঢ়া আছে?
(জিলা ভিত্তিত সদনৰ মেজত তথ্য দিব)

(খ) অসমৰ প্রতিখন জিলাত গাঁওবুঢ়া নথকাৰ কাৰণ কি?

(গ) ধুবুৰী জিলাৰ লগতে বাকী জিলা বিলাকতো গাঁওবুঢ়া নিযুক্তিৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়া কৰিব?

(ঘ) গাঁওবুঢ়াসকলে বর্তমান চৰকাৰৰ বিভিন্ন কাম-কাজৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰাৰ বাবে তেখেতসকলৰ পাৰিতোষিক, চিকিৎসা ভাট্টা বঢ়াৰ লগতে পর্য্যাপ্ত সা-সুবিদাৰ ব্যৱস্থা কৰিবনে?

(ঙ) গাঁওবুঢ়া নিযুক্তিৰ ক্ষেত্রত চৰকাৰৰ নীতি-নির্দেশনা কি?
(কপি সহ সদনত দাখিল কৰিব)

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত মুঠ ৫৮৬২ জন গাঁওবুঢ়া আছে।

(জিলা ভিত্তিত তালিকা 'পৰিশিষ্ট ক'ত গাঠি দিয়া হৈছে।)

(খ) তহচিলদাৰী প্রথা প্রৱর্তন হৈ থকা জিলাসমূহত গাঁওবুঢ়া নাই।

(গ) ধুবুৰী জিলাৰ লগতে বঙাইগাঁও, গোৱালপাৰা, চিৰাং, কোকৰাঝাৰ জিলাত আৰু বৰাক উপত্যকাৰ জিলাসমূহত গাঁওবুঢ়া নিযুক্তিৰ প্রস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) গাঁওবুঢ়াসকলৰ সেৱাৰ বাবদ চৰকাৰে তেওঁলোকৰ মাহিলী পাৰিতোষিক সময়ে সময়ে বৃদ্ধি কৰি আহিছে। ২০১৪ চনৰ জানুৱাৰী মাহৰ পৰা কার্য্যকৰী হোৱাকৈ তেওঁলাকক মাহিলী পাৰিতোষিক ১৮৭৫ টকাৰ পৰা বৃদ্ধি কৰি ২৫০০ (দুই হাজাৰ পাঁচশ) টকা আৰু চিকিৎসা ভাট্টা ১০০ (এশ) টকাকৈ প্রদান কৰা হৈছে। তদুপৰি তেওঁলোকৰ কার্য্য সম্পাদনৰ সুবিধার্থে বাইচাইকেলৰ বাবে এককালীন সাহায্য, একোটিকৈ মোবাইল ফোন আৰু টর্চ লাইট দিয়া হৈছে।

(ঙ) 'অসম ভূমি ৰাজহ অধিনিয়ম, ১৮৮৬ (সংশোধিত)ৰ ১৬২ নং দফা মতে চৰকাৰে গাঁওবুঢ়া নিযুক্তি দিয়ে।

বিষয় ঃ ভূমি আবণ্টন।

শ্রীযাদৱ চন্দ্র ডেকাই সুধিছে ঃ

৪৭১। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে ইং ২০০১ চনৰ পৰা ২০১৪ চনৰ জুন মাহলৈ অসমৰ কিমানখন শিক্ষানুষ্ঠান আৰু ধর্মীয় অনুষ্ঠান, (মন্দিৰ, মছজিদ) লৈ ভূমি আবণ্টন দিছে? (আবণ্টিত মাটিৰ পৰিমাণ উল্লেখ কৰি বর্ষ আৰু জিলা ভিত্তিত বিতং তালিকা সদনত দিব)

(খ) মাটি আবণ্টন দিয়া অনুষ্ঠানসমূহক আবণ্টিত মাটি চমজাই দিয়া হ'লনে?

(গ) যদি দিয়া হ'ল, কিমানটা অনুষ্ঠানক দিয়া হ'ল? (তালিকা সদনত দাখিল কৰিব)

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসমৰ মুঠ ১৬খন জিলাৰ উপায়ুক্তসকলৰ পৰা পোৱা তথ্য মতে ২০০১ চনৰ পৰা ২০১৪ চনৰ জুন মাহলৈ অসমৰ ১১৭৭ খন শিক্ষানুষ্ঠান আৰু ২০৩ খন ধর্মীয় অনুষ্ঠানক মাটি আবণ্টন দিয়া হৈছে। জিলা/বর্ষ ভিত্তিক আবণ্টিত মাটিৰ পৰিমাণ পৰিশিষ্ট-'ক' সদনৰ মেজত দিয়া হ'ল।

(খ) ভূমি আবণ্টন দিয়া কিছু অনুষ্ঠানক মাটি চমজাই দিয়া হোৱা নাই।

(গ) মাটি চমজাই দিয়া তালিকা পৰিশিষ্ট-'খ' সদনৰ মেজত দিয়া হ'ল।

Sub : Regarding Monthly Retaining Fee of P.P & A.P.P

Shri Kamalekhya De Purakayastha asked :

412. Will the Minister of Judicial Department be pleased to state:

(a) What is the present Retaining Fee of Public Prosecutor, Additional Public Prosecutor and Assistant P. P ?

(b) Are there any proposal for enhancement of their retaining fee?

(c) If so, when it will be implemented and from which period it.will effect?

Shri Tanka Bahadur Rai (Minister, Judicial Department) replied :

(a) (i) The present structure of retaining fee in respect

of Public Prosecutor and Additional Public Prosecutor of Hon'ble High Court are as follows :-

Sl. No.	Designation	Fee of High Court (w.e.f. 15-02-2014 revised rate)
1	Public Prosecutor,	₹ 13,000.00 per month
2	Additional Public Prosecutor	₹ 10,000.00 per month

There is no Assistant Public Prosecutor in the Gauhati High Court, Guwahati. The rate is enhanced in respect of Public Prosecutor / Additional Public Prosecutor of the Gauhati High Court recently vide Notification No. JDJ. 53/97/57, dated 15-02-2014 (copy enclosed at Annexure-'A')

(ii) The retaining fee of the Public Prosecutor / Additional Public Prosecutor / Assistant Public Prosecutor in respect of the Subordinate Courts / District Courts of Assam are as follows :-

Sl. No.	Designation	Fee of Subordinate Courts / Districts Court
1	Public Prosecutor,	₹ 4,000.00 per month
2	Additional Public Prosecutor	₹ 3,000.00 per month
3	Assistant Public Prosecutor	₹ 2,000.00 per month

(b) Yes, a proposal for enhancement of the retaining fee of Public Prosecutor I Additional Public Prosecutor I Assistant Public Prosecutor of District Courts and Sub-ordinate Courts is processed. The proposal for enhancement is at Annexure-'C')

(c) After clearance of the proposal from Finance Department I Cabinet approval and on completion of the process in respect of Public Prosecutor I Additional Public Prosecutor I Assistant Public Prosecutor for District I Subordinate Courts the same will be implemented.

বিষয় ঃ পুনঃ সংস্থাপন।

শ্রীমতী আৰতি হাজৰিকা কছাৰীয়ে সুধিছে ঃ

৪৭৩। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দেৰগাঁও বিধানসভা সমষ্টিৰ পূব ব্রহ্মপুত্র গাঁও পঞ্চায়তৰ অন্তর্গত চিৰিশটিকা নতুন চাপৰি আদি কেইবাখনো গাঁৱৰ প্রায় ৪০ টাতকৈ অধিক পৰিয়ালৰ লোক গৰাখহনীয়াৰ কবলত পৰাটো চৰকাৰ অৱগতনে?

(খ) এই পৰিয়ালসমূহক পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদি কৰিছে, কিমান দিনৰ ভিতৰত তেখেতসকলে মাটি বা অন্যান্য সুবিধাসমূহ পাবলৈ সক্ষম হ'ব?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য মতে দেৰগাঁও বিধানসভা সমষ্টিৰ পূব ব্রহ্মপুত্র গাঁও পঞ্চায়তৰ অন্তর্গত চিৰিশতিকা, নতুন চাপৰি

আদি গাঁৱৰ মুঠ ২৬টা পৰিয়াল গৰাখহনীয়াত ক্ষতিগ্রস্ত হৈছে।

(খ) এই পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ কাৰণে উপায়ুক্ত মাটিৰ প্রস্তাৱ তৎকালীনভাৱে দিবলৈ জিলা উপায়ুক্তই চক্র বিষয়াক নির্দেশ দিছে।

(গ) চক্র বিষয়াৰ পৰা মাটিৰ প্রস্তাৱ পালে পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ পৰিকল্পনাৰ পুঁজি ব্যয়।

শ্রীউৎপল দত্তই সুধিছে ঃ

৪৭৪। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১৩-১৪ বর্ষত অসমলৈ পৰিকল্পনাৰ শিতানত আবণ্টিত পুঁজিৰ পৰিমাণ কিমান আছিল?

(খ) এই পুঁজিৰ পৰা যোৱা জুন মাহ পর্যন্ত কিমান পুঁজি ব্যয় হ'ল? (পৰিমাণ আৰু শতাংশৰ হাৰত তথ্য দিব)

(গ) আবণ্টন হোৱা পুঁজি সকলো বিভাগে সন্তোষজনকভাৱে ব্যয় কৰিব পাৰিছেনে?

(ঘ) যদি পৰা নাই, তেন্তে বিভাগসমূহ কি কি?

(ঙ) সন্তোষজনকভাৱে ব্যয় কৰিবলৈ সক্ষম হোৱা বিভাগসমূহ কি কি?

(চ) আবণ্টিত পুঁজি ব্যয় কৰিব নোৱাৰাত আন বিভাগলৈ পুঁজি স্থানান্তৰিত হৈছে নেকি? যদি হৈছে, সেই বিবাগসমূহ কি কি? (বিভাগ অনুসৰি আবণ্টন স্থানান্তৰিত হোৱাৰ পৰিমাণ আৰু কি কি বিভাগলৈ স্থানান্তৰিত হ'ল সবিশেষ জনাব)

(ছ) পৰিকল্পনাৰ ধন সময় মতে ব্যয় কৰব নোৱাৰা কাৰণসমূহ কি কি?

শ্রীটংক বাহাদুৰ বাই (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১৩-১৪ বিত্তীয় বর্ষত অসমলৈ পৰিকল্পনা শিতানত আবণ্টিত পুঁজিৰ পৰিমাণ আছিল ১২,৫০০.০০ কোটি টকা।

(খ) বিগত ২০১৩-১৪ বিত্তীয় বর্ষৰ পৰিকল্পনা শিতানত জুন মাহ পর্য্যন্ত বিভিন্ন বিভাগে কৰা পুঁজিৰ ব্যয়ৰ স্পষ্ট তথ্য দিব পৰা নাযায়। উক্ত বর্ষৰ ব্যয়ৰ সম্পূর্ণ তথা অহা ছেপ্টেম্বৰ মাহৰ পিছতহে দিব পৰা যাব।

(গ) বিভাগ অনুযায়ী ২০১৩-১৪ বিত্তীয় বর্ষৰ ব্যয়ৰ সবিশেষ চলিত ২০১৪-১৫ বর্ষৰ ছেপ্টেম্বৰ মাহৰ পিছতহে দিব পৰা যাব।

(ঘ) 'গ'ত উল্লেখ কৰা ধৰণে।

(ঙ) ২০১৩-১৪ বিত্তীয় বর্ষৰ ব্যয়ৰ সবিশেষ তথ্য চলিত ২০১৪-১৫ বর্ষৰ ছেপ্টেম্বৰ মাহৰ পিছতহে দিব পৰা যাব।

(চ) সচৰাচৰ প্রতি বছৰ ডিচেম্বৰ মাহত বিভিন্ন বিভাগৰ পৰিকল্পনাৰ পুঁজি ব্যয়ৰ পুনৰীক্ষণ কৰি আবশ্যক মতে বিভাগ অনুযায়ী অতিৰিক্ত পুঁজি আবণ্টন কৰা হয়। ২০১৩-১৪ বর্ষৰ ডিচেম্বৰ মাহত বিভিন্ন বিভাগলৈ আবণ্টন কৰা অতিৰিক্ত পুঁজিৰ তালিকা পৰিশিষ্ট-১ত (Annexure-I) সংলগ্ন কৰা হ'ল।

(ছ) যিহেতু পৰিকল্পনা আৰু উন্নয়ন বিভাগে কোনো আঁচনি পোনপোটীয়াকৈ ৰূপায়ণ নকৰে সেয়েহে এই সন্দর্ভত পৰিকল্পনা আৰু উন্নয়ন বিভাগত কোনো তথ্য নাই।

অৱশ্যে উল্লেখযোগ্য যে যোৱা বছৰ (২০১৩-১৪) সাংসদীয় নির্বাচনৰ আচৰণ বিধি (Model Code of Conduct) বলৱৎ থকা বাবে পৰিকল্পনা শিতানৰ ধন কম খৰচ হোৱাৰ অন্যতম কাৰণ বুলি ক'ব পাৰি। তাৰোপৰি কেন্দ্রীয় আঁচনিৰ পুঁজি বছৰটোৰ শেষৰ ফালে মোকলাই দিয়া বাবেও খৰচৰ হাৰ নিম্ন হোৱাৰ আন এক মূল কাৰণ।

বিষয় ঃ কৃষি কার্য্যত পানীযোগান।

শ্রীপ্রবীণ হাজৰিকাই সুধিছে ঃ

৪৭৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ বিত্তীয় বৰ্ষত জলসিঞ্চন বিভাগে শোণিতপুৰ জিলাত কি কি আঁচনি গ্ৰহণ কৰিছিল?
(বিতং খতিয়ান দিব)

(খ) জিলাখনৰ বিশ্বনাথ সমষ্টিৰ কৃষকে লাভান্বিত হোৱাকৈ বিভাগে কি কি পৰিকল্পনা কৰিছে? (ৰূপায়িত চাঁনি মতে, যোগান ধৰা পানী, উপকৃ, কৃষক ৰাইজৰ সবিশেষ নাম আৰু ঠিকনা তথ্যসহকাৰে দিয়াৰ ব্যৱস্থা কৰিব)

(গ) বিশ্বনাথ সমষ্টিৰ কেইবাটাও আঁচনিৰ কাম বৰ্তমানলৈকে সম্পূৰ্ণ হোৱা নাই, চৰকাৰ জানেনে? উক্ত আঁচনিকেইটা কি কি? ইয়াক কেতিয়া সম্পূৰ্ণ কৰা হ'ব? (বিতং তথ্য দাখিল কৰিব)

(ঘ) যোৱা বানপানীত ক্ষতিগ্ৰস্ত হোৱা আঁচনিকেইটা মেৰামতি কৰা হ'লনে?

শ্ৰীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১১-১২, বিত্তয় বৰ্ষত শোণিতপুৰ জিলাত কোনো আঁচনি গ্ৰহণ খৰা নাই। ২০১২-১৩ বিত্তীয় বৰ্ষত তেজপুৰ জলসিঞ্চন সংমণ্ডলৰ অধীনত নাবার্ডৰ (RIDF-XVIII) অন্তৰ্গত ৩টা আঁচনি গ্ৰহণ কৰা হৈছে। বিশ্বনাথ চাৰিআলি সংমণ্ডলৰ অধীনত ২০১২-১৩ বৰ্ষত ১টা আঁচনি অনুমোদন পোৱা গৈছে।বিতং তথ্য অনুবদ্ধ-১.৩ সদনৰ মেজত দাখিল কৰা হ'ল। বিশ্বনাথ চাৰিআলি সংমণ্ডলৰ অধীনত ২০১৩-১৪ বৰ্ষত ৬টা আঁচনি অনুমোদন পোৱা গৈছে। বিতং তথ্য অনুবদ্ধ-১.৩ সদনৰ মেজত দাখিল কৰা হ'ল। ইয়াৰ উপৰি বুৰৈ মজলীয়া জলসিঞ্চন আঁচনিৰ জৰীপ প্ৰাককলনৰ (৬৬.৩ লাখ টকা) অনুমোদন পোৱা গৈছে।

(খ) বিশ্বনাথ সমষ্টিত কৃষক লাভান্বিত হোৱাকৈ বিভাগে ৭টা আধৰুৱা হৈ থকা আঁচনি সম্পূৰ্ণ কৰি কৃষকক পানী যোগান ধৰিবলৈ পৰিকল্পনা কৰা হৈছে। লগতে এৰিয়মলা আৰু পেতুলীবাৰী গভীৰ নলী-নাদ

আঁচনি দুখন সম্পূর্ণ হৈছিল যদিও বর্তমান মেৰামতিৰ বাবে যান্ত্রিক সংমণ্ডলক জনোৱা হৈছে। অন্যহাতে চতিয়া জলসিঞ্চন আঁচনিৰ ১নং পইণ্টৰ কাম সম্পূর্ণ হৈছে আৰু কৃষকক পানী যোগান ধৰিব পৰা হৈছে। পূর্বে অকার্য্যক্ষম হৈ থকা এৰিয়ামলা আঁচনিখন ইতিমধ্যে কার্য্যক্ষম হৈছে। কৃষকৰ নাম, ঠিকনা সন্নিৰিষ্ট এখন তালিকা অনুবদ্ধ-২.৩ সদনৰ মেজত দাখিল কৰা হ'ল।

(গ) বিশ্বনাথ সমষ্টিৰ কেইখনমান আঁচনিৰ কাম বর্তমানলৈকে সম্পূর্ণ নোহোৱাৰ বিষয়টো চৰকাৰৰ জ্ঞাত। উক্ত আঁচনিসমূহ হ'ল ঃ-

১। অজলাসুঁতি উত্তোলিত জলসিঞ্চন আঁচনি (পইণ্ট নং-১, ২, ৩)

২। নিউ ঘিলাবাৰী উত্তোলিত জলসিঞ্চন আঁচনি (পইণ্ট নং-১)

৩। চালিয়া চাপৰি কাৱৈমাৰী উত্তোলিত জলসিঞ্চন আঁচনি (পইণ্ট নং-১, ৩)

উক্ত আঁচনিসমূহ মার্চ ২০১৫ চনৰ ভিতৰত সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(ঘ) তেজপুৰ সংমণ্ডলৰ অধীনত থকা ২ খন আঁচনি ক্রমে বেঙেনাজুলি জলসিঞ্চন (F.I.S.) আৰু দক্ষিণ দল উত্তোলিত জলসিঞ্চন আঁচনিৰ মেৰামতিৰ কাম আৰম্ভ হৈছে। বাকী ১ খন আঁচনি পানবাৰী জলসিঞ্চন আঁচনি (F.I.S.) প্রাক্কলন প্রস্তুত কৰা হৈছে আৰু ধনৰ আবণ্টন হ'লে আঁচনি কেইখন মেৰামতি কৰি তোলা হ'ব।

বিশ্বনাথ চাৰিআলি সংমণ্ডলৰ অধীনত ক্ষতিগ্রস্ত হোৱা আঁচনিসমূহ মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে ঠিকাদাৰক কামৰ আবণ্টন দিয়া হৈছে।

বিষয় ঃ Repair and Maintenance.

শ্রীগোপী নাথ দাসে সুধিছে ঃ

৪৭৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে যোৱা ২০১১-১২, ২০১৩-১৪ আৰু ২০১৪-১৫ চনৰ বিত্তীয় বৰ্ষত Repair and Maintenance শিতানত চৰকাৰে কিমান টকা ব্যয় কৰিছে?

(খ) উল্লেখিত সময়ছোৱাত গুৱাহাটী পশ্চিম সংমণ্ডলত বিভিন্ন আঁচনি মেৰামতিৰ নামত কিমান টকা ব্যয় কৰা হৈছে?

(আঁচনিসমূহৰ নাম আৰু ব্যয় কৰা টকাৰ পৰিমাণ জনাব)

(গ) এইটো কথা সঁচানে যে, যোৱা প্ৰায় দুবছৰৰ পৰা পিজুপাৰা L.I.S. টো বেয়া হৈ আছে আৰু চৰকাৰে ইয়াৰ মেৰামতিৰ কোনো ব্যৱস্থা লোৱা নাই?

(ঘ) যদি সঁচা, তেন্তে চৰকাৰে কিয় মেৰামতিৰ ব্যৱস্থা লোৱা নাই জনাবনে?

শ্ৰীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে যোৱা ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনৰ বিত্তীয় বৰ্ষত Repair and Maintenance শিতানত চৰকাৰে ব্যয় কৰা টকাৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল।

Year	H/A	Budget allotment	Expenditure.
1	2	3	4
2011-2012	2701	11195.16(L)	6850.56(L)
	2702	39901.12(L)	27843.66(L)
	2705	679.22(L)	397.98(L)
2012-2-13	2701	10934.94(L)	6121.04(L)
	2702	39790.92(L)	25280.79(L)
	2705	350.11(L)	269.03(L)
2013-2014	2701	10383(L)	109.82(L)
	2702	692.07(L)	691.34(L)
	2705	5.63(L)	5.63(L)

(খ) ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনৰ বিত্তীয় বৰ্ষত গুৱাহাটী পশ্চিম সংমণ্ডলত বিভিন্ন আঁচনিৰ মেৰামতিৰ নামত ব্যয় কৰা ধনৰ পৰিমাণ ঃ-

২০১১-১২ বৰ্ষত = ২৫৯৯৯১৪.০০ টকা।

২০১২-১৩ বৰ্ষত = ৫৪১৩৫৩৫.০০ টকা।

২০১৩-১৪ বৰ্ষত = ৩৯৭১৩৩০২.০০ টকা।

মুঠ = ১১৯৮৪৭৫১.০০ টকা।

আঁচনি ভিত্তিক বিতং তথ্য <u>অনুবদ্ধ-১</u> ত দাখিল কৰা হ'ল।

(গ) এইটো সঁচা নহয়।

(ঘ) বিভাগীয় তথ্য মতে যোৱা ২০১২-১৩ বিত্তীয় বৰ্ষত পিজুপাৰা LIS আঁচনিখন Special M & Rআঁচনিৰ অন্তর্ভুক্ত কৰি মেৰামতিৰ ব্যৱস্থা গ্রহণ কৰা হৈছিল আৰু Civil আৰু Mechanical Part ৰ কাম সম্পূর্ণ হৈছে। বাকী Electrical Part ৰ কাম সম্পূর্ণ হ'বলৈ বাকী আছে আৰু অহা ডিচেম্বৰ ২০১৪ চনৰ ভিতৰত এই আঁচনিখন সম্পূর্ণ কৰি তুলিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।

বিষয় ঃ চাহ বাগিচাৰ বেদখল, চাহ বাগিচা, তৈলক্ষেত্রৰ খাজনা।

শ্রীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

৪৭৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত কোন কোন চাহ বাগিচাই কিমান চৰকাৰী ভূমি বেদখল কৰি ৰাখিছে? এই ভূমিসমূহ উদ্ধাৰৰ বাবে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(তথ্যসমূহ জিলা ভিত্তিত সদনত দাখিল কৰিব)

(খ) অসমৰ কিমান চাহ বাগচিাৰ মাটি চিলিং এক্টত গৈছে?

(বাগিচাৰ নাম, ভূমিৰ পৰিমাণ, এই ভূমিসমূহ বৰ্তমান কাৰ দখলত আছে, জিলা ভিত্তিত পৃথকে পৃথকে উল্লেখ কৰিব)

(গ) এই ভূমিসমূহ চৰকাৰে নিজৰ অধীনলৈ আনিব নোৱাৰাৰ কাৰণ কি?

(ঘ) অসমৰ চাহ বাগিচা আৰু তৈল ক্ষেত্রসমূহৰ পৰা কি হাৰত ৰাজ্য চৰকাৰে ভূমি খাজনা সংগ্রহ কৰে? এই সম্পৰ্কত কি নীতি নির্দেশনা আছে, তাৰ প্রতিলিপি দাখিল কৰিবনে? বৰ্তমান চাহ বাগিচা আৰু তৈল ক্ষেত্রৰ ভূমিৰ খাজনা পাবলৈ বাকী আছে নেকি? যদি আছে, কাৰ কাৰ কিমান টকা অনাদায় হৈ আছে?

(ঙ) অসমৰ কোন জিলাত বৰ্তমান কিমান ভূমিৰ খাজনা অনাদায় হৈ আছে? অনাদায় হৈ থকাৰ কাৰণ কি?

শ্রীপৃথিৰী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে:

(ক) ৯খন জিলাৰ পৰা পোৱা তথ্য মতে অসমৰ চাহ বাগিচাই বেদখল কৰা ভূমিৰ তথ্য পৰিশিষ্ট 'ক'ত দাখিল কৰা হ'ল।

চাহ বাগিচাই বেদখল কৰা ভূমিসমূহ অসমৰ ভূমি ৰাজহ অধিনিয়ম, ১৮৮৬ অনুসৰি বেদখল উচ্ছেদৰ ব্যৱস্থা লৈ থকা হৈছে। উপযুক্ত বিবেচনা কৰিলে প্রচলিত ভূমি নীতি অনুসৰি চাহ খেতিৰ বাবে আবণ্টন/পট্টনৰ ব্যৱস্থা আছে।

(খ) ৯খন জিলাৰ পৰা পোৱা তথ্য মতে অসমৰ চাহ বাগিচা সমূহৰ চিলিং এক্টত যোৱা ভূমিৰ তথ্য পৰিশিষ্ট-'খ'ত দাখিল কৰা হ'ল।

(গ) এই ভূমিসমূহ চৰকাৰৰ অধীনলৈ আনিব নোৱাৰাৰ কোনো কাৰণ নাই। অসমৰ চাহ বাগচিাসমূহৰ চিলিং উদ্বত্ত ভূমি উপযুক্ত ভূমিহীন প্রাক্তন চাহ শ্রমিক, উপযুক্ত ভূমিহীন লোকক আৰু উপযুক্ত শিক্ষিত নিবনুৱা যুৱকক চাহ খেতি কৰিবৰ বাবে ভূমি নীতি অনুসৰি আবণ্টন/পট্টন দি থকা হৈছে।

(ঘ) চাহ ম্যাদি ভূমিৰ বাবে ব্রহ্মপুত্র উপত্যকাত বিঘাই প্রতি ভূমি ৰাজহৰ

হাৰ ২২.০০ টকা আৰু বৰাক উপত্যকাত ১৬.০০ টকা হিচাপে নির্ধাৰণ কৰা হৈছিল। সম্প্রতি এই নিৰিখৰ বিৰুদ্ধে কিছু চাহ বাগিচাই মহামান্য আদালতত গোচৰ তৰিছে আৰু আদালতে এই চৰকাৰী নির্দেশনা খাৰিজ কৰিছে। চৰকাৰে আপীল কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰৰ নির্দেশনাৰ প্রতিলিপি পৰিশিষ্ট-'ঙ'ত দাখিল কৰা হ'ল। চাহ বাগিচা আৰু তৈলক্ষেত্রৰ অনাদায় ভূমিৰ ৰাজহৰ তথ্য পৰিশিষ্ট-'চ'ত দাখিল কৰা হ'ল।

তৈলক্ষেত্র উদ্যোগৰ ক্ষেত্রত লাভৰ ১০% (গ্রাম্য অঞ্চলত ন্যূনতম বিঘাই প্রতি ৫০০.০০ টকা আৰু চহৰ ন্যূনতম বিঘাই প্রতি ১০০০.০০ টকা) ভূমি ৰাজহ নির্ধাৰণ কৰা হৈছে। সম্প্রতি এই নিৰিখৰ বিৰুদ্ধে মহামান্য উচ্চতম ন্যায়ালয়ত এটা গোচৰ চলি আছে।

(ঙ) অসমৰ অনাদায় হৈ থকা ভূমি ৰাজহৰ তথ্য পৰিশিষ্ট-'জ'ত দাখিল কৰা হ'ল। বানপানী, গৰাখহনীয়া, এজমালি পট্টাসমূহ বাটৰোৱা নোহোৱাৰ বাবে ভূমি ৰাজহ অনাদায় হৈ আছে।

বিষয় ঃ আর্থ-সামাজিক বিকাশ।

শ্রীমনোৱাৰ হুছেইনে সুধিছে ঃ

৪৭৮। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৈয়াম জনজাতিৰ আর্থ-সামাজিক বিকাশৰ বাবে কি কি আঁচনি ৰূপায়ণ কৰা হয়?

(বিতং তথ্য জনাব)

(খ) এই জনগোষ্ঠীৰ ছাত্রৰ-ছাত্রীৰ উচ্চ শিক্ষাৰ বাবে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনত কিমান গৰাকীক কিমান টকা ছাত্র বৃত্তি দিয়া হৈছে?

(জিলা ভিত্তিত তথ্য দিব)

(গ) ৰাভা হাছং এলেকাত বিকাশৰ বাবে ২০১২-১৩ চনত অসম চৰকাৰে কিমান টকা দিছিল আৰু কি কি শিতানত খৰচ হ'ল?

(উক্ত টকাৰ খৰচৰ Audit Report সহ বিতং তথ্য সদনৰ মেজত দিব)

শ্রীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভৈয়াম জনজাতিৰ আর্থ-সামাজিক বিকাশৰ বাবে ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ অধীনত লোৱা আঁচনিৰ বিৱৰণ অনুবদ্ধ 'ক'ত দিয়া হ'ল।

(খ) ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ অধীনতজনগোষ্ঠীৰ ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ বাবে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনত দিয়া ছাত্র বৃত্তিৰ বিৱৰণ তলত দিয়া হ'ল—

বর্ষ	মুঠ টকাৰ পৰিমাণ	মুঠ ছাত্র-ছাত্রীৰ সংখ্যা
২০১১-১২	৪১,৯৯,৯৫,০৪৬/-	৯৬,৭৫৫
২০১২-১৩	৩৩,৯২,৬৩,৩৪৬/-	৬২,৪৩৯
২০১৩-১৪	২২,৪৭,৭৩,১৫৮/-	২৬,৬৭৩

উক্ত বর্ষকেইটাত জনগোষ্ঠীৰ ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ বাবে ২০১১-১২, ২০১২-১৩ আৰু ২০১৩-১৪ চনত দিয়া ছাত্র বৃত্তিৰ বিৱৰণ জিলাভিত্তিত অনুবদ্ধ 'খ'ত দিয়া হ'ল।

(গ) ৰাভা হাচং এলেকাত বিকাশৰ বাবে ২০১২-১৩ চনত মুঠ ৩৩,৭৭.০০ লাখ টকা সংমোদন দিয়া হয়। ইয়াৰে ৯২২.৯০ লাখ টকা ৰাভা হাছং এলেকাৰ বিকাশৰ বাবে মোকলাই দিয়া হৈছে।

বাকী ২৪৫৪.১০ লাখ টকা এতিয়ালৈকে ৰেভিনিউ ডিপজিট হৈ আছে। মোকলাই দিয়া টকাৰ খৰচৰ হিচাপে আৰু Audit Report বিচাৰি ৰাভা হাছং স্বায়ত্ব পৰিষদলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। উক্ত খৰচৰ খতিয়ান আৰু Audit Report আহি পালে সদনৰ মজিয়াত দাখিল কৰা হ'ব।

বিষয় ঃ জলসিঞ্চন আঁচনি।

শ্রীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ

৪৭৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ ঝিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তর্গত নঁনে বোৱতী জলসিঞ্চন আঁচনিৰ কাম বর্তমান কি পর্য্যায়ত আছে?

(খ) এই সম্পর্কে বিধানসভাৰ যোৱা ১৭-০৭-২০১২ তাৰিখে তৰাবিহীন প্রশ্নৰ সোধা প্রশ্নৰ উত্তৰত উক্ত আঁচনিৰ কাম ২০১২-১৩ বর্ষতেই সম্পূর্ণ কৰা হ'ব বুলি উল্লেখ কৰিছিল যদিও এতিয়াও সম্পূর্ণ নোহোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) কি কি কাৰণত উক্ত আঁচনিৰ কাম সম্পূর্ণ কৰিব পৰা নাই? সকলো বাধা অতিক্রম কৰি কেতিয়াকৈ উক্ত আঁচনিখনে কৃষক ৰাইজৰ দীর্ঘদিনীয়া অসুবিধা দূৰ কৰিব?

শ্রীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলা ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তর্গত নঁনে বোৱাতী জলসিঞ্চন আঁচনিখনৰ ৪১ শতাংশ কাম বর্তমানলৈ সম্পূর্ণ হৈছে। উক্ত আঁচনিখনৰ কাম বর্তমান বন্ধ হৈ আছে।

(খ) এই সম্পর্কে চৰকাৰ সম্পূর্ণ জ্ঞাত।

(গ) উক্ত আঁচনিখনৰ কামৰ আবণ্টন M/s North East Engineering Construction Company Pvt. Ltd. ক দিয়া হৈছিল। কিন্তু কামৰ সন্তোষজনক অগ্রগতি নোহোৱাৰ কাৰণে উক্ত কোম্পানীটোৰ কাম

বাতিল কৰি পুনৰ আধৰুৱা কামৰ দায়িত্ব M/s Prabhu Agarwalla ক দিয়া হয়। কিন্তু সেই ঠিকাদাৰজনৰো কামৰ সন্তোষজনক অগ্রগতি নোহোৱাৰ কাৰণে ইতিমধ্যে কেইবাখনো চিঠিৰ জৰিয়তে কামৰ সন্তোষজনক অগ্রগতি কৰিবৰ কাৰণে অৱগত কৰা হৈছে। ননে বোৱাতী জলসিঞ্চন আঁচনিখন সম্পূর্ণ কৰাৰ বাবে Revalidation ৰ প্রয়োজন হ'ব আৰু Revalidation হ'লে আঁচনিখনৰ কাম অহা ২০১৪-১৫ বর্ষৰ ভিতৰত সম্পূর্ণ কৰিবলৈ লক্ষ্য নির্ধাৰণ কৰা হৈছে।

বিষয় ঃ চৰকাৰী মাটি বেদখল।

শ্রীমতী আৰতি হাজৰিকা কছাৰীয়ে সুধিছে ঃ

৪৮১। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দেৰগাঁও ৰাজহ চক্রৰ কাকডোঙা ব্লক অধীনত "ৰাজীৱ গান্ধী ক্রীড়া প্রকল্পৰ" নামত ২৬ বিঘা মাটি থকাটো চৰকাৰ অৱগতনে?

(খ) এইটোও অৱগতনে যে চাহ বাগানৰ প্রায় ২৫টাতকৈও অধিক পৰিয়ালে সেই মাটি বেদখল কৰি আছে?

(গ) উক্ত ক্রীড়া প্রকল্পৰ নামত চৰকাৰে ১০ লাখ টকা আবণ্টন দিছে, কিন্তু বেদখল মুক্ত কৰি নিদিয়াৰ কাৰণেই সেই পুঁজি ব্যৱহাৰ কৰিব পৰা নাই, চৰকাৰ জ্ঞাতনে?

(ঘ) উক্ত বেদখল মুক্ত কৰি ছৰকাৰে পুঁজি ব্যৱহাৰ কৰিবৰ কাৰণে সুবিদা কৰিবনে?

শ্রীপৃথিৱী মাঝি (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) হয়। উপায়ুক্তৰ পৰা পোৱা তথ্য মতে সেই মাটি ২৬টা পৰিয়ালে বেদখল কৰি আছে।

(গ) হয়, জ্ঞাত। ৰাজীৱ গান্ধী ক্রীড়া প্রকল্পৰ নির্মাণৰ নামত অসম চৰকাৰৰ

ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ পৰা ১০ লাখ টকা মোকলাই দিয়া হৈছিল যদিও উক্ত প্ৰকল্পৰ নামত থকা মাটি বেদখল মুক্ত কৰিব নোৱাৰাৰ বাবে মোকলাই দিয়া পুঁজি ব্যৱহাৰ কৰিব পৰা হোৱা নাই। উপায়ুক্তৰ পৰা পোৱা তথ্য মতে বেদখল মুক্ত কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ নতুন পদত যোগদান।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৪৮২। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শ্ৰম আৰু নিয়োগ বিভাগৰ সঞ্চালকালয়ত ২০০৭ চনৰ পৰা কৰ্মৰত ক্ৰাক্‌টমেন ট্ৰেইনিঙৰ (ডিডিচিটি) ভাৰপ্ৰাপ্ত উপ-সঞ্চালকগৰাকীক ৮ জুলাই, ২০১৪ তাৰিখে প্ৰদান কৰা বদলিৰ আদেশেৰে শ্ৰীকোণ আই টি আইৰ অধ্যক্ষ ৰূপে কাৰ্য্যভাৰ ল'বলৈ দিয়াটো সত্যনে?

(খ) ২০০৭ চনৰ পৰা ২০১৪ চনলৈ বিগত ৭ বছৰে উক্ত বিষয়াগৰাকীয়ে এই একে পদতে কাৰ্য্যনিৰ্বাহ কৰি থকাটো সত্যনে?

(গ) শ্ৰম আৰু নিয়োগ বিভাগৰ আই টি আইৰ নিৰ্মাণ কাৰ্য্য আৰু এই আই টি আইৰ বাবে প্ৰয়োজনীয় আচবাব আদি ক্ৰয়ৰ সমগ্ৰ দায়িত্ব এই গৰাকী বিষয়াৰ হাতত ন্যস্ত থকাৰ বাবেই একে ঠাইতে একেটা পদতে থকাটো সত্যনে?

(ঘ) এইগৰাকী বিষয়াৰ দিনত কিমানখন আই টি আই নিৰ্মাণ কৰা হয় আৰু কিমান সামগ্ৰী ক্ৰয় কৰা হয়?

(বিতং তালিকা এখন দাখিল কৰিব)

(ঙ) এইগৰাকী বিষয়াই চৰকাৰৰ আদেশ পালন কৰি কেতিয়া নতুন পদত যোগদান কৰিব?

শ্ৰীপৃথিৱী মাজি (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০১০ চনৰ ১ জুলাই তাৰিখৰ পৰা কৰ্মৰত ক্ৰাফ্‌টমেন ট্ৰেইনিঙৰ

(ডিডিটিচি) ভাৰপ্ৰাপ্ত উপ-সঞ্চালক গৰাকী ৮ জুলাই, ২০১৪ তাৰিখে প্ৰদান কৰা বদলিৰ আদেশৰে শ্ৰীকোণাৰ আই টি আইৰ অধ্যক্ষ ৰূপে কাৰ্য্যবাৰ ল'বলৈ দিয়াটো সত্য।

(খ) ২০০৭ চনৰ পৰা নহয়, উক্ত বিষয়াগৰাকীয়ে ২০১০ চনৰ ১ জুলাই তাৰিখৰ পৰা এই একেই পদতে কাৰ্য্যনিৰ্বাহ কৰি আছিল।

(গ) উক্ত সময়ছোৱাত এই সঞ্চালকালয়ৰ এজন পূৰ্ণকালীন আৰু আই টি আইৰ ২ জন জ্যেষ্ঠ অধ্যক্ষক কামৰ খাতিৰত ভাৰপ্ৰাপ্ত উপ-সঞ্চালক (DDCT) হিচাপে দায়িত্বভাৰ দিয়া হৈছিল। এই তিনিজনৰ মাজতে আঁচনি অনুযায়ী আই টি আইৰ নিৰ্মাণ কাৰ্য্য আৰু সামগ্ৰী/আচবাব ক্ৰয়ৰ কাম সমূহ ভগাই দিয়া হৈছিল।

(ঘ) এই বিষয়াগৰাকীৰ দিনত ২৩খন নতুন আৰু ১১খন পুৰণা আই টি আইৰ নিৰ্মাণকাৰ্য্য আৰম্ভ কৰা হয়। আই টি আইৰ নিৰ্মাণৰ তালিকা Annexure-I দিয়া হ'ল। লগতে ১৯ খন (নতুন আৰু পুৰণা) আই টি আইৰ বাবে সামগ্ৰী ক্ৰয় কৰা হয়।

২০১১-১২ আৰু ২০১২-১৩ চনৰ ক্ৰয় সামগ্ৰীৰ তালিকা Annexure-II ত দিয়া হ'ল। ২০১০-১১ আৰু ২০১২-১৩ বৰ্ষত কোনো সামগ্ৰী ক্ৰয় কৰা হোৱা নাই।

(ঙ) এইগৰাকী বিষয়াই যোৱা ১৯-০৮-২০১৪ তাৰিখে শ্ৰীকোনাৰ আই টি আইৰ অধ্যক্ষৰূপে যোগদান কৰিছে।

বিষয় ঃ পানী যোগান আঁচনি।

শ্ৰীপ্ৰবীণ হাজৰিকাই সুধিছে ঃ

৪৮৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৩-১৪ বৰ্ষত শোণিতপুৰ জিলাৰ বিশ্বনাথ সমষ্টিত নতুনকৈ তলত উল্লেখ কৰা পানী যোগান আঁচনিৰ প্ৰস্তাৱ বিভাগে প্ৰেৰণ কৰাৰ দৰে অনুমোদন দিবনে?

(১) নাহৰণী মাৰুৱা বস্তি পানী যোগান আঁচনি।

(২) নীলপুৰ চাহ বাগিচা পানী যোগান আঁচনি।

(৩) মুণ্ডাবস্তি লাইন (মাজুলী গড় বাগিচা) পানী যোগান আঁচনি।

(৪) দক্ষিণ ভীৰগাঁও পানী যোগান আঁচনি।

(খ) যদি আঁচনি ৪টাত সন্মতি জনায়, তেন্তে কেতিয়াৰ পৰা কাম আৰম্ভ হ'ব?

শ্রীগৌতম ৰয় (মন্ত্রী, জনস্বাস্থ্য কাৰিকৰী বিভাগ)য়ে উত্তৰ দিছে ঃ

(ক) ২০১৩-১৪ বর্ষত শোণিতপুৰ জিলাৰ বিশ্বনাথ সমষ্টিত প্রশ্নত উল্লেখ কৰা ধৰণে কোনো পানীযোগান আঁচনিৰ প্রস্তাৱ পোৱা নাই।

(খ) উক্ত আঁচনি কেইখনৰ কাৰিকৰী দিশ পর্য্যবেক্ষণ কৰিবৰ বাবে সংশ্লিষ্ট সংমণ্ডলৰ নির্দেশ দিয়া হৈছে।

বিষয় ঃ পিছপৰা শ্রেণীসমূহৰ বাবে আবণ্টিত ধন।

শ্রীআলী হুছেইনে সুধিছে ঃ

৪৮৪। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা তিনিটা বিত্তীয় বর্ষত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা কিমান ধন আবণ্টন পাইছিল?

(বর্ষ অনুযায়ী সদনত দাখিল কৰিব)

(খ) কেন্দ্রীয় চৰকাৰে আবণ্টন দিয়া ধনৰ কিমান শতাংশ এই বিভাগে আজি পর্য্যন্ত খৰচ কৰিবলৈ সক্ষম হৈছে?

(গ) পিছপৰা শ্রেণীসমূহৰ কল্যাণৰ কাৰণে ৰাজ্যিক চৰকাৰে কি কি উন্নয়নমূলক আঁচনি বর্তমান গ্রহণ আৰু ৰূপায়ণ কৰিছে?

(ঘ) পিছপৰা শ্রেণীসমূহৰ কল্যাণৰ কাৰণে আগন্তুক দিনত চৰকাৰে কি কি পৰিকল্পনা গ্রহণ কৰিছে?

শ্রীবাজীৰ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা তিনিটা বিত্তীয় বৰ্ষত অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আবণ্টিত ধনৰ বিৱৰণ তলত দিয়া হ'ল-

Sl No.	Name of Scheme	Allotted Amount (Rs. in lakh)		
		2011-12	2012-13	2013-14
1	Grants under SCA to TSP	Rs.5475.00	Rs.6233.00	Rs.6233.00
2	Grants under Article 275 (I)	Rs.3419.00	Nil	RS.3440.25
3	Post-Matric scholarship for OBC students	Rs.2946.00	Rs.1285.00	Nil
4	Pre-Marne scholarship for OBC students	Rs. 56.23	Rs.154.00	Nil
5	Post-Matrie scholarship for ST students	Rs.4200.00	Rs.4500.00	Rs.4758.14
6	Pre-Matric scholarship for ST students	Nil	Rs.90.00	Nil
7	MF Programme	Rs.35.00	Nil	Nil
8	Book Bank for Medical Engineering College Students	Rs.l0.00	Rs.l0.00	Rs.l0.00
9	Vocational Training to ST	Nil	Rs.89.00	Rs.276.21-
10	Girls Boys Hostel for OBC	Rs.126.00	Nil	Rs.126.00

11	Creation Barrier free environment for Physically disabled persons	Nil	Nil	Rs.389.22
12	Share Capital ASDC for SC Ltd.	Rs.25.00	Nil	Nil
13	Post Matric Scholarship for SC students	RS.1529.65	Rs.750.00	Rs.1646.00
14	PMAGY	Rs.1000.00	Rs.1000.00	Nil
15	FOIG / Infrastructure Development Scheme	Rs.603.86	Nil	Rs.681:717
16	Inter Castes Marriage	Rs.79.35	Rs.10.33	Nil
17	Up gradation of Merit	Rs.3.45	Nil	Nil
18	Pre-Matric Scholarship to those SC students whose parents are engaged in Unclean Occupation	Rs.109.00	Nil	Nil
19	Girls Hostel for SC	Nil	Nil	Rs.10.00
	Total	19617.54	14121.33	17570.54

(খ) কেন্দ্রীয় চৰকাৰে আবণ্টন দিয়া ধনৰ খৰচৰ পৰিমাণ বর্ষ অনুযায়ী তলত দিয়া হ'ল-

2011-12	69.15%
2012-13	71.27%
2013-14	67.72%

(গ) পিছপৰা শ্রেণীসমূহৰ কল্যাণৰ কাৰণে ৰাজ্যিক চৰকাৰে এই বিভাগৰ

জৰিয়তে লোৱা বিভিন্ন ধৰণৰ উন্নয়নমূলক আঁচনিসমূহ অনুবদ্ধ 'ক'ত দিয়া হ'ল। (See Annexure-XXXIII)

(ঘ) পিছপৰা শ্ৰেণীসমূহৰ কল্যাণৰ কাৰণে প্ৰশ্ন 'গ'ৰ উত্তৰত উল্লেখ কৰাৰ আঁচনিসমূহ আগন্তুক বৰ্ষৰ বাবেও গ্ৰহণ কৰা হৈছে।

বিষয় ঃ জলসিঞ্চন ব্যৱস্থা।

শ্ৰীযাদৱ চন্দ্ৰ ডেকাই সুধিছে ঃ

৪৮৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৃষি প্ৰধান ৰঙিয়া মহকুমাৰ কিমান খেতিমাটি জলসিঞ্চন বিভাগে সামৰি লৈছে?

(খ) এই কৃষিভূমিসমূহত কি কি পদ্ধতিৰে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে?

(গ) উক্ত জলসিঞ্চন ব্যৱস্থাৰ পৰা কিমানখন গাঁও আৰু কিমানজন খেতিয়ক উপকৃত হৈছে?

(ঘ) মহকুমাটোৰ জলসিঞ্চন ব্যৱস্থাৰ পৰিসৰ বৃদ্ধিৰ ব্যৱস্থা ল'বনে?

(ঙ) কমলপুৰ সমষ্টিত নতুন জলসিঞ্চনৰ আঁচনি লোৱাৰ পৰিকল্পনা কৰিছে নেকি?

(চ) যদি কৰা নাই, নতুন আঁচনি গ্ৰহণ কৰিবনে?

শ্ৰীনীলিমণি সেনা ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙিয়া মহকুমাৰ ৪৯৭৬ হেক্টৰ কৃষিভূমি জলসিঞ্চন বিভাগে সামৰি লৈছে।

(খ) উক্ত কৃষি ভূমিসমূহত বোৱতি জলসিঞ্চন আঁচনি, বৈদ্যুতিক উত্তোলক জলসিঞ্চন আঁচনি আৰু গভীৰ নলী-নাদ আঁচনিৰ জৰিয়তে জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(গ) উক্ত ব্যৱস্থাৰ জৰিয়তে প্ৰায় ১৪৭ খন গাঁৱৰ ২২০৯ জন খেতিয়ক উপকৃত হৈছে।

(ঘ) উপযুক্ত শিতানত ধনৰ আবণ্টন সাপেক্ষে মহকুমাটোৰ জলসিঞ্চন ব্যৱস্থাৰ পৰিসৰ বৃদ্ধিৰ ব্যৱস্থা কৰিব পৰা যাব।

(ঙ) হয়, কৰা হৈছে। সমষ্টিটোত নাবার্ডৰ অধীনত কলাজল বাৰহৈ বোৱতি জলসিঞ্চন প্রকল্প নামেৰে এখন আঁচনিৰ প্রাক্কলন প্রস্তুত কৰা হৈছে।

বিষয় ঃ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থাকৰণ।

শ্রীআব্দুৰ ৰহিম খানে সুধিছে ঃ

৪৮৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত কৃষি উন্নয়নৰ বাবে কৃষি প্রধান খেতি মাটি সমূহত নতুনকৈ জলসিঞ্চন আঁচনিৰ বাবে চৰকাৰেকি কি আঁচনি হাতত লৈছে?

(খ) যদি লৈছে, বৰপেটা জিলাৰ বৰপেটা ৰাজহ চক্রৰ অন্তর্গত ব্রহ্মপুত্র নদীৰ পৰা বৰপেটা সমষ্টিৰ বিলৰতাৰী, গৰেমাৰী হাবি, গৰেমাৰী পথাৰ, পালহাজী, মাইলকুছি, গহেৰপাম গাঁৱলৈ কৃষি ভূমি উন্নয়নৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা চৰকাৰে গ্রহণ কৰিবনে?

(গ) ভেলেংগী নদীৰ পৰা বৰপেটা সমষ্টিত মাজাৰগাঁও, ডংৰা, পহুমাৰা নাঙলকুৰ, ৰহমপুৰ চকাবাউসী, চৰকপাৰালৈকে সামৰি বর্তমানে থকা ক্ষুদ্র জলসিঞ্চন আঁচনিটো বৃহৎ আকাৰে কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

(ঘ) যদি কৰিব, কেতিয়া কৰিব? (বিতং সদনত জনাব)

শ্রীনীলমণি সেন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত কৃষি উন্নয়নৰ বাবে ২০১৪-১৫ বর্ষত লোৱা আঁচনিসমূহৰ বিতং তথ্য অনুবদ্ধ-১ ত দাখিল কৰা হ'ল।

(খ) উল্লেখিত অঞ্চল সমূহত কোনো জলসিঞ্চন আঁচনি লোৱা হোৱা নাই। উপযুক্ত শিতানত ধনৰ আবণ্টন সাপেক্ষে উল্লেখিত অঞ্চলত নতুন জলসিঞ্চন আঁচনি লোৱাৰ ব্যৱস্থা কৰা হ'ব।

(গ) উক্ত নদীৰ পৰা বৃহৎ আঁচনি লোৱাৰ বাবে সূচল হ'লে আৰু ধনৰ আবণ্টন পালে ক্ষুদ্ৰ জলসিঞ্চন আঁচনিসমূহ বৃহৎ আকাৰ কৰাৰ ব্যৱস্থা কৰিব পৰা যাব।

(ঘ) উক্ত ব্যৱস্থা পৰ্য্যায়ক্ৰমেহে কৰিব পৰা যাব।

বিষয় ঃ গাঁওবঢ়া নিযুক্তি।

শ্ৰীআমিনুল ইছলামে সুধিছে ঃ

৪৮৭। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মুঠ গাঁৱৰ সংখ্যা কিমান আৰু গাঁওসমূহত কৰ্মৰত গাঁওবুঢ়াৰ সংখ্যা কিমান?

(খ) নগাঁও আৰু মৰিগাঁও জিলাৰ অন্তৰ্গত ধিং সমষ্টিত থকা গাঁওসমূহৰ নাম কি কি? ইয়াৰ ভিতৰত কোন কোন গাঁৱত গাঁওবুঢ়া আছে আৰু কোন কোন গাঁৱত গাঁওবুঢ়া নাই? গাঁওবুঢ়া নথকা গাঁওসমূহত এই গুৰুত্বপূৰ্ণ কাম-কাজসমূহ কোনে চলাই আছে?

(গ) জনসাধাৰণৰ সুবিধাৰ্থে চৰকাৰে গাঁওবুঢ়া নথকা গাঁওসমূহত অনতিপলমে গাঁওবুঢ়া নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

(গাঁওবুঢ়া নিযুক্তি, অপসাৰণ, দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কীয় চৰকাৰী নীতি-নিৰ্দেশনাৰ প্ৰতিলিপি সদনত দাখিল কৰিব)

শ্ৰীপৃথিৰী মাঝি (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) একৈশখন জিলাৰ পৰা পোৱা তথ্য অনুসৰি মুঠ গাঁৱৰ সংখ্যা ১৮৫৯২ খন আৰু গাঁওসমূহত কৰ্মৰত গাঁওবুঢ়াৰ সংখ্যা ৫৮৬২ জন আছে।

(খ) নগাঁও আৰু মৰিগাঁও জিলাৰ অন্তৰ্গত ধিং সমষ্টিত থকা গাঁওসমূহৰ নামৰ তালিকা আৰু ইয়াৰ ভিতৰত গাঁওবুঢ়া থকা আৰু গাঁওবুঢ়া নথকা গাঁৱৰ তালিকা পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল। গাঁওবুঢ়া নথকা গাঁওসমূহৰ গুৰুত্বপূৰ্ণ কাম-কাজসমূহ সাধাৰণতে উক্ত গাঁওসমূহৰ

পার্শ্ববর্তী গাঁৱৰ গাঁওবুঢ়াৰ দ্বাৰা সম্পাদনা কৰা হয়।

(গ) জনসাধাৰণৰ সুবিধার্থে খালী হৈ থকা গাঁওবুঢ়া পদসমূহ সংশ্লিষ্ট উপায়ুক্তসকলৰ দ্বাৰা 'অসম ভূমি ৰাজহ অধিনিয়ম ১৮৮৬'ৰ দফা ১৬২ (ক) মতে পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা চলাই থকা হৈছে।

গাঁওবুঢ়া নিযুক্তি, অপসাৰণ, দায়িত্ব আৰু কর্তব্য সম্পর্কীয় চৰকাৰী নীতি-নির্দেশনাৰ প্রতিলিপি পৰিশিষ্ট 'খ'ত গাঠি দিয়া হ'ল।

বিষয় ঃ ভূমি সংৰক্ষণ আঁচনি ৰূপায়ণ।

শ্রীউৎপল দত্তই সুধিছে ঃ

৪৮৮। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত ২০১১-১২ আৰু ২০১২-১৩ চনত "IWMP" Project কোন কোন জিলাত এই আঁচনি ৰূপায়ণ কৰা হৈছে?

(জিলা ভিত্তিত আঁচনিৰ তালিকা আৰু ধার্য্য কৰা পুঁজিৰ বিতৰণ সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) লক্ষীমপুৰ জিলাত ২০১১-১২ চনৰ পৰা বর্তমানলৈকে IWMP ৰ কিমানটা আঁচনি ৰূপায়ণ কৰিছে?

(বিতং তথ্য সদনত দাখিল কৰিব)

(গ) লক্ষীমপুৰ বিধানসভা সমষ্টিত IWMP ৰ অধীনত গ্রহণ কৰা আঁচনিৰ বিপৰীতে ধার্য্য কৰা পুঁজি আৰু মোকলাই দিয়া পুঁজিৰ বিতং তথ্য জনাবনে?

(ঘ) এতিয়ালৈকে কিমানটা MWS গঠন কৰা হ'ল আৰু MWS গোটৰ সভাপতি/সম্পাদকৰ নামৰ তালিকা সদনত দাখিল কৰিবনে?

(ঙ) উক্ত গোটসমূহে ৰূপায়ণ কৰা আঁচনিৰ বিপৰীতে কামৰ অগ্রগতি শতাংশ হিচাপেত পুঁজিৰ ব্যৱহাৰৰ বিৱৰণ দাখিল কৰিবনে?

শ্রীনীলমণি সেন ডেকা (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ ২০১১-১২ আৰু ২০১২-১৩ চনত "IWMP" Project

ৰূপায়ণ কৰা আঁচনি জিলা ভিত্তিক তালিকা আৰু ধার্য্য কৰা পুঁজিৰ বিতৰণ তালিকা অনুচ্ছেদ 'ক'ত সদনৰ মেজত দিয়া হ'ল।

(খ) লক্ষীমপুৰ জিলাত ২০১১-১২ চনৰ পৰা বর্তমানলৈকে IWMP ৰ মুঠ ৯টা আঁচনি ৰূপায়ণ কৰি থকা হৈছে। বিতং তথ্য অনুচ্ছেদ 'খ'ত সদনৰ মেজত দিয়া হ'ল।

(গ) লক্ষীমপুৰ বিধানসভা সমষ্টিত IWMP ৰ অধীনত গ্রহণ কৰা আঁচনিৰ বিপৰীতে ধার্য্য কৰা পুঁজি আৰু মোকলাই দিয়া পুঁজিৰ বিতং তথ্য তলত উল্লেখ কৰা হ'ল।

অনুমোদিত বর্ষ	আঁচনিৰ নাম	ধার্য্য কৰা মুঠ পুঁজি (লাখত)	মোকলাই দিয়া পুঁজিৰ পৰিমাণ (লাখত)	মুঠ খৰচ
২০১০-১১	লক্ষীমপুৰ-৫	৬৬০.০০ (ৰঙানদী)	১১৪.৭৮৫৩৫	৭৫.৫৫৫৪
২০১২-১৩	লক্ষীমপুৰ-৯	৪৯৯.২০ (নামনি ৰঙানদী)	২৭.৮৬৫৭৯	২.৫৫৬
২০১৩-১৪	লক্ষীমপুৰ-১১	৫৪০.০০ (কাকৈ)	১.৫৪৮	খৰচ নাই

(খ) এতিয়ালৈকে ৰঙানদী সংহত জলচ্ছেদ ব্যৱস্থাপনা প্রকল্পৰ অধীনত ৮টা MWS গঠন কৰা হৈছে আৰু MWS গোটৰ সভাপতি/সম্পাদকৰ নামৰ তালিকা অনুচ্ছেদ 'গ'ত সদনৰ মেজত দিয়া হ'ল। বাকী ২ টা MWS বর্তমানলৈকে গঠন কৰা হোৱা নাই।

(ঙ) উক্ত গোটসমূহে ৰূপায়ণ কৰাৰ আঁচনিৰ বিপৰীতে কামৰ অগ্রগতি শতাংশ হিচাপত পুঁজিৰ ব্যৱহাৰৰ বিৱৰণ অনুচ্ছেদ 'ঘ'ত সদনৰ মেজত দিয়া হ'ল।

Sub : IWMP Project.

Shri Aminul Islam, asked :

480. Will the Minister of Soil Conservation be pleased to state:

(a) What are the activities which may be done under IWMP in the various stage of implementation of the Schemes?

(Furnish the Guidelines)

(b) What is the development of Kajolipathar IWMP under Nagaon District?

(Detailed information with required data may be furnished in the August House)

Shri Nilomoni Sen Deka (Minister, Soil Conservation) replied :

(a) The implementation of IWMP activities are done as per Common Guideline for Watershed Development Projects Government of India 2008.

A copy of the Common Guidelines stated above is enclosed in Annexure-'I'

Activities taken up under IWMP under various components are enclosed in Annexure-'II'.

(b) Nagaon XV (Kajolipather IWMP) 2012-13 was sanctioned during 2012-13. The project will cover 4000 hectares of treatable area with an approved outlay of Rs. 480.00 lakhs. Against the approved outlay an amount of Rs. 25.54394 lakh was received and an amount of Rs. 21.10045 lakh have

been utilized. The project is under preparatory phase and the component WIse progress is enclosed in Annexure-'III'.

বিষয় ঃ খহনীয়া প্ৰতিৰোধ।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৪৮৯। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙানদী আৰু দিক্ৰং নদীৰ বান আৰু খহনীয়া প্ৰতিৰোধৰ বাবে কিমান টকা আৰু কি কি আঁচনি সদ্যহতে চৰকাৰে হাতত লৈছে?

(খ) যদি লৈছে, নিবিদা আহ্বান কৰা হৈছে নেকি? যদি নিবিদা আহ্বান কৰা হৈছে, কেতিয়া কৰা হৈছে আৰু কি গ্ৰুপ/গোটত কিমান সংখ্যাক নিবিদা পোৱা হ'ল?

(গ) যদি নিবিদা পোৱা হ'ল, আঁচনিৰ কাম সমূহ কেতিয়া আৰম্ভ কৰা হ'ব?

(ঘ) আঁচনি দুখনৰ প্ৰশাসনিক অনুমোদন (এ,এ) হৈছেনে? যদি হোৱা নাই, কিয় আৰু কেতিয়া হ'ব?

(ঙ) উক্ত আঁচনি দুখনৰ বিপৰীতে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ব্যয় কৰিব লগা পুঁজিৰ পৰিমাণ কিমান? (পৃথকে তথ্য দিব)

(চ) উক্ত আঁচনিৰ দুখনৰ বিপৰীতে ৰাজ্য চৰকাৰে ব্যয় কৰিব লগা পুঁজিৰ অংশ আগতীয়াকৈ বিভাগীয় বিভাগক জমা দি কেন্দ্ৰীয় চৰকাৰৰ অংশ মোকলোৱাৰ ব্যৱস্থা কৰা হৈছেনে? যদি ব্যৱস্থা কৰা হোৱা নাই, কিয় হোৱা নাই আৰু কেতিয়া হ'ব?

(ছ) যদি ৰাজ্য চৰকাৰে দিব লগা পুঁজিৰ অংশ এতিয়ালৈকে দিয়া নাই, লক্ষীমপুৰ জিলাৰ উক্ত জনমুখী আঁচনি দুখনৰ শীঘ্ৰে কাৰ্য্যকৰীকৰণৰ বাবে কেতিয়া জমা দিয়া হ'ব?

শ্রীৰাজীৰ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰঙানদী আৰু দিক্ৰং নদীৰ বান আৰু খহনীয়া প্রতিৰোধৰ বাবে জলসম্পদ বিভাগে বান ব্যৱস্থাপনা কার্য্যসূচী (FMP)ৰ অধীনত দুখন আঁচনি ক্রমে (১) Flood Managment of river Ranganadi alongwith river training works on both bank embankments in Lakhimpur District, Assam আৰু (২) Flood management of river Dikrong alongwith river training works on both bank embankments in Lahimpur District Assam কার্য্যকৰী কৰাৰ বাবে হাতত লৈছে। আঁচনি দুখনৰ প্রাক্কলনৰ মূল্য ক্রমে ৩৬১.৪২ কোটি আৰু ১০৫.৯৬ কোটি টকা।

(খ) হয়, নিবিদা আহ্বান কৰা হৈছে। নিবিদা গ্রহণৰ শেষ তাৰিখ আছিল যোৱা ১৬ জুন, ২০১৪। আঁচনি দুখনৰ বিপৰীতে পোৱা নিবিদাৰ তথ্য এনে ধৰণৰ—

<u>ৰঙানদী আঁচনিৰ বাবে-</u>

১) নিবিদাকমিটীৰ- ১২টা গোটৰ বিপৰীতে ৭১ খন।

২) অতিৰিক্ত মুখ্য অভিযন্তাৰ- ৪৬টা গোটৰ বিপৰীতে ১৭৪ খন।

৩) অধীক্ষক অভিযন্তাৰ- ৪৩টা গোটৰ বিপৰীতে ৫৬২ খন।

৪) কার্য্যবাহী অভিযন্তাৰ- ১১৮টা গোটৰ বিপৰীতে ৬৩৮ খন নিবিদা।

<u>ডিক্রং নদীৰ আঁচনিৰ বাবে</u>

১) নিবিদা কমিটীৰ- ৯ট গোটৰ বিপৰীতে ৫১ খন।

২) অতিৰিক্ত মুখ্য অভিযন্তাৰ- ২৬টা গোটৰ বিপৰীতে ৮১ খন।

৩) অধীক্ষক অভিযন্তাৰ- ৪১টা গোটৰ বিপৰীতে ২৫৩ খন।

৪) কার্য্যবাহী অভিযন্তাৰ- ১৮০টা গোটৰ বিপৰীতে ৬০৭ খন নিবিদা।

(গ) উক্ত আঁচনি দুখনৰ প্রশাসনিক অনুমোদন হৈছে। আঁচনি দুখনৰ কাম

বাৰিষাৰ পাছত আৰম্ভ কৰিব পৰা হ'ব।

(ঘ) আঁচনি দুখনৰ প্ৰশাসনিক অনুমোদন হৈছে।

(ঙ) উক্ত আঁচনি দুখনৰ বিপৰীতে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ব্যয় কৰিবলগীয়া অংশ ক্ৰমে ৩০% আৰু ৭০% মুঠ পৰিমাণ এনে ধৰণৰ—

<u>ৰঙানদী আঁচনিৰ বাবে-</u>

কেন্দ্ৰীয় চৰকাৰৰ অংশ = ২৫২.৯৯ কোটি।

ৰাজ্য চৰকাৰৰ অংশ =১০৮.৪৩ কোটি।

<u>ডিক্ৰুং নদীৰ আঁচনিৰ বাবে-</u>

কেন্দ্ৰীয় চৰকাৰৰ অংশ = ৭৪.১৭ কোটি।

ৰাজ্য চৰকাৰৰ অংশ = ৩১.৭১ কোটি।

(চ) হয়, আঁচনি দুখনৰ বিপৰীতে ব্যয় কৰিব লগা ৰাজ্য চৰকাৰৰ অংশকাম আৰম্ভ কৰাৰ পাছত মোকলোৱাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লোৱা হ'ব।

(ছ) প্ৰশ্ন 'চ'ৰ উত্তৰ সাপেক্ষে প্ৰযোজ্য হ'ব।

(Unstarred Question No. 490 was defferred)

SHORT NOTICE QUESTIONS AND ANSWERS

মাননীয় অধ্যক্ষ ঃ চৰ্ট নটিচ কৰেকচন ৫টা আছে। সদনৰ সন্মতি সাপেক্ষে সেই প্ৰশ্নকেইটাৰ উত্তৰ দিয়া বুলি কোৱা হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৩১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা অসম সমবায় চেনিকলৰ বহু কর্মচাৰীয়ে দৰমহা নোপোৱাটো চৰকাৰৰ বোধগম্য নে?

(খ) যদি বোধগম্য হয় তেনেহ'লে কেতিয়াকৈ তেওঁলোকে দৰমহা পাব পাৰে জনাবনে? (এতিয়া দৰমহা নোপোৱাকৈ থকা কর্মচাৰীৰ তালিকা সংলগ্ন কৰিব)

(গ) উক্ত উদ্যোগটো শীঘ্রে উৎপাদনক্ষম কৰিবলৈ চৰকাৰে ব্যৱস্থা হাতত ল'বনে? (যদি ল'ব কেতিয়াৰ পৰা ল'ব জ্ঞাত কৰিবনে?)

(ঘ) উক্ত উদ্যোগৰ স্থাৱৰ/অস্থাৱৰ সম্পত্তি কিমান আৰু কি কি আছে? তাৰ সঠিক মূল্য কিমান আছে জনাবনে?

শ্রীঅজিত সিং (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বোধগম্য হয়। ইতিমধ্যে ২০১০-১১ বর্ষত বিত্ত বিভাগৰ চিঠি নং FEA. 45/2009/225, dtd. 05-05-2010 দ্বাৰা Employees liabilities ৰ ২৫৬৮.৮৫ লাখ টকা সহ মুঠ ৩৬৪০.৬১ লাখ কাৰ মঞ্জুৰী দিয়া হৈছে। উল্লেখিত বিত্ত বিভাগৰ চিঠিৰ প্রতিলিপি পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল)।

(খ) ঋতুকালীন কর্মচাৰী (Seasonal Employees) ৰ ক্ষেত্রত বিষয়টো বিবেচনাধীন হৈ আছে। (দৰমহা নোপোৱা কর্মচাৰীৰ তালিকা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হ'ল)।

(গ) সমবায়সমূহৰ পঞ্জীয়ক, অসম জাননী নং CMP 6/2004/116 dtd. 05-05-2010 ৰ দ্বাৰা অসম সমবায় চেনিকল বৰুৱাবামুণ গাঁও, অৱসায়ণত (Liquidator) দিয়া হৈছে। কেবিনেটৰ অনুমোদন ক্রমে ৰাজহুৱা প্রতিষ্ঠান বিভাগৰ অধিসূচনা নং PE.59/2009/270, dtd. 19-02-2010 জৰিয়তে অসম সমবায় চেনিকল বৰুৱাবামুণগাঁও, AGPRMP ৰ অধীনত বন্ধ কৰা হৈছে। গতিকে বর্তমান উক্ত উদ্যোগটো কার্য্যক্ষম কৰিব পৰা নাযায়। উল্লেখিত অধিসূচনাৰ প্রতিলিপি পৰিশিষ্ট 'গ'ত সংলগ্ন কৰা হ'ল।

(ঘ) উক্ত উদ্যোগৰ স্থাৱৰ সম্পত্তিৰ ভিতৰত অকল পুৰণি গৃহ সমূহ আছে। ইয়াৰ মূল্য ১৫,৯৮৮,৯৫.৪৬ টকা আৰু অস্থাৱৰ সম্পত্তিৰ মূল্য ১,৭৮,৯৬,১৫৯.০০ টকা আছিল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীউৎপল দত্তই সুধিছে ঃ

৩২। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ (বি টি এ ডিত অন্তৰ্ভুক্ত নোহোৱা) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কি কি স্বায়ত্বশাসিত পৰিষদ আছে। এইবোৰ কি কি উদ্দেশ্যত কেতিয়া গঠন কৰা হৈছিল? ২০১১-১২, ২০১২-১৩, ২০১৩-১৪ আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষত এই স্বায়ত্ব শাসিত পৰিষদসমূহলৈ কিমান টকা মোকলাই দিয়া হ'ল আৰু তাৰে কিমান টকা স্বায়ত্ব শাসিত পৰিষদসমূহে ব্যয় কৰিলে?

(ঘ) বৰ্তমান নতুন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ কোনো প্ৰস্তাৱ ৰাজ্য চৰকাৰৰ আছে নেকি? যদি আছে কোন কোন জাতিৰ ববে এই প্ৰস্তাৱ আছে? কেতিয়া এই স্বায়ত্বশাসিত পৰিষদ কেইখন গঠন হ'ব।

(ঙ) মেচ কছাৰী জাতীয় সংগঠনৰ পৰা ২০০৯ চনৰ পৰা এতিয়ালৈ ৪ বাৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি মেচ কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দাবী কৰিছিল আৰু মুখ্যমন্ত্ৰীয়েও এই বিষয়টো বিবেচনা কৰিব বুলি কৈছিল। একেই দাবী ভৈয়াম জনজাতি আৰু পিছপৰা অঞ্চলৰ উন্নয়ন মন্ত্ৰীকো বহুবাৰ জনোৱা হৈছে। মেচ কছাৰীসকলক চৰকাৰ স্বায়ত্ত শাসিত পৰিষদ দিয়াৰ কথা বিবেচনা কৰিবনে? মেচ কছাৰীসকলৰ দাবীটো বৰ্তমান কি পৰ্য্যায়ত আছে।

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্তমান মুঠ ছয়খন স্বায়ত্বশাসিত পৰিষদ আছে। এই স্বায়ত্ব

শাসিত পৰিষদসমূহৰ নাম, গঠনৰ উদ্দেশ্য আৰু গঠনৰ সময় তলত উল্লেখ কৰা হ'ল —

স্বায়ত্ব শাসিত পৰিষদৰ নাম	গঠনৰ বৰ্ষ	গঠনৰ উদ্দেশ্য
১) মিছিং স্বায়ত্ব শাসিত পৰিষদ	১৯৯৫	
২) দেউৰী স্বায়ত্ব শাসিত পৰিষদ	২০০৫	আৰ্থ-সামাজিক, শৈক্ষিক,
৩) তিৰা স্বায়ত্ব শাসিত পৰিষদ	১৯৯৫	সাংস্কৃতিক উন্নয়ন ইত্যাদি
৪) সোণোৱাল কছাৰী স্বায়ত্ব শাসিদ পৰিষদ	২০০৫	
৫) ঠেঙ্গাল কছাৰী শ্বায়ত্ব শাসিত পৰিষদ	২০০৫	
৬) ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ	১৯৯৫	

এই স্বায়ত্ব শাসিত পৰিষদসমূহলৈ ২০১১-১২, ২০১২-১৩, ২০১৩-১৪ আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষত মোকলাই দিয়া টকাৰ সবিশেষ তলত দিয়া হ'ল।

স্বায়ত্ব শাসিত পৰিষদৰ নাম	মোকলাই দিয়া টকাৰ পৰিমাণ (লাখ হিচাপত)			
	২০১১-১২	২০১২-১৩	২০১৩-১৪	২০১৪-১৫
১) মিছিং স্বায়ত্ব শাসিত পৰিষদ	(RD)	(RD)	৫৩.৬৯	মোকলাই
২) দেউৰী স্বায়ত্ব শাসিত পৰিষদ	১৮৭৭.০০	১৯৮৬.০৮০২	২৪৩৭.০০	দিয়াৰ
৩) তিৰা স্বায়ত্ব শাসিত পৰিষদ	(RD)	৩৪২০.০০	৩৭৬১.৩৬৪২৯	প্রক্রিয়া
৪) সোণোৱাল কছাৰী স্বায়ত্ব শাসিদ পৰিষদ	১৭৭৭.০০	২২০৬.০০	২৩০৭.০০	চলি আছে
৫) ঠেঙ্গাল কছাৰী শ্বায়ত্ব শাসিত পৰিষদ	১৭৭৫.০০	২২১৮.৬৮	২৩০৫.০০	
৬) ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদ	২৯১১.০০	৯২২.৯০	৩৭৮০.০০	

(খ) বৰ্তমান নতুনকৈ এখন গাৱোঁ স্বায়ত্ব শাসিত পৰিষদ গঠনৰ বাবে প্ৰস্তাৱ পোৱা গৈছে। এই সংক্ৰান্তত এখন কেবিনেট চাব-কমিটী গঠন কৰা হৈছে। নতুন স্বায়ত্ব শাসিত পৰিষদ গঠনৰ সময় নিৰ্ধাৰণ কৰা হোৱা নাই।

(গ) মেচ কছাৰী জাতীয় সংগঠনৰ বাবে স্বায়ত্ব শাসিত পৰিষদ গঠনৰ বিষয়টো কেবিনেট চাব-কমিটীত অনুমোদিত হোৱা নাই।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰীভূপেন বায়ে সুধিছে ঃ

৩৩। মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতিসমূহৰ কল্যাণ বিভাগৰ (বি টি এ ডিৰ অন্তৰ্ভুক্ত নোহোৱা) মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকৰ হিতৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰূপায়িত কৰা কিমান ধৰণৰ আঁচনি আছে? (আঁচনিসমূহৰ বিস্তৃত তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

শ্ৰীৰাজীৱ লোচন পেগু (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অনসূচিত জাতিৰ বাবে ৰূপায়িত কৰা আঁচনিসমূহৰ তালিকা অনুবদ্ধ 'ক'ত দিয়া হ'ল। অনুসূচিত জনজাতিৰ বাবে ৰূপায়িত কৰা আঁচনিসমূহৰ তালিকা অনুবদ্ধ 'খ'ত দিয়া হ'ল।

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন ঃ

শ্ৰীকেশৱ মহন্তই সুধিছে ঃ

৩৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চলিত বৰ্ষৰ বানপানীত ব্ৰহ্মপুত্ৰকে ধৰি নদী আৰু উপনৈ সমূহৰ নাম উল্লেখ কৰি ৰজ্যখনত ক'ত ক'ত বানপানী হৈছে আৰু কিমান গাঁও ক্ষতিগ্ৰস্ত হৈছে জনোৱাৰ লগতে জনসংখ্যা উল্লেখ কৰিব।

(খ) বানপানীত কিমান মানুহৰ মৃত্যু হৈছে নাম, ঠিকনা, মৃত্যুৰ তাৰিখ উল্লেখ কৰিব।

(গ) তৎকালীনভাৱে বানপানী আৰু গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে বিভাগটো ক'ত কিমান টকাৰ কাম কৰিছে অনুগ্ৰহ কৰি জনাব।

শ্ৰীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান চলিত বৰ্ষৰ বানপানীত ব্ৰহ্মপুত্ৰকে ধৰি নদী আৰু উপনৈসমূহে শদিয়াৰ পৰা ধুবুৰীলৈকে বিস্তীৰ্ণ অঞ্চল প্লাবিত কৰিছে আৰু ইয়াৰ পৰা বিশেষভাৱে ক্ষতিগ্ৰস্ত হোৱা জিলাসমূহ হ'ল— ধেমাজি, লক্ষীমপুৰ, শোণিতপুৰ, নলবাৰী, মৰিগাঁও, ওদালগুৰি। ক্ষতিগ্ৰস্ত হোৱা গাঁও আৰু জনসংখ্যাৰ বিতং তথ্য ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা সংগ্ৰহ কৰা থকা হৈছে।

(খ) ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(গ) তৎকালীনভাৱে বানপানী আৰু গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজন অনুসৰি বিভাগে কাম হাতত লৈছে আৰু কাম চলি আছে। খৰচ আদিৰ বিতং তথ্য সংগ্ৰহ কৰি থকা হৈছে।

বিষয় ঃ তাকৰীয় সময়ৰ প্ৰশ্ন।

শ্ৰীকেশৰ মহন্তই সুধিছে ঃ

৩৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ সমষ্টিৰ শিলঘাটৰ বিহদুবি অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনি গ্ৰহণ সম্পৰ্কে যোৱা বৰ্ষৰ বিধানসভাত উত্থাপন কৰা হৈছিল এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) বৰ্তমান সেই অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে ভয়াৱহ ঘৰাখহনীয়াৰ সৃষ্টি কৰিছে এইক্ষেত্ৰত বিভাগে হ্ৰস্বকালীন দীৰ্ঘকালীন কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বিভাগে কিমান টকাৰ আঁচনি গ্ৰহণ কৰিছে আৰু কৰাৰ আগতে কাম সম্পূৰ্ণ হ'বনে অনুগ্ৰহ কৰি জনাব?

শ্ৰীৰাজীৱ লোচন পেগু (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কলিয়াবৰ সমষ্টিৰ শিলগাটৰ বিহুডুবি অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৬০ তম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদন ক্ৰমে এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে আৰু বিত্তীয় অনুমোদন ক্ৰমে গ্ৰহণ কৰা হ'ব।

(খ) বৰ্তমান এই অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে তৎক্ষণিকভাৱে হ্ৰস্বকালীন ব্যৱস্থা লোৱা হৈছে আৰু দীৰ্ঘকালীন ব্যৱস্থাৰ বাবে উত্তৰ 'ক'ত দিয়া মৰ্মে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) উক্ত অঞ্চলত দীৰ্ঘম্যাদী গৰাখহনীয়া প্ৰতিৰোধ কৰিবলৈ জলসম্পদ বিভাগে ৭.৭১ কোটি টকাৰ আঁচনি প্ৰস্তুত কৰি আছে। বৰ্তমান কোনো দীৰ্ঘম্যাদী আঁচনিৰ কাম আৰম্ভ কৰা হোৱা নাই। তাৎক্ষণিকবাৰে হ্ৰস্বকালীন কাম বৰ্তমানে কৰি থকা হৈছে।

POINT OF ORDER

* **শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ। মই এটা কথা আপোনাৰ জৰিয়তে সদনৰ দৃষ্টিগোচৰ কৰি অনুৰোধ কৰিব বিচাৰিছো। যোৱা কালি মাননীয়া সদস্যা প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে এটা চেলেত যাওঁতে এটা ছাত্ৰ সংগঠনৰ ফালৰ পৰা অভিযোগ দাঙি ধৰিছিল। সেইটো হৈছে যোৱা ২৬ জুলাইৰ পৰা অজয় গড় আৰু শিলচন কুজুৰ সন্ধানহীন হৈ আছে। আজি এমাহ ধৰি তেওঁলোক সন্দানহীন হৈ আছে যদিও তেওঁলোকক উদ্ধাৰ কৰাৰ কাৰণে প্ৰশাসনৰ ফালৰ পৰা তেনে ধৰণৰ কোনো পদক্ষেপ লোৱা নাই।

তেওঁলোক চাহ জনজাতিৰ লোক হোৱা কাৰণে পৱিত্ৰ সদনত এই কথাটো আলোচনা হোৱা নাই নেকি? তেওঁলোকৰ পৰিয়াল তথা তেওঁলোকৰ ৰাইজক আশ্বাস দি চৰকাৰে যাতে তেওঁলোকক উদ্ধাৰৰ কাৰণে এটা সবল পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনাইছো।

শ্ৰীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী) ঃ ছাৰ, অতি গুৰুতৰ সহকাৰে এইটো ব্যৱস্থা হাতত লোৱা হৈছে।

VOTING ON DEMANDS FOR GRANTS

মাননীয় অধ্যক্ষ ঃ এতিয়া মঞ্জুৰী নং-৩০

(পানী যোগান আৰু অনাময়)

মাননীয় জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰীয়ে প্ৰস্তাৱ কৰিব ঃ

শ্ৰীগৌতম ৰয় ঃ অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ২০১৫ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটো কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক "পানী যোগান আৰু অনাময়" শিতানৰ অৰ্থে ২০১৪ চনৰ অসম বিনিয়োজন (লেখানুদান) আইনৰ দ্বাৰা ইতিমধ্যে খৰচ হোৱা পুঁজিকে ধৰি ১৫৮৪৩৫.৭০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

তলত উল্লেখ কৰা মাননীয় সদস্য/সদস্যাসকলৰ নামত এই মঞ্জুৰীটোৰ ওপৰত সৰ্বমুঠ চাৰিটা কৰ্তন প্ৰস্তাৱ আছে ঃ

১। শ্ৰীহাফিজ বছিৰ আহমেদ

শ্ৰীআব্দুৰ ৰহিম খান

শ্ৰীআব্দুৰ ৰেহমান আজমল

শ্ৰীমতী গুল আখতাৰা বেগম

শ্ৰীআবুল কালাম আজাদ

শ্রীজাহান উদ্দিন

শ্রীআলী হুছেইন

শ্রীৰফিকুল ইছলাম

শ্রীমনোৰাৰ হুছেইন

শ্রীশ্বখ শ্বাহ আলম

শ্রীমজিবুৰ ৰহমান

শ্রীমইন উদ্দিন আহমেদ

শ্রীগোপী নাথ দাস

শ্রীস্বপন কৰ

শ্রীআমিনুল ইছলাম

২। শ্রীযাদৱ চন্দ্র ডেকা

শ্রীমনোৰঞ্জন দাস

শ্রীদিলীপ মৰাণ

শ্রীৰঞ্জিত কুমাৰ দাস

শ্রীপ্রশান্ত ফুকন

৩। শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম

শ্রীচন্দন ব্রহ্ম

শ্রীৰিহন দৈমা

শ্রীকমল সিং নার্জাৰী

শ্রীমতী কমলী বসুমতাৰী

শ্রীবানেন্দ্র মুছাহাৰী

শ্রীমনেশ্বৰ ব্রহ্ম

শ্রীৰাখেশ্বৰ ব্রহ্ম

শ্রীইমানুৱেল মুছাহাৰী
শ্রীপ্রদীপ কুমাৰ ব্রহ্ম
৪। শ্রীফণী ভূষণ চৌধুৰী
শ্রীপ্রফুল্ল কুমাৰ মহন্ত
শ্রীকেশৱ মহন্ত
শ্রীভূপেন ৰয়
শ্রীউৎপল দত্ত
শ্রীপ্রবীণ হাজৰিকা
শ্রীপদ্ম হাজৰিকা
শ্রীমুকুন্দ ৰাম চৌধুৰী
শ্রীনৱ কুমাৰ দলে

মই এতিয়া কর্তন প্রস্তাৱৰ প্রস্তাৱক সকলক তেখেতসকলৰ কর্তন প্রস্তাৱসমূহ এটাৰ পিছত এটাকৈ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

১। শ্রীহাফিজ ৰহিৰ আহমেদ
শ্রীআব্দুৰ ৰহিম খান
শ্রীআব্দুৰ ৰেহমান আজমল
শ্রীমতী গুল আখতাৰা বেগম
শ্রীআবুল কালাম আজাদ
শ্রীজাহান উদ্দিন
শ্রীআলী হুছেইন
শ্রীৰফিকুল ইছলাম
শ্রীমনোৱাৰ হুছেইন
শ্রীশ্বেখ শ্বাহ আলম

য়ে প্রস্তাৱ কৰিব যে ঃ

শ্রীমজিবুৰ ৰহমান
শ্রীমইন উদ্দিন আহমেদ
শ্রীগোপীনাথ দাস
শ্রীস্বপন কৰ
শ্রীআমিনুল ইছলাম

"২০১৪-১৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ১০৪-১১১ পৃষ্ঠাত থকা "পানী যোগান আৰু অনাময়" শিতানৰ ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১৫৮৪৩৫.৭০ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক, অর্থাৎ মঞ্জুৰীৰ ১৫৮৪৩৫.৭০ লাখ টকা, এটকালৈ হ্রাস হওঁক।"

২। শ্রীযাদৰ চন্দ্র ডেকা
শ্রীমনোৰঞ্জন দাস
শ্রীদিলীপ মৰাণ
শ্রীৰঞ্জিত কুমাৰ দাস
শ্রীপ্রশান্ত কুমাৰ ফুকন

য়ে প্রস্তাৱ কৰিব যে ঃ

"২০১৪-১৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ১০৪-১১১ পৃষ্ঠাত থকা "পানী যোগান আৰু অনাময়" শিতানৰ ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১৫৮৪৩৫.৭০ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক, অর্থাৎ মঞ্জুৰীৰ ১৫৮৪৩৫.৭০ লাখ টকা, এটকালৈ হ্রাস হওঁক।"

৩। শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম
শ্রীচন্দন ব্রহ্ম
শ্রীৰিহন দৈমাৰী
শ্রীকমল সিং নার্জাৰী
শ্রীমতী কমলী বসুমতাৰী
শ্রীবানেন্দ্র মুছাহাৰী

য়ে প্রস্তাৱ কৰিব

শ্রীমনেশ্বৰ ব্ৰহ্ম
শ্রীমাজেন্দ্র নার্জাৰী
শ্রীৰাখেশ্বৰ ব্ৰহ্ম
শ্রীইমানুৱেল মুছাহাৰী
শ্রীপ্রদীপ ব্ৰহ্ম

"২০১৪-১৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ১০৪-১১১ পৃষ্ঠাত থকা "পানী যোগান আৰু অনাময়" শিতানৰ ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১৫৮৪৩৫.৭০ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক, অর্থাৎ মঞ্জুৰীৰ ১৫৮৪৩৫.৭০ লাখ টকা, এটকালৈ হ্রাস হওঁক।"

৪। শ্রীফণী ভূষণ চৌধুৰী
শ্রীপ্রফুল্ল কুমাৰ মহন্ত
শ্রীকেশৱ মহন্ত
শ্রীভূপেন ৰায়
শ্রীউৎপল দত্ত
শ্রীপ্রবীণ হাজৰিকা
শ্রীপদ্ম হাজৰিকা
শ্রীমুকুন্দ ৰাম চৌধুৰী
শ্রীনৱ কুমাৰ দলে

য়ে প্রস্তাৱ কৰিব যে ঃ

"২০১৪-১৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ১০৪-১১১ পৃষ্ঠাত থকা "পানী যোগান আৰু অনাময়" শিতানৰ ৩০ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবী ১৫৮৪৩৫.৭০ লাখ টকা এটকালৈ হ্রাস কৰা হওঁক, অর্থাৎ মঞ্জুৰীৰ ১৫৮৪৩৫.৭০ লাখ টকা, এটকালৈ হ্রাস হওঁক।"

মাননীয় অধ্যক্ষ ঃ মই এতিয়া আপোনালোকক কর্তন প্রস্তাৱসমূহৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

প্ৰথমতে মাননীয় সদস্য শ্ৰীমইন উদ্দিন আহমেদ ডাঙৰীয়াই ৩০ নম্বৰ মঞ্জুৰীৰ ওপৰত বক্তব্য ৰাখিব।

* **শ্ৰীমইন উদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা কালি কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত পানী যোগান আৰু অনাময় আঁচনিৰ ক্ষেত্ৰত কৰা আলোচনা অসম্পূৰ্ণ হৈ থকাত আজি সেই আলোচনা সম্পূৰ্ণ কৰাৰ কাৰণে সুবিধা দিয়াত মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই যোৱা কালি কৈছিলো— পানীৰ আন এটা নাম জীৱন। এই পৱিত্ৰ বিধানসভাত ১২৬ জন সদস্য আছে। আমি ৩ কোটি ২৬ লাখ মানুহক প্ৰতিনিধিত্ব কৰিছো। আমি বিধায়ক হিচাপে নিজৰ স্বাৰ্থত কথা নকওঁ। আমি ৰাইজৰ উন্নতিৰ কাৰণেহে সদনত বক্তব্য ৰাখি আহিছো। এজন বিধায়কে এক লাখ পঞ্চাশ হাজাৰৰ পৰা দুই লাখ পঞ্চাশ হাজাৰমান লোকক প্ৰতিনিধিত্ব কৰে। আমি বিৰোধী দলৰ বিধায়কসকলে যিবিলাক কথা কওঁ সেই কথাবিলাকৰ কোনো গুৰুত্ব নাথাকে। সেই কথা মই যোৱা কালিও কৈছো। অলপ আগতে প্ৰশ্নোত্তৰ কালত মাননীয় সদস্যা শ্ৰীমতী গুল আখটাৰা বেগম আৰু মাননীয় সদস্য জয়ন্ত মল্ল বৰুৱাৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে ধেমালি কৰি কৈছে যেআপোনালোকে মোৰ চেম্বাৰলৈ আহিলে মই সহানুভূতি দেখুৱাম। আমি জনসাধাৰণৰ স্বাৰ্থতহে কথা কওঁ। ইয়াত এনেকুৱা অশুভ পৰম্পৰা চলি আছে। এনেকুৱাধৰণৰ পৰম্পৰা দূৰ কৰিব লাগে। মই আজি আকৌ পানী যোগান আৰু অনায়ম আঁচনিৰ ক্ষেত্ৰত আলোচনা কৰিবলৈ লৈছো।

* **শ্ৰীপদ্ম হাজৰিকা ঃ** আপুনি কৈয়ে আছে বিভাগীয় মন্ত্ৰী গৰাকী সদনত উপস্থিত নাই। সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী গৰাকীও সদনত উপস্থিত নাই।

* **শ্ৰীফণী ভূষণ চৌধুৰী ঃ** ছাৰ, সদনৰ মৰ্যাদা কোনে ৰক্ষা কৰিছে।

---

* Speech not corrected

* **শ্রীৰকিবুল হুছেইন (পঞ্চায়ত আৰু গ্রমোন্নয়ন মন্ত্রী) ঃ** ছাৰ আমি লিপিবদ্ধ কৰিছো।

মাননীয় অধ্যক্ষ ঃ আজিৰ কার্য্যসূচীৰ ওপৰতহে আলোচনা হ'ব।

* **শ্রীফণী ভূষণ চৌধুৰী ঃ** ছাৰ, মন্ত্রী উপস্থিত নথকাৰ কাৰণে বিধানসভা স্থগিত ৰখাৰ নিচিনা হৈছে।

* **শ্রীৰকিবুৰ হুছেইন (পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী) ঃ** ছাৰ, আমাক দায়িত্ব দি গৈছে। আপোনালোকে ৰিপ্লাই পাৰ।

(সদনত একেলগে কেইবাজনো মাননীয় সদস্যই ক'বলৈ থিয় হোৱাত সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ ঃ আপোনাৰ বিভাগ চলি আছে। আপুনি উপস্থিত থকাতো ভাল। এইটো ভাল নহয়।

* **শ্রীগৌতম ৰয় (জন স্বাস্থ্য কাৰিকৰী বিভাগ) ঃ** ছাৰ, মই পানী খাই আহিছো।

শ্রীমইন উদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, পানী যোগান আৰু অনায়ম আঁচনি এইটো বিভাগ অতি গুৰুত্বপূর্ণ বিভাগ। এই বিভাগটোৰ বিষয়ে মই কিছু কথা আলোচনা কৰিব বিচাৰিছো। মই ইতিমধ্যে কৈছো যে বিভাগটো আজিৰ দিনত যিটো ছিষ্টেমত চলি আছে তাত বহুত আসোৱাহ আছে। মই এই আসোৱাহখিনি উনুকিয়াব বিচাৰিছো। ছাৰ মোৰ নিজৰে বিভাগ আজিৰ দিনত যিখিনি কাম কৰিছে সেই কামখিনিৰ কি কি প্রব্লেম আছে আৰু তাক কেনেকৈ নতুনকৈ কৰিব পাৰিম তাকে মই চৰকাৰ আৰু বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ছাৰ – The Drawback of System are :-

1) Piecemeal menner of allotment of the work.
2) No caretakes of a scheme.
3) Payment System of the consumers.
4) User Committee enactive.

---

* Speech not corrected

5) Land acquisition Problem.

এই ৫টা প্ৰব্লেম আমি অনুভৱ কৰিছো। ছাৰ মই কৈছো স্কীম আহে প্ৰত্যেক বছৰে কিন্তু পানী নাহে। মাননীয় সভাপতি মহোদয়, মই গোটেই প্ৰব্লেমটোৰ কথা কৈছো ছাৰ এইটো বিভাগত যিটো চালে আছে ইয়াত আচৰিত ধৰণৰ স্কীম আছে আৰু আচৰিত ধৰণে চলি আছে। ইয়াত মাত্ৰ ৫০-৬০ লাখ টকাৰ স্কীমৰ কাম কিমান ভাগ হয় ঠিক নাই। এইটো আচৰিত ধৰণৰ ছিষ্টেম। কিন্তু পি, ডব্লিউ, ডি বা অন্য ডিপার্টমেণ্টৰ এনে ছিষ্টেম নাই। এডিচনেল চিফ ইঞ্জিনীয়াৰে গোটেই অসমৰ কাম চায় কাৰিকৰী বিবাগৰ মন্ত্ৰী মহোদয়ে ক'ব পাৰে যে ইয়াত বিভিন্ন ধৰণৰ কাম আছে। বিভিন্ন ধৰণৰ কাম পি ডব্লিউ ডিত আছে। তাত মাটিৰ কাম, পথাৰৰ কাম আৰু ব্লাবৰ কাম আছে এই কাম এজন ঠিকাদাৰে কৰিব পাৰ ৫০ লাখ টকাৰ কাম এজন ঠিকাদাৰে কিয় কৰিব নোৱাৰে। ইয়াত দুৰ্নীতি হৈছে। পিচমিল মেনাৰত ১০/১২ জন ঠিকাদাৰক কাম দিয়া হয় সেই কাৰণে কোনোবাই কৈছে স্কীম আৰম্ভ কৰা হৈছে, কোনোবাই টেংকাৰ কাম আৰম্ভ কৰা নাই ঘৰৰ কামহে কৰা হৈছে, কোনোবাই কৈছে মাটিৰি কাম হোৱা নাই। এনেদৰে এটা স্কীমৰ কাম সম্পূৰ্ণ হওঁতে ৪-৫ বছৰ লাগে। সেই কাৰণে পিচমিল মেনাৰত কাম কৰিব নালাগে। এইটো বিভাগত অলপহে মাটি লাগে বিভাগে কিন্তু টকা ধাৰ্য্য নকৰে। মাটি পোতোতে ৬ মাহ লাগে। বিভাগীয় গাফিলতিৰ কাৰণে ৬ মাহ পিছত ৩ টা স্কীম ছেংচন হৈছে। আমাৰ সমষ্টিত একেবাৰে কৰিব পৰা নাই ইয়াত মাটি নাই। গতিকে মই এই ক্ষেত্ৰত চৰকাৰক যোৱা কালি কৈছো যাতে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অলপ নজৰ ৰাখক। মই মই অলপ দিনৰ আগতে ডি আৰ এছ চি মিটিঙত প্ৰস্তাৱ কৰিছিলো যাতে পিচমিল মেনাৰত কাম নকৰে। লেণ্ড ৰিকুইজিচনৰ কাৰণে অলপ অলপ টকা ধাৰ্য্য কৰিব পৰা যায়। আমাৰ পানী যোগান আঁচনিত মোচ চলাবৰ কাৰণে কেয়াৰটেকাৰ লাগে। তাত

কেয়াৰটেকাৰ নাই এইটো এটা আচৰিত ঘটনা। আপুনি যদি স্কৰপিঅ' গাড়ী এখন কিনি চোতালত পেলাই থৈ অটো ভাৰা কৰি জালুকবাৰীলৈ যাবলগা হয় তেতিয়া হ'লে গাড়ী কিনাৰ অৰ্থই নাথাকিব। কাৰণ গাড়ী চলাবৰ কাৰণে ড্রাইভাৰ নাই। ঠিক সেইদৰে কেয়াৰটেকাৰ নহ'লে মেচিন নচলে আৰু পানীও নাপায়। এজন গ্রেড ফৰৰ মানুহে অকলে বহুত এৰিয়া চাব লাগে, এনেও ডিউটি নকৰে গ্রেড ফ'ৰ ষ্টাফে সেই কাৰণে দুই-তিনি মাহৰ পাচত বন্ধ হৈ যায়। এই বিলাক চোৱা-চিতা কৰিবৰ কাৰণে হাজাৰ হাজাৰ লাখ-লাখ এপইণ্টমেণ্ট দিয়া হৈছে। কিন্তু গ্রেড ফৰত কিয় দিব পৰা নাই। এতিয়া সোনকালে এই আঁচনি সাফল্যমণ্ডিত কৰিবৰ কাৰণে কেয়াৰটেকাৰৰ নিযুক্তি দিলে অলপ হ'লেও এইটো সমাধান হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কনজুমাৰসকলে পানী পাবলৈ হ'লে পইচা দিব লাগে। মই যোৱাকালিও কৈছো যে সমাজ কল্যাণ বিভাগে কোটি কোটি টকা দি আছে। মেডিকেল ডিপার্টমেণ্টে কোটি কোটি টকা খৰচ কৰি কিমান ফ্রি দি আছে। কিন্তু আমাৰ পানী যোগান বিভাগে কিয় পইচা ল'বা লাগে। চৰকাৰে কিয় ব্যৱস্থা কৰিব নোৱাৰে। মই ভাবো এই ছিষ্টেমৰ কাৰণে কনজুমাৰে আজি হাইচ কানেকচন লোৱা নাই।

আজি আমাৰ পাৱাৰ ডিপার্টমেণ্টৰ মাননীয় মন্ত্রী মহোদয় উপস্থিত নাই। আমাৰ বৰদলৈ চাহাবক আন্ধাৰৰ ৰঝা বুলি কোৱা হয়। পাৱাৰ ছাপ্লাইৰ অভাৱ আমাৰ অসমত আছে। কোটি কোটি টকা খৰচ কৰি স্কিমবিলাক বনোৱা হয় কিন্তু পাৱাৰ ছাপ্লাইৰ অভাৱৰ কাৰণে স্কিমবিলাক অকামিলা হৈ পৰি থাকে। আজি মেডিকেল ডিপার্টমেণ্টৰ পাৱাৰ ছাপ্লাইত বিজুতি ঘটিলে মটৰ বা জেনেৰেটৰ দি চলায়। সেইটো

তেওঁলোকৰ নিজা খৰচ। এই পানী যোগান আঁচনিবিলাকত কিয় অলটাৰ ব্যৱস্থা নাই। আমাৰ গাঁও অঞ্চলত যিহেতু বেচিভাগ সময় কাৰেণ্ট নাথাকে, গতিকে পানী যোগান ধৰিবলৈ হ'লে কাৰেণ্ট অহালৈ বৈ থাকিব লাগে। কাৰেণ্ট আহিলে আকৌ পাম্প চলোৱা মানুহজন নাথাকে। গতিকে ছাৰ মই ছাজেচন দিব খুজিছো যে প্ৰত্যেকটো স্কিমতে অলটাৰ ব্যৱস্থা থাকিব লাগে যাতে পাৱাৰ ছাপ্লাইৰ এই ছিষ্টেমৰ কাৰণে স্কিমবোৰ বন্ধ হৈ থাকিব নালাগে। এই কথাখিনি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগত ধুবুৰী জিলাত ইউজাৰ কমিটী মিটিং কৰিছো। তেখেত বহুত একটিভ মানুহ। তেখেতৰ লগত কাম কৰি ভাল লাগে। তেখেতৰ কাম কৰাৰ ইচ্ছা আছে। কিন্তু ফাণ্ডৰ অবাৱত কৰিব পৰা নাই। আমি যোৰহাটত দেখিছো বহু ডাঙৰ ডাঙৰ স্কিম আছে। তাত ইউজাৰ কমিটীয়ে ধুনীয়াকৈ মেনেজ কৰিছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যে প্ৰত্যেকটো স্কিমতে ইউজাৰ কমিটী গঠন কৰি দি পানী যোগানৰ সুব্যৱস্থা কৰি দিয়ে যেন। পানীৰ আন এটা নাম হ'ল জীৱন। জীৱনৰ লগত পানীৰ অভূতপূৰ্ণ সম্পৰ্ক আছে। পানীয়ে জীৱন ধ্বংস কৰে। পানী যোগান ধৰোতে পানী টেষ্ট কৰাটো বিবাগৰ দায়িত্ব। পানী খাই পঙ্গু হোৱা মানুহবোৰ লাষ্টগেটলৈ আহিছিল। আমি বহুবাৰ টিভিত দেখিছো। ছাৰ দেখিলে চকু পানী ওলাই। তেওঁলোক কি পাপ কৰিছে যে তেওঁলোকৰ আজি এনেকুৱা অৱস্থা। নগাঁৱৰ জমুনামুখ, আকাশীগংগা আদি অঞ্চলৰ মানুহৰ এইটো জেনেৰেচনতো ধ্বংস হৈছেই, ১০-১২ টা জেনেৰেচলৈকে ধ্বংস হ'ব।

(Mr. Speaker vacated the Chair and Mr. Chairman Shri Bhupen Bora occupied it)

মাননীয় সভাপতি মহোদয়, এই সমস্যাটো বহু পুৰণি সমস্যা। আজি আমি ইয়ালৈ আহিছো কেৱল ৰাইজৰ কাৰণে। গতিকে আমি সেই ৰাইজৰ দুখ-দুৰ্দশাৰ কথা চিন্তা কৰিব লাগিব। আমি কিয় তেওঁলোকৰ কাৰণে চিন্তা কৰা নাই। আমি কিয় তেওঁলোকৰ লগত সহমৰ্মিতা প্ৰকাশ কৰিব পৰা নাই। ইয়াৰোপৰি আমি কিয় তেওঁলোকক এই সমস্যাটোৰ পৰা উদ্ধাৰৰ বাবে বিকল্প ব্যৱস্থা ল'ব পৰা নাই। আজি আমি দেখিছো যে এই বিভাগে খোৱাপানী যোগানৰ বাবে লাখ লাখ টকা খৰচ কৰি আছে। অথচ আজিলৈকে এই অঞ্চলত কিয় এখন বিকল্প আঁচনি চৰকাৰে গ্ৰহণ কৰিব পৰা নাই। গতিকে এই সমস্যাটোৰ এটা ইমিডিয়েট চলুচন লাগে। এই অঞ্চলৰ সমস্যাটো এটা বিকল্প পদ্ধতিৰে সমাধান কৰিব পাৰি বুলি আমি বাতৰি কাকত আৰু মই নিজেও কিতাপ পঢ়ি গম পাইছো। কিন্তু আমি দেখিছো যে ইয়াৰ বাবে চৰকাৰৰ ইচ্ছা নাই। এই মানুহবিলাকৰ পুনৰ সংস্থাপন নোহোৱাৰ বাবে আমি সেই পৰিয়ালসমূহ ধ্বংস হৈ গৈছে। ল'ৰা-ছোৱালীৰ বিয়া বাৰু নোহোৱা হৈছে। গতিকে চৰকাৰে অতি সোনকালে এই অঞ্চলৰ বাবে বিকল্প পানী যোগান আঁচনি গ্ৰহণ কৰিব লাগে, য'ত ফ্লৰাইড বা আৰ্চেনিক আদি নাথাকে।

মাননীয় সভাপতি মহোদয়, এইবাৰ মই এই বিভাগৰ অনাময় আঁচনিৰ বিষয়ে দুষাৰমান ক'ব বিচাৰিছো। এই অনাময় আঁচনিখন হৈছে এখন ঘোটালা আঁচনি। ঘোটাল শব্দটো এই বিধানসভাত কোৱাটো অলপ দিকদাৰি হৈছে। আমি বিধানসভাত কোনো ব্যক্তিগত কথা নকওঁ। আমি ই কথাখিনি কৈছো কেৱল ৰাইজৰ কাৰণেহে।

* শ্রীনীলমণি সেন ডেকা (মন্ত্রী) ঃ মাননীয় সভাপতি মহোদয়, মই এই পৱিত্র সদনক জনাব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্রী মহোদয়ে প্রিয়া বসুমতাৰীৰ হত্যাকাণ্ড সন্দর্ভত এই ন্যায়িক তদন্ত ঘোষণা কৰিছে।

* শ্রীমইনুদ্দিন আহমেদ ঃ সভাপতি মহোদয়, মই চমু কৰিব বিচাৰিছো। এই অনায়ম আঁচনিৰ কাম এন জি অ' বিলাকক দিয়া হয়। মোৰ সমষ্টিৰ পঞ্চায়তত তদন্ত কৰি গম পাইছো যে এই এন জি অ' বিলাকে কোনো কাম নকৰাকৈ পইচা উঠাই লৈ গৈছে। এইটো আজি গোটেই অসমতে চলি আছে। এই বিষয়ে আমি যেতিয়া মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰিছিলো তেতিয়া তেখেতে কৈছিল যে চেন্ট্রেল গাইড লাইন অনুসৰি এই কামবোৰ এন জি অ'ক দিব লাগে। এই কামবোৰ চোৱা-চিতাৰ বাবে আপোনাৰ বিভাগৰো দায়িত্ব আছে। এই দায়িত্ব আপুনি কিয় পালন কৰা নাই? কাম নকৰাকৈ পইচা উঠাই লৈ যায়। এই লেট্রিনৰ বাবে অলপ পইচা হ'ব পাৰে, কিন্তু হাজাৰ হাজাৰ লেট্রিন নবনোৱাকৈ এন জি অ' বিলাকে পইচাবিলাক উঠাই লৈ গৈ আছে। গতিকে আপুনি এই বিষয়ে এটা তদন্ত দিয়াৰ ব্যৱস্থা কৰক। মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আপুনি ব্লক লেভেলত স্থানীয় বিধায়কক চেয়াৰমেন হিচাপে লৈ এখন ভিজিলেন্স এণ্ড মণিটৰিং কমিটী গঠন কৰি দিব লাগে। যাতে এই কমিটীয়ে যিবিলাক ঠাইত এনে খেলিমেলি হৈছে সেইবোৰ মণিটৰ কৰিব পাৰে।

সভাপতি মহোদয়, এই বিষয় আলোচনা কৰিবলৈ বহুত আছিল যদিও সময়ৰ অভাৱৰ বাবে মই চমু কৰিবলৈ ওলাইছো। গতিকে আজি যিবিলাক কথা ইয়াত আলোচনা হ'ল এই আলোচনাবিলাক আমাৰ ব্যক্তিগত স্বার্থত আলোচনা কৰা নাই।

* Speech not corrected

এই কথাবিলাক আজি ৰাইজৰ স্বার্থত আলোচনা কৰা হৈছে। গতিকে মই আশা ৰাখিছো যে মাননীয় মন্ত্রী মহোদয়ে আমি বিৰোধী আসনত থকা হেতুকে এই কথাবোৰ কোৱা বুলি নাভাবি ৰাইজৰ স্বার্থত এই কথাবোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ বাবে মই অনুৰোধ জনালো। আমি এই পৱিত্র সদনত ৰাইজৰ স্বার্থত বিভিন্ন নীতি-নিয়ম নির্ধাৰণ কৰো। গতিকে ৰাইজৰ স্বার্থত এই বিষয়বোৰ গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় সভাপতি মহোদয়, মই মাননীয় বিধায়কসকলক অনুৰোধ কৰিব বিচাৰিছো যে এজন এম এল এ কোৱা কথাবোৰ যাতে অইন এজন এম এল এ ৰিপিট নকৰে। কাৰণ মই পইণ্টবিলাক লিখি ৰাখিছো।

* **শ্রীকেশৰ মহন্ত ঃ** সভাপতি মহোদয়, মন্ত্রী মহোদয়ে ভাল কথাই কৈছে। সভাপতি মহোদয়, আমি দেখিছো যে আমি ইয়াত যিবোৰ কথা কওঁ সেইবিলাকৰ উত্তৰ মন্ত্রীসকলে নিদিয়ে। তেওঁলোকে নিজে যিবোৰ পইমট লিখি আনে সেইবিলাকৰহে উত্তৰ দিয়ে। তেওঁলোকে নিজৰ বিভাগৰ জয় জয় ময় ময় যি গুণ গায় গাই তাকক, তাত আমাৰ আপত্তি নাই। কিন্তু আমি কোৱা কথাবোৰৰ উত্তৰ দিব লাগে। এই বিভাগটোৰ জনস্বাস্থ্য কাৰিকৰী ৱিভাগ বুলি কিয় কোৱা হয়। কাৰণ ইয়াৰ লগত প্রতিজন মানুহ সুস্বাস্থ্যৰ বাবে বিশুদ্ধ খোৱাপানী আৰু অনাময় ব্যৱস্থাটো জড়িত হৈ আছে। আজি আমি দেখিছো যে বিভিন্ন বিভাগত বিনামূলীয়া আঁচনি লোৱা হৈছে। ফুড ছিকিউৰিটি, ৩ টকীয়া চাউল, বিনামূলীয়া আঠুৰা, বাইদেউ, ভিনদেউ আদি কৰি বিভিন্ন বিনামূলীয়া আঁচনি লোৱা হৈছে। কিন্তু বিশুদ্ধ খোৱাপানীৰ বাবে

* Speech not corrected

চৰকাৰে কিয় বিনামূলীয়া আঁচনি ল'ব নোৱাৰে। বিশুদ্ধ খোৱা পানীৰ অভাৱত আজি মানুহে নদীৰ পানী খাবলগীয়া হৈছে। মানুহৰ পইচা নথকাৰ বাবে দমকল, কুৱা খান্দিলেও ২০ ফুটতকৈ বেছি তললৈ যাব নোৱাৰে। যাৰ বাবে আজি মানুহে আইৰণযুক্ত পানী খাবলগীয়া হৈছে। গতিকে বিশুদ্ধ খোৱাপানী বিনামূলীয়াকৈ দিয়াৰ বাবে চৰকাৰে লক্ষ্য স্থিৰ কৰিব লাগে।

মাননীয় সভাপতি মহোদয়, জনস্বাস্থ্য কাৰিকৰী বিভাগত হেবিটেচন ঠিক কৰিছে ৮৭ হাজাৰ ৭৮৮ টা। ইয়াত দিয়া তথ্য মতে ৪৭ হাজাৰ ৭৮৮ টা সেইটো আংশিক ৪২ হাজাৰ ২৭৬ টা হেবিটেচনত আপোনালোকে এশ শতাংশ পানী দিছে। ইয়াৰ ভিতৰত কোৱালিটি আছে, পার্চিয়েল আছে। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো কেতিয়াকৈ আপোনালোকে এই হেবিটেচন বিলাকত বিশুদ্ধ খোৱাপানী যোগান ধৰিব পাৰিব? তাৰ কাৰণে আপোনালোকৰ কিবা পৰিকল্পনা আছে নেকি, টকা ক'ৰ পৰা পাব? এই গোটেইখিনি কথা আজি মন্ত্ৰী মহোদয়ে স্পষ্ট কৰিব লাগে। ইয়াৰ উপৰি সভাপতি মহোদয়ে, আমাৰ ফলৰাইড হেবিটেচন আছে -১০ টা। আৰ্চেনিক হেবিটেচন আছে ৫০১ টা আৰু আইৰণযুক্ত হেবিটেচন আছে ১২ হাজাৰ ৩৩৮ টা। এইখিনি কেনেকৈ পিউৰিফাই হ'ব। যোৱাকালি আমাৰ মাননীয় সদস্যা শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম বাইদেউৱে ফ্লৰাইডযুক্ত পানী খাই কেনেকৈ মানুহ পংগু হৈছে, সেই বিষয়ে কৈছিল। তাৰ উত্তৰত আমাৰ সমাজ কল্যাণ মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে পংগু হৈ যোৱাৰ পিছত সেই মানুহখিনিৰ দায়িত্ব আমাৰ। সেইটো অৱস্থা নহ'বৰ বাবে আপোনাৰ বিভাগে কি ব্যৱস্থা ল'ব। এতিয়া এই ফ্লৰাইড থকা ঠাইবিলাকত ৰাইজে যি সমস্যাত ভুগি

আছে, সেই সমস্যা কেনেকৈ সমাধান কৰিব। আপোনালোকৰ যোৱা বছৰৰ বাজেটত আমি দেখিছো, কেন্দ্ৰীয় চৰকাৰে ৫৯৭ কোটি ৯৫ লাখ কা মোকলাই দিছে। ইয়াৰ যিটো ৰেচিও অসম চৰকাৰে দিব লাগে ১৮৬ কোটি ১১ লাখ টকা। কিন্তু অসম চৰকাৰে বহুত কমকৈ মোকলাই দিলে। কেন্দ্ৰীয় চৰকাৰে যিটো ছেংচন কৰিছিল তাৰ ৰেডিও দিব নোৱাৰাৰ কাৰণে আমাৰ টকা বহুত কম পালে। সেইখিনিৰে আমি কাম কমকৈ কৰিবলগা হৈছে বা পৰিকল্পনা মতে কাম কৰিব পৰা নাই। মাননীয় সভাপতি মহোদয়, মই এই বিধানসভাত বিত্ত বিভাগকো অনুৰোধ জনাব খোজো যে এইটো এশ শতাংশ দিলে কাম কৰাত সুবিধা হ'ব। আমাৰ কিছুমান আঁচনিত ৩৫ শতাংশলৈকে দিয়াৰ ব্যৱস্থা আছে। আৰু এটা কথা মই ক'বলৈ ওলাইছো, যে আমি দেখিছো জনস্বাস্থ্য কাৰিখৰী বিভাগত ১৯৯৩ চনৰে পৰা অপাৰেটৰৰ কোনো নিযুক্তি হোৱা নাই। মাষ্টাৰ ৰোল আৰু ৱৰ্ক চার্জৰ ক্ষেত্ৰতো নিযুক্তি হোৱা নাই। বিভাগৰ আঁচনিবিলাক চলাবলৈ মানুহ নাই। এটা স্কিমতে ৩, ৪ জন মানুহ দিয়া হৈছে। ইউজার্চ কমিটী কৰি মানুহক দায়িত্ব দিয়া হৈছে। এনেকৈ স্কিমবোৰ চলোৱাৰ বাবে সঘনাই এইবোৰ বেয়া হৈ থাকে। অভিভাৱকহীন পৰিয়ালৰ নিচিনা এই স্কিমবোৰৰো অৱস্থা হৈছে। ঠিক তেনেকৈ আমি দেখিছো যোৱাবাৰ ৪৪ কোটি ১৬ লাখ টকা আঁচনিবোৰৰ মেৰামতিৰ কাৰণে অনা হৈছিল। বিকল হৈ থকা আঁচনিবোৰৰ বাবে ৪৪ কোটি ১৬ লাখ টকা ধার্য্য কৰা হৈছিল। ২০১৩-১৪ বৰ্ষত মোকলাই দিছে মাত্ৰ ৬ কোটি। এই ক্ষেত্ৰত বাজেটত টকাটো বেছিকৈ ধৰিব লাগে। এনেকৈ আঁচনিবোৰ বিকল হৈ থাকিলে খৰচো বাঢ়ি যাব আৰু ৰাইজো উপকৃত নহ'ব। গতিকে এই কথাটোত

আপোনালোকে গুৰুত্ব দিব। বুলি মই আশা কৰিলো। সভাপতি মহোদয়, ইয়াত দেখিছো যোৱা বছৰ ৯ হাজাৰ ৭৩ খন আঁচনিৰ ভিতৰত ছেংচন হৈছে ৬ হাজাৰ ৫৮২ খন আঁচনি। কার্য্যক্ষম হৈ আছে ১ হাজাৰ ৮১০ খন অনগয়িং আৰু ৬৮১ খন বিকল হৈ আছে।

মাননীয় সভাপতি মহোদয়, ৬৮১ টা আঁচনি বিকল হৈ আছে। যিখিনি তথ্য দাঙি ধৰা হৈছে তাৰ পৰা খোৱাপানী যোগানৰ প্রতিচ্ছবিত ওলাইছে কিমান মানুহ আচলতে ইয়াৰ পৰা উপকৃত হৈছে। ৮৭৮৮৮ টার্গেট হিজিটেচনৰ ছৰি প্রকৃততে বিশুদ্ধ খোৱাপানী ক্ষেত্রত কিমান গুৰুত্ব দিয়া হৈছে। আগতে পাঁচ/দাহ লাখ টকাতে আঁচনিসমূহ মেৰামতি কৰিব পৰা গৈছিল। কিন্তু এতিয়া নতুন আঁচনিৰ বাবে ৫০, ৬০ লাখ টকাৰ দৰকাৰ হয়। মন্ত্রী মহোদয়, এই ক্ষেত্রত গুৰুত্ব দিব লাগে। মই এতিয়া ট্রিটমেণ্ট প্লেণ্টৰ কথালৈ আহিছো। অসমত প্রায় ট্রিটমেণ্ট প্লেণ্ট নায়েই। মানুহৰ প্রায়েই চর্চৰ পৰা ডাইৰেক্ট পানী যোগান ধৰা হয়। সেই পানীকেই মানুহে খায়। কেতিয়াবা টেবলেট দি দিছে। পানীতো পিউৰিফাই কৰা নহয়। বিশুদ্ধ পানী বুলি সেই পানীকেই যোগান ধৰা হয়। আমি দেখিছো পাহাৰততো জুৰি আদিৰ পৰা পাইপ লগাই ডাইৰেক্ট পানী যোগান ধৰা হৈছে। সেই পানীকেই মানুহে খাইছে। ফ্লৰাইড, আর্চেনিক আৰু আইৰণ মুক্ত কৰি ট্রিটমেণ্ট কৰি বিশুদ্ধ খোৱা পানী যোগান ধৰা হোৱা নাই। এতিয়া যদি আমি চাও প্রজেক্ট পার্ফৰমেন্স এচিফমেণ্টত যোৱাকালি ২৫ তাৰিখে ৩০ খন ৰাজ্যৰ যিটো দাতা ওলাইছে তাত আমাৰ ৰাজ্যখন ১৭ নম্বৰত আছে। মিজোৰাম ৯০%, তামিলনাড়ু ৯০% আৰু ত্রিপুৰা ১০০%। অল ইণ্ডিয়া এভাৰেজতকৈও

আমাৰ কম। চাৰিখন ৰাজ্য গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ আৰু ত্ৰিপুৰা ১০০% আছে। আমাৰ এচিফমেণ্ট ১৭ নম্বৰত। গতিকে আমাৰ ৰাজ্যৰ পাৰ্ফমেন্স অতি বেয়া। ফ্লৰাইড, আৰ্চেনিক আৰু আইৰণ মুক্ত পানী যোগান ধৰি আমি আগবাঢ়ি যাব লাগিব। চেনটেচেনৰ ক্ষেত্ৰতো আমি পিছপৰি আছো। স্কুল অংগনবাদি কেন্দ্ৰসমূহত যিবোৰ টয়লেট আছে সেইবোৰো পৰ্য্যাপ্ত নহয়। তথ্য মতে আমাৰ ৰাজ্যখন আগবাঢ়ি যোৱা নাই পিছ পৰিহে আছে। এই কথাটো টপ পায়ৰিটি দিব লাগিব। আগতে কেন্দ্ৰ ৰাজ্যৰ চেয়াৰ আছিল খোৱাপানীৰ ক্ষেত্ৰত ৯/১০। এতিয়া হল ৩০/৭০। গতিকে ৰাজ্য চৰকাৰে নিজৰ চেয়াৰটো সোনকালে এৰি দিব লাগে যাতে কেন্দ্ৰীয় চৰকাৰে আঁচনিৰ ধন সোনকালে মোকলাই দিয়ে যাতে তাৰ পৰা ৰাইজ উপকৃত হ'ব। আগতে চেনটিচন আছিল এতিয়া নিৰ্মল ভাৰত অভিযান আঁচনি আহিল। আগতে ৩০০ টকা দিলে ১২০০ টকাৰ এটা টয়লেট বনাই দিছিল। এতিয়া ৬০০ টকা দিলে ৬০০০ টকাৰ এটা টয়লেট বনাই দিয়ে। আগতে মানুহে আইওৱাই ঘৰৰ লগতে ৩০০ টকা দি টয়লেট বনাই লৈছিল। এই ক্ষেত্ৰত বিৰোধী, শাসকীয় প্ৰায় বিধায়কেই ব্যক্তিগতভাৱে তেওঁলোকক কামতো হোৱাত সহায় কৰিছিল। কিন্তু এতিয়া ৯০০ টকা হোৱাত এতিয়া বিধায়ক সকলেৰো কামতো অনাত অসুবিধা হৈছে। ৯০০ টকা দিয়াটো এজন হাজিৰা কৰা লোকৰ বাবে অসম্ভৱ কথা। নিৰ্মল ভাৰত অভিযানৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ভালদৰে চোৱাটো ভাল। পি এ চি বিভাগে কিছুমান দমকল, তাৰাপাম্প বহাইছিলে। দমকল কামত ভাল কিন্তু তাৰা পাম্পসমূহ বেয়া হ'লে মেৰামতিৰ উপায় নাই। ইয়াৰ মেৰামতিৰ বাবে পি এ চিৰ কনচিডেন্সি ফাণ্ডো নাই।

ফলত এই পাম্পবোৰ অসমৰ প্ৰায়বোৰ জিলাতে বেয়া হৈ এনেই পৰি আছে। ইয়াৰ দামত ৰাইজেও মেৰামতি কৰিব নোৱাৰে আৰু বিভাগেও নকৰে। মন্ত্ৰী মহোদয় ইয়াৰ মেৰামাতিৰ বাবে প্ৰত্যেক ডিভিজনত কনচিডেন্সি ফাণ্ডৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰে দায়িত্ব ল'ব লাগে। আমাৰ মন্ত্ৰী মহোদয়ে হয়তো গমেই নেপাব নিজৰ জেগাত সকলোবোৰ সুবিধা কৰি লৈছে। হয়তো পইচাও ইয়াৰ কাৰণে দিগদাৰ নহয়।

মাননীয় সভাপতি মহোদয়, এইটো ৰুলিং বা অপোজিচন বুলি কথা নাই, সকলোৱে গম পাব এইটো আমি বিধায়কসকলে ঠিক কৰি দিব লাগে। মই মন্ত্ৰী মহোদয়ক এটা অৱগত কৰিব বিচাৰো যে এই সৰু সৰু সমস্যাবোৰ যদি তেখেতসকলে বিভাগৰ দ্বাৰা সমাধান কৰাৰ কাৰণে গুৰুত্ব সহকাৰে লয় তেন্তে সমস্যা নিশ্চয় আঁতৰিব। মাননীয় সভাপতি মহোদয়, মই এতিয়া চমুৱাব বিচাৰিছো। এইখিনিতে অলপ বাগিচা অঞ্চলৰ কথা ক'ব বিচাৰিছো। বাগিচা অঞ্চলত আগতে আঠুৱা দিয়া হৈছিল স্বাস্থ্য বিভাগৰ ফালৰ পৰা, এতিয়া স্বাস্থ্য বিভাগৰ ফালৰ পৰাও নাপায় আৰু এন আৰ এইচ এমৰ পৰাও নাপায়। কাৰণ এন আৰ এইচ এমৰ অৱস্থা বেয়া। আমাৰ চাহ বাগিচাসমূহ পাহাৰীয়া অঞ্চল আৰু টিলাত অৱস্থিত। সেয়েহে এই অঞ্চলসমূহত পানীৰ অভাৱ। এই অঞ্চলসমূহত পানীৰ অভাৱ নোহোৱা ঠাই নাই। টিউৱওৱেল বহুৱালেও পানী নোলায়। ঠায়ে ঠায়ে টিউৱওৱেল বহুওৱা হৈছিল কিন্তু পানী নোলায়। মানুহে জুৰিৰ পানী খায়। চাহ গছত পানী দিবৰ কাৰণে যি পানীৰ পাইপ বহুওৱা হয় তাৰ পৰাই মানুহে পানী খায়। মালিক পক্ষৰ ফালৰ পৰাও এই বাগিচা অঞ্চলত খোৱা পানীৰ কোনো সুবিধা কৰা নহয়। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে বাগিচাসমূহত

মেনেজমেণ্টৰ জৰিয়তে স্কীম কৰি এই ক্ষেত্ৰত বিশেষভাৱে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই অঞ্চলত পাইপৰ বিশেষ ব্যৱস্থা কৰিব লাগে। তদুপৰি এই পাহাৰীয়া অঞ্চলসমূহত অন্যান্য যথেষ্ট অসুবিধা আছে। মাননীয় মন্ত্ৰী মহোদয়, মই আপোনাৰ জৰিয়তে এই পাহাৰীয়া অঞ্চলসমূহৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো। মাননীয় মন্ত্ৰী মহোদয়, পুনৰ সংস্থাপনৰ ক্ষেত্ৰত আৰু ৮৭,৮,৮৮ আৰু ৪২২৭৬ এইটো ১০০ শতাংশ ভাৰত চৰকাৰৰ এই হিচাপটো সম্পূৰ্ণ হ'ব। গতিকে আপোনালোকে পি এইচ পিৰ ফালৰ পৰা এজন মানুহ ট্ৰেইনিং দি তেখেতক এগজামিনাৰ হিচাপে ৰাখি মেৰামতি আদিৰ কামত লগাব পাৰে। এই ক্ষেত্ৰত চৰকাৰে কি ধৰণে ব্যৱস্থা লয়। চেনিটাৰীৰ ক্ষেত্ৰত নিৰ্মল ভাৰত অভিযান অন্তৰ্গত বি পি এল যি ১০০ টকা দিয়া সম্ভৰ নহয়। আপোনালোকে নিৰ্মল ভাৰত হ'বৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা ল'ব। ইয়াত ৪৪ কোটি ১৬ লাখ টকা ধৰা হৈছে। তাৰে ৬ কোটি টকা পাইছে। এই যিটো পইচা পালে এইটো আপোনালোকৰ মেৰামতিৰ কাৰণে হ'ব কিন্তু বিকল হোৱা সকলো বিলাক মেৰামতি নহ'ব। আপোনালোকে ষ্টেট চিয়াৰত যিটো টকা পাব লাগে সেই পইচাটো কেন্দ্ৰীয় চৰকাৰে কম দি আছে। সেই কাৰণে আপোনালোকৰ অসুবিধা হৈছে। টাউনত আপোনালোকে যি কৰে কৰক। গাঁও অঞ্চলৰ দুখীয়া মানুহখিনিক আপোনালোকে ভালদৰে পানীখিনি দিয়াৰ ব্যৱস্থা কৰক। আপোনালোকে যে ৫০ টকাকৈ যে লয় এই টকাটো আপোনালোকে কিয় ল'ব লাগে? ৫০ টকাকৈ লৈ আপোনালোকেটো অভাৱ নোহোৱাকৈ পানী দিব নোৱাৰে। যিখিনি পানী পানী আপোনালোকে দিয়ে সেইখিনিৰে এটা পৰিয়াল চলিব নোৱাৰে। তদুপৰি

আপোনালোকে ৰাতিপুৱা এবাৰ আৰু আবেলি তিনিটা বজাত এবাৰ পানী দিয়ে, হাজিৰা কৰিবলৈ ওলাই যোৱা মানুহে আবেলি আহি পানী ধৰিব নোৱাৰে। গতিকে আপোনালাকে সম্পূৰ্ণ বিনামূলীয়া বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ ব্যৱস্থা অতি সোনকালে গ্ৰহণ কৰক এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ ওপৰত কৰা বক্তব্য সামৰণি মাৰিলো।

সভাপতি ঃ এতিয়া মাননীয় সদস্য ইমানুৱেল মুছাহাৰী।

শ্ৰীইমানুৱেল মুছাহাৰী ঃ মাননীয় সভাপতি ডাঙৰীয়া, আজি যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত দুআষাৰ ক'ব বিচাৰিছো। আমাৰ সমষ্টিত যিটো Free water supply for village চলি আহিছে তাক আৰু সুন্দৰকৈ adequte Senitation facility provide কৰিব লাগে। আমি ইয়াত সন্মানিত সদস্যসকল আছো। ইয়াত সুন্দৰভাৱে discuss কৰি solution ওলাব লাগে। গতিকে আমি জানো যে ইয়াত যথেষ্ট বাক্-বিতণ্ডা থাকিব পাৰে নাইবা পানী চাই যদি বিভিন্ন প্ৰকাৰে আমি বিশেষকৈ অসমৰ কাৰণে এটা ভাল খবৰ হ'ব ৩০ শতাংশ খোৱা পানীৰ ক্ষেত্ৰত। যোৱা ৪ বছৰে অসমৰ বিভিন্ন ঠাইত আমাৰ সমষ্টিবিলাকত স্কীমবিলাক আছিল, এই স্কীমবিলাকত একে ৰঙৰ পানী হয় নে নহয় নাইবা কি ৰঙৰ পানী তাক তন্ন তন্ন কৰি Examine কৰিব লাগে। কিন্তু ইয়াৰ তথ্য অলপ ইফাল-সিফাল হ'ব। যিবিলাক আনকভাৰড্ এৰিয়া আছে একেলগে ছেংচন দিব লাগে। পানী আছে কিন্তু আইৰণ আছে, সাধাৰণতে আমাৰ ইয়াত সাধাৰণ ৰিংৱেল আছে। গতিকে অন্যান্য বিভাগৰতুলনাত বিশেষকৈ আমি যিসকল উত্তৰ অঞ্চলত বসবাস কৰো এই বিলাক ঠাতি নাই। কোৱা হৈছে যে DRSC report shows 9730 numbers of

schemes are functioning and 1810 are on-going shceme 689 are defunet condition. ২০১২-১৩ চনত ১৭৬টাৰ Function বাঢ়ি আছে। আমি ভাল পাইছো যে অসম ১৭ নং পজিচনত আছে। সৰ্বমুঠ total number of Household in drining water programme 8800 in 2012-13 and total household 64,6471. কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইন মতে কি ব্যৱস্থা গ্ৰহণ কৰি হ'ব সেয়া মন্ত্ৰী ডাঙৰীয়াই কৰিব। জনস্বাস্থ্য কাৰিকৰী বিভাগে আজি গাঁৱত হেণ্ড ৰাছ কথা কৈছে, সেইবিলাক য'ত ৰানিং ৰাটাৰ আছে তাত কৰিব পাৰে। কিন্তু যিবিলাক স্কুলত পানী ওলোৱা নাই সেইবিলাকত কি কৰিব। গোটেই বছৰটো পানীৰ তলতে অসমখন থাকে গতিকে অসমত পানীৰ অভাৱ নাই। আজি অসমত ৬৪ হাউচহণ্ড আছে। সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে ইয়াৰ position 17. গতিকে খোৱা পানীৰ লগত আমাৰ স্বাস্থ্য জড়িত হৈ আছে আৰু খোৱা পানী নহ'লে গাঁৱৰ মানুহে কেনেকৈ চলিব।

(Mr. Chairman vacated the Chair and Mr. Deputy Speaker occupied the Chair)

মাননীয় উপাধ্যক্ষ মহোদয়, অনাময় আঁচনিৰ ক্ষেত্ৰত যি প্ৰগতি আমি দেখা পাইছো, সেইটো অৱশ্যে ভাৰতবৰ্ষত শতকৰা ৫০ ভাগ হাউছহোল্ড লেটৰিনত থকা ষ্টেটিচটিক্স মতেহে দেখা পাইছো। বাংলাদেশত শতকৰা ৪০ ভাগৰে ঘৰুৱা লেটৰিন নাই। চীনত মাত্ৰ শতকৰা মানুহৰহে লেটৰিন নাই। সমগ্ৰ ভাৰতবৰ্ষত শতকৰা ১৫ ভাগ দেখুৱাইছে। কিন্তু অসমৰ ক্ষেত্ৰত অলপ বেছি দেখুৱাইছে। এই ক্ষেত্ৰত আমাৰ কৰিবলগীয়া বহুতো আছে। বিশেষকৈ আজিৰ এই চাইনিং ইণ্ডিয়াৰ দিনত শতকৰা ৪০ ভাগ মানুহে অপেন লেটৰিন

কৰে। গতিকে ভাবি চাওক আজি আমি কি স্তৰত আছো? এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। এই যে এটা নতুন শব্দ নিৰ্মল ভাৰত অভিযান এই অভিযানত গোটেই ভাৰতবৰ্ষৰ চুকে-কোণে সকলো লোককে সামৰি লোৱাটো বুজাইছে। আমাৰ ৰাজ্যতো এই অভিযানৰ মৰ্মে বহুতো সংগঠনে লেটৰিন বনোৱাৰ কাৰণে ছাৰ্ভে কৰিছিল। ২০১১-১২-১৩-১৪ চনলৈ একো কাম কৰা আমি দেখা নাই। প্ৰায় ৯০০ লেটৰিন সম্পূৰ্ণ কৰিব লাগে তাৰে যিবিলাক প্ৰচ্ছে হৈ আছে সেইবিলাক ক'ত ক'ত পৰি আছে, কি ধৰণে আগবঢ়িছে সেইটো চাব লাগে। কাৰণ ২/৩ বছৰ হৈ গ'ল লেটৰিনৰ ব্যৱস্থা সম্পূৰ্ণ কৰিবলৈ সক্ষম নহ'ল। এই ক্ষেত্ৰত মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এটা টাইম টাৰ্মৰ ভিতৰত যিবিলাক আঁচনি টাৰগেট ছেট কৰা হয়, সেই মতে যাতে কৰিব পৰা যায় সেইটো চাব লাগে। কেতিয়াবা হয়তো কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পোৱাত দেৰি হোৱাত কাম হোৱাত দেখি হয়। গতিকে সমগ্ৰ কমিউনিটি আৰু কিছুমান এন জি অ' আৰু বিভিন্ন সংস্থাক এই ক্ষেত্ৰত জড়িত কৰি আমি যদি চেষ্টা চলাও তেতিয়া হ'লে নিশ্চয় সফল হ'ব পাৰিম। এই বিষয়টোৰ ওপৰত ইতিমধ্যে বহুত কেইখন মাননীয় বিধায়কে আলোচনা আগবঢ়াইছে। গতিকে মই বেছি নকওঁ। মাত্ৰ নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত কাম কৰিব পৰা যায় সেইটোৰ কাৰণে মই মন্ত্ৰী মহোদয়কে অনুৰোধ জনালো। আজি মিজোৰাম যদি আগবাঢ়ি যাব পাৰিছে, অসমে কিয় নোৱাৰিব। ৫ বছৰ বা ১০ বছৰে ভিতৰত সফল হ'ব পাৰিম।

আজি স্কুলবিলাকত খোৱা পানী বা লেটৰিন দিব পৰা নাই। এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে গুৰুত্ব দিলে আমি সন্তোষ পাম। মই

জনাত এবছৰ বা দুই বছৰৰ আগতে এই সদনতে এখন বিল ডীপ বৰিঙৰ ক্ষেত্ৰত অনা হৈছিল, তাত কোৱা আছিল ডীপ বৰিং কৰিলে চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হ'ব। গতিকে প্ৰয়োজনীয় ক্ষেত্ৰত ডীপ বৰিং নকৰি ছাৱফেচ ৱাটাৰৰ পৰা খোৱা পানীৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয়। ডীপ বৰিং কৰাৰ আগতে চৰকাৰৰ যিবিলাক গাইডলাইন আছিল সেই গাইড লাইনবিলাক মানি চলা হৈছেনে নাই, সেইবিলাক চোৱা দৰকাৰ। তাৰ পিছতহে অনুমোদন দিব লাগে। এই সদনতে বাৰ বাৰ আৰ্চেনিকৰ কথাটো আলোচনা হৈ আছে। বাতৰি কাকত আৰু মিডিয়ায়ো দেখুৱাই থাকে এই ক্ষেত্ৰত কিছু বিহীত ব্যৱস্থা কাৰ্য্যকৰী কৰাৰ কাৰণে ইউনিছেফো আগবাঢ়ি আহিছে। এতিয়া এই কথাবিলকাৰ ক্ষেত্ৰত মনিটৰিং কৰা হৈছে নে নাই। আণ্ডাৰগ্ৰাউণ্ডৰ পানী দূষিত হৈছে নেকি সেইটো চাব লাগে। আজি আৰ্চেনিক আৰু ফ্লৰাইডৰ কাৰণে যিবিলাক মানুহ ৰোগত ভুগি আছে তেওঁলোকক সাহায্য দিয়াৰ ব্যৱস্থা কৰিবনে নে নাই মন্ত্ৰী মহোদয়ে জনাব লাগে। তাৰোপৰি ভৱিষ্যতে যাতে ফ্লৰাইড বা আৰ্চেনিক ৰোগত ভুগি মানুহ মৰিব নোৱাৰে তাৰ কাৰণেও চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজিৰ দিনত আমাৰ ৰাজ্যৰ কাৰণে এটা কলংক। গতিকে মই এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now, Shri Mukunda Ram Choudhury.

*** শ্ৰীমুকুন্দ ৰাম চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰিছো যে অসমৰে নহয় গোটেই ভাৰতবৰ্ষৰে এটা পৰম্পৰা আছে যে আলহী আহিলে এগিলাচ পানী দিব লাগে। অধ্যক্ষ মহোদয়, আজি যদি আপুনি মোৰ ঘৰলৈ যায়

* Speech not corrected

তেতিয়াহ'লে মই আপোনাক এগিলাচ বিশুদ্ধ পানী দিব পাৰিম নে নাই সন্দেহ আছে। সকলো মেঘে বৰষুণ নিদিয়ে আৰু সকলো মানুহেও পানী নিদিয়ে। মই এদিন মন্ত্রী মহোদয়াৰ ওচৰলৈ গৈছিলো, কাৰণ নির্বাচনৰ সময়ত আমি ৰাইজক বহুত প্রতিশ্রুতি দি আহিছিলো যে ৰাজিক খোৱাপানী দিম, ৰাস্তা দিম আদি বিভিন্ন কথা দি আহিছিলো। আজি ৰাইজে সুধিছে আপুনি নির্বাচনত জিকিবলৈহে এইবিলাক কথা কৈছিল নেকি? এই বিষয়টোৱে মোৰ সমষ্টি তথা গোটেই দৰং জিলাতে এটোপাও পানী দিব পৰা নাই। মন্ত্রী মহোদয়ে দায় সাৰিবলৈ ক'ব যে বিদ্যুৎ নাই কাৰণে পানী দিব পৰা নাই। মন্ত্রী মহোদয়ক এটেক্ট কৰিব খোজা নাই। তেখেতৰ লগত মোৰ ব্যক্তিগত শত্রুতাও নাই। তেখেতে মাতিছিল কাৰণে গৈছিলো, কিন্তু বৰ দুখেৰে ক'ব বিচাৰিছো যে তেখেতে মোক প্রথমতে ক'লে যে আপোনাৰ নাম কি? মই ক'লো মই বিধায়ক। তেখেতে ক'লে আপুনি কোন দলৰ বিধায়ক। মই এজন বিধায়ক হিচাপেহে আহিছো কোনো দলৰ কাৰণে অহা নাই। আজি মোৰ সমষ্টিৰ উপৰিও মাননীয় সদস্যসকলে কৈযোৱা মতে ১৫/১৬ বছৰ ধৰি বহু আঁচনি বিকল হৈ আছে। এইবোৰ যেতিয়া হাতত লৈছিল, এতিয়ালৈকে সেইবোৰ আঁচনি সফল নহ'ল কিয়? আমি ৰাইজৰ ওচৰত লাজ পাওঁ। মোৰ ঘৰৰ ওচৰতে এটা নতুন ৰাটাৰ যোগান স্কিম আছিল। কিন্তু পানী নাই। কিন্তু ধুনীয়া ধুনীয়া ঘৰবিলাক পৰি আছে। তাৰ পাইপ বিলাক যদি চাবলৈ অকণমান টোকৰ মাৰি দিয়া হয় লগে লগে ফাটি যায়। তাৰ মানে যিবোৰ মেটেৰিয়েল যোগান ধৰা হৈছিল সেইবিলাক অতি নিম্নমানৰ আছিল। মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যাতে তেখেতে আমাক মাহীআইৰ চকুৰে নাচায়। মই চৰকাৰক দোষ

নিদিওঁ। কাৰণ অন্যান্য বিভাগৰ পৰা মই যথেষ্ট পাইছে। একমাত্র জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ৰ পৰাহে এটোপাও পানী পোৱা নাই। এই ক্ষেত্রত মই একো ছাজেচন নিদিওঁ। বিজুলী শক্তি নহ'লেও চোলাৰ ছিষ্টেম আছে জেনেৰেটৰ দিব পাৰে, জেনেৰেটৰ আছে যাৰ যোগেদি পানী নিদিওঁ। সেয়েহে মই শক্তি মন্ত্রী মহোদয়ক দোষ নিদিওঁ। এতিয়া মই গুৱাহাটীৰ কথা কওঁ। গুৱাহাটীত বহুতলীয়া ঘৰ উঠিছে কিন্তু পানীৰ সমস্যা সমাধান হোৱা নাই। মোৰ ঘৰতো পানী নাই। কাৰণ যিমান বিল্ডিং হৈছে মাটিৰ তলৰ পানীৰ লেভেল সিমান তললৈ গৈছে। গতিকে মন্ত্রী মহোদয়ে এইক্ষেত্রত কিবা ব্যৱস্থা ল'ব নেকি? নহ'লে আমি কেইবছৰমানৰ পিছত পানী একেবাৰে নাপাম। আজি বেলতলা অঞ্চলতো আর্চেনিক পোৱা গৈছে। কার্বি আংলং আৰু হোজাই অঞ্চলতো আর্চেনিক পোৱা গছে। এই সমস্যাটো নাইকীয়া কৰিবৰ কাৰণে আমি মহাবাহু ব্রহ্মপুত্রৰ পানীৰ সহায় ল'ব নোৱাৰোনে, য'ত এই সমস্যাবিলাক নাথাকিব। কাৰণ নদীৰ পানী ময়ো ব্যৱহাৰ কৰিছো। কাৰণ নদীৰ পানী দোষিত নহয়। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যাতে ভগৱান প্রদত্ত ব্রহ্মপুত্রৰ পানী ব্যৱহাৰ কৰাৰ ব্যৱস্থা গ্রহণ কৰে। মই মন্ত্রী মহোদয়ক আগতে কৈছো আৰু এতিয়া কওঁ আপুনি পানী দিয়া মেঘ হওক। আঁচনিবোৰ কৰোতে যিবিলাক মেটেৰিয়েলছৰ জৰিয়তে কৰা হয় সেইবিলাকত চকু দিয়াৰ ব্যৱস্থা কৰক। আমি অন্য দলৰ হ'লো যদিও মন্ত্রী মহোদয়ে মাহীআইনৰ চকুৰে নাচাই মাৰ চকুৰে চাওক। এইখিনি কৈ মই মোৰ বক্তব্য সামৰিলো।

Mrs. Deputy Speaker : Now, Shri Ranjit Kr. Das.

*** শ্রীৰঞ্জিত কুমাৰ দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে প্লেনিং

* Speech not corrected

কমিচনৰ সভা অনুষ্ঠিত হৈছিল। সেই সভাতে বিভিন্ন বিভাগৰ পৰিসংখ্যা দাঙি ধৰা হৈছিল। এই সভাতে খোৱাপানীৰ পৰিসংখ্যাও দাঙি ধৰা হৈছিল। জানুৱাৰীত অনুষ্ঠিত এই সভাৰ পৰিসংখ্যা অনুসৰি অসমত কম মানুহে বিশুদ্ধ খোৱাপানী খাবলৈ পায়। অসমৰ মাত্ৰ ৬ শতাংশ মানুহেহে বিশুদ্ধ খোৱাপানী খাবলৈ পায়। অন্য ৰাজ্যৰ তুলনাত ই একেবাৰে নিম্নস্তৰত আছে। আমাৰ অসমত আমি ভগৱান প্ৰদত্ত পানীও পাই আছো। বাইহাটা চৰিআলীৰ ফালে ২০ ফুটলৈ এডাল পাইপ বহুৱালেই অটমেটিক পানী ওলাই থাকে। আনহাতে সমগ্ৰ অসমতে নদ-নদী আদি আছে। ইয়াৰ পিছতো আমাৰ অসমত মাত্ৰ ৬ শতাংশ মানুহে কৱল বিশুদ্ধ খোৱা পানী পাবলৈ সমৰ্থ হৈছে। এইটো বৰ পৰিতাপৰ কথা। আমি আজি দেখিছো আমাৰ নাম তললৈ আহি আছে। মাননীয় মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাত এই বিভাগটোক খোৱা পানীৰ বিভাগ বুলি উল্লেখ কৰিছে। এইটো আচলতে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগহে। মুখ্যমন্ত্ৰীয়ে অকল খোৱাপানীৰ কথাহে উল্লেখ কৰিছে। বিত্ত বিভাগে যিমান টকা দিব লাগিছিল খোৱাপানী বুলি উল্লেখ কৰা কাৰণে যথোপযুক্ত গুৰুত্ব দিয়া নাই। বাজেটত পৰ্য্যটন, তথ্য প্ৰযুক্তি, উদ্যোগ আৰু বাণিজ্য, খনিজ সম্পদ, ভূমি সংৰক্ষণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ কথা উল্লেখ আছে। কিন্তু এই বিভাগটো খোৱাপানী বুলিহে লিখা আছে। এই বিভাগটোত যে চৰকাৰে গুৰুত্ব দিয়া নাই ইয়াৰ পৰাই গম পোৱা গৈছে। যিখন বাজটে দাঙি ধৰিছে তাত ওৱাটাৰ আৰু চিটেচনৰ কাৰণে ১ লাখ ৫৮ হাজাৰ ৪৩২ টকা আবণ্টন কৰিছে। মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাত লিখিছে, চৰকাৰে সকলোৰে কাৰণে নিৰাপদ খোৱাপানী প্ৰদানত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। এইটো

সঁচা বুলি ক'ব পাৰিনে? আমি ভাবো চৰকাৰে সকলোৰে বাবে নিৰাপদ খোৱাপানী প্ৰদান এই ক্ষেত্ৰত সৰ্বনিম্ন গুৰুত্ব প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে বাজেট বক্তৃতাত লিখিছে আমাৰ চৰকাৰে সকলোৰে বাবে নিৰাপদ খোৱাপানী প্ৰদানত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। ২০১৪-১৫ বৰ্ষত প্ৰায় ১০,০০০ সামৰি নোলোৱা আৰু গুণমান প্ৰভাৱিত আৱাসস্থলীলৈ, ৪৮৭ খন বিদ্যালয় আৰু ৫০১০ টা অংগনবাডী কেন্দ্ৰত নিৰাপদ খোৱাপানীৰ সুবিধা প্ৰদানৰ প্ৰস্তাৱ লোৱা হৈছে। কেইবাখনো বৃহৎ পাইপযোগে পানীযোগান আঁচনি যেনে বৃহত্তৰ ৰংবং, বৃহত্তৰ চেলেং, বৃহত্তৰ আমলখি ভাৰাগুৰি, বৃহত্তৰ ৰেগাও গ্ৰাম্য বৃহত্তৰ সমন্বিত ওছেক প্ৰথাৰ, একত্ৰ দীঘলজাৰুণী আৰু তপতজুৰি পি ডব্লিউ এছ এছত ৰূপায়ণৰ বাবে কাৰিকৰীভাৱে অনুমোদন জনোৱা হৈছে। সাতখন বৃহৎ মাল্টি ভিলেজ আঁচনি হাতত লোৱা হৈছে। এই বছৰত বৰ্তমানে চলি থকা পানী যোগান আঁচনিসমূহৰ পৰিচালনা আৰু চোৱাচিতাৰ মান, উন্নত অংস গ্ৰহণ, কাৰ্য্যকৰী ব্যৱস্থাপনা, দায়বদ্ধতা আৰু সম্প্ৰদায়সমূহৰ পৰা ব্যৱহাৰৰ মাচুল সংগ্ৰহ সুনিশ্চিত কৰি উন্নত কৰাত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। মাননীয় মুখ্যমন্ত্ৰীৰ বাজেট বক্তৃতাত খোৱাপানী সম্পৰ্ক অকল এই কথাখিনি উল্লেখ কৰিছে। আজি অসমৰ বহু অঞ্চলত হাজাৰ হাজাৰ মানুহ ফ্লৰাইড আৰু আৰ্চেনিকযুক্ত পানী খাই বেমাৰত আক্ৰান্ত হৈছে। কেইবাবছৰৰ পিছত এই বিষাক্ত পানী খাই চিৰজীৱনৰ কাৰণে পঙ্গু অথবা মৃত্যুমুখত পৰিব পাৰে। বিনা ফ্লৰাইড বা আৰ্চেনিকযুক্ত পানী মানুহক কেনেকৈ যোগান ধৰিব পাৰি তাৰ কথা কিন্তু এই বাজেটত উল্লেখ নাই। যোৱা দুই তিনি বছৰৰ পৰা আৰ্চেনিকৰ বিষয়ে বহুতো লিখা-মেলা বা আলোচনা-বিলোচনা কৰা হৈছে। আনহাতে

মুখ্যমন্ত্রীৰ বক্তৃতাত খোৱাপানীৰ বিষয়টো সৰ্বনিম্ন গুৰুত্ব পোৱা দেখা গৈছে। ফ্লৰাইড আৰু আৰ্চেনিক এটা পদাৰ্থ। ইয়াক নিৰ্মূল কৰিব নোৱাৰি। ব্ৰহ্মপুত্ৰৰ কাষত থকা মানুহখিনিক আৰ্চেনিকমুক্ত পানী খুৱাব পাৰি। ভূ-পৃষ্ঠৰ পানীত আৰ্চেনিক কম। নলবাৰী, গোলাঘাট, জনীয়া, বাঘবৰ, গুৱাহাটী আদি অঞ্চলত আৰ্চেনিক পোৱা গৈছে। এই ক্ষেত্ৰত আমি যি ভূমিকা ল'ব লাগিছিল সেইভাৱে লোৱা নাই। চৰকাৰে গুৰুত্ব দিয়া নাই। আমি বাস্তৱসম্মত ব্যৱস্থা হাতত ল'ব লাগিব। বাইজৰ মাজত সজাগতা আৰু জনমতৰ সৃষ্টি কৰিব লাগিব। কেন্দ্ৰৰ সহযোগত কামবিলাক কৰিব লাগিব। এইদৰে থাকিলে ৪০ বছৰ পাছত মানুহৰ মৃত্যু হ'ব। এই বিভাগৰ কাৰণে যিখিনি টকা ১৫৮৪৩৫.৭০ টকা মঞ্জুৰী বিচাৰিছে সেই ক্ষেত্ৰত অনা কৰ্তন প্ৰস্তাৱটো মই মানসিকভাৱে সমৰ্থন কৰা নাই। কিন্তু যিহেতু চৰকাৰে এই বিভাগটো প্ৰতি গুৰুত্ব প্ৰদান কৰা নাই, সেই কাৰণে কৰ্তন প্ৰস্তাৱ সমৰ্থন নকৰি উপায় নাই। প্ৰতিক হিচাপে কিছু টকা কৰ্তন কৰিব লাগে বুলি প্ৰস্তাৱ কৰিছো। সেই কাৰণে কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছো। কৰ্তন প্ৰস্তাৱ সমৰ্থন কৰাৰ যুক্তি নাই যদিও চৰকাৰে যুক্তি আনি দিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱটো মানসিকভাৱে সমৰ্থন কৰাৰ কাৰণে মোৰ কোনো যুক্তি নাই, কিন্তু মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন নকৰাকৈ থাকিব নোৱাৰো। প্ৰস্তাৱটো সমৰ্থন কৰিব লাগিবই। আজি কৰ্তন প্ৰস্তাৱৰ জৰিয়তে যিবিলাক আঁচনিৰ কথা কোৱা হৈছে সেইবিলাক আঁচনি ধুনীয়া ধুনীয়া স্কিম ওলাইছে। আমাৰ অসমৰ আজি বহুত মানুহে খাল, বিল, নদ-নদীৰ পানীয়েই ব্যৱহাৰ কৰি আছে। কাৰণ এইবিলাকত

যথেষ্ট পৰিমাণে পানী আছে। অধ্যক্ষ মহোদয়, ধৰক এজন মানুহৰ ১ বিঘা মাটি আছে। তাৰে তেওঁ ২ কঠা মাটি চাকৰি পোৱাৰ আশাত আঁচনি ৰূপায়ণ কৰাৰ কাৰণে দিছে। কিন্তু আজিলৈকে তেওঁলোকে চাকৰি পোৱা নাই। তেনেকুৱা মানুহো মোৰ ওচৰত আহি থাকে। ক'ৰবাত যদি কোনোবাই চকিদাৰ চাকৰি পাছে তেওঁ কিন্তু আজিলৈকে দৰমহা পোৱা নাই। অনাময় প্ৰক্ৰিয়াত পানীৰ কাৰণে যি ইলেকট্ৰিফিকেচনৰ ব্যৱস্থা কৰা হৈছে সেইটো ঠিক কৰিব লাগিলে প্লেন/নন প্লেনত ধৰিব লাগিব। আমাৰ গাঁওবিলাকত যি পানী দি আছে আৰু হস্পিতালবিলাকত যি পানী দি আছে সেইবিলাকত কমার্চিয়েল ছিছটেম কৰি বিদ্যুৎ যোগান ব্যৱস্থা কৰক তেতিয়াহে এই ব্যৱস্থা সফল হ'ব। উপাধ্যক্ষ মহোদয়, আজি গাঁৱে গাঁৱে অনাময় পানী যোগানৰ লগতে লেট্ৰিনৰো ব্যৱস্থা কৰক। আজি কিছুমান এন জি অ' আছে। এই এন জি অ' বিলাকৰ জৰিয়তে কামবিলাক কৰি আছে। কিন্তু এই এন জি অ' বিলাকে টিক মতে কাম কৰা নাই। এই এন জি অ' বিলাক আজি ডিফল্টাৰ হৈছে। উপাধ্যক্ষ মহোদয়, আজি স্কুল বিলাকত যিবিলাক পানী যোগান ধৰা হৈছে সেইবিলাক পানী ল'ৰা-ছোৱালীয়ে খাব নোৱাৰে। কাৰণ তাত পানীৰ লগত পাথৰ ওলাই আৰু ৰঙা পানী ওলাই। এই পানীবিলাক আইৰণমুক্ত নহয়। আজি অংগনবাডী হওক বা পঢ়াশালীয়েই হওক তাত যিবিলাক পানী যোগান ধৰা হৈছে সেইবিলাক বিশুদ্ধ নহয়।

মাননীয় উপাধ্যক্ষ মহোদয়, এই আঁচনিৰ যোগেদি যি পানী যোগান ধৰা হয় সেই পানী আইৰণ মুক্ত হয় নে নহয় বিভাগৰ জৰিয়েত চাব লাগে। উপাধ্যক্ষ মহোদয়, মই অতি দুখেৰে কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া বিধায়ক শ্রীজয়ন্তমল্ল বৰুৱাই কওক।

*** শ্রীজয়ন্তমল্ল বৰুৱা (বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ওপৰত আজি বিৰোধী দলে যিটো কর্তন প্রস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই এই সদনৰ জৰিয়তে বর্তমান সময়ত খোৱাপানী আঁচনিটো শক্তিশালী কৰাৰ প্রয়োজন হৈছে। আজি কর্তন প্রস্তাৱৰ ওপৰত বহুতে নানা মত দাঙি ধৰিছে। আজি জনস্বাস্থ্য কাৰিকৰী বিভাগত অনাময় আঁচনিৰ কাৰণে ১৫৮৪৫০ লাখ টকা দিছে। ইয়াতকৈও আৰু অধিক টকা দি হ'লেও বিভাগটো শক্তিশালী কৰা প্রয়োজন। মাননীয় সদস্যসকলে এই কর্তন প্রস্তাৱৰ জৰিয়তে নিজৰ অভিমত ব্যক্ত কৰিছে। আজি আমাৰ সদনৰ আলোচনা চর্বিত চর্বণ হৈ থাকিলে নহ'ব। বিভাগীয় মন্ত্রী মহোদয়ে আমি যিবিলাক আলোচনা কৰিছো সেই কথাবিলাক শুনিব লাগিব আৰু যদি নুশুনে আমি ইয়াত আলোচনা কৰাৰ প্রয়োজন নাই। আমাৰ কথাবিলাকৰ প্রয়োজন আছে, আমাৰ কথাবিলাক শুনিব লাগে। আজি যি সময়ত কর্তন প্রস্তাৱ অনা হৈছিল সেই সময়ত বিভাগীয় মন্ত্রী উপস্থিত নাছিল। আজি কথাবোৰ আলোচনা কৰাৰ প্রয়োজন হৈছে। উপাধ্যক্ষ মহোদয়, আমি ৯টা ৰসৰ কথা পাইছো। এই নৱৰসৰ ভিতৰত হাস্যৰসটো উত্তম ৰস। আজি এই কথাবিলাকৰ গুৰুত্ব দিয়াৰ প্রয়োজন হৈছে। আজি ডেৰ কোটি অসমৰ জনসাধাৰণে আমাক চাই আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাক সদনত প্রতিনিধিত্ব কৰিবৰ কাৰণে পঠিয়াইছে। ইলেকট্রনিক মেডিয়াই কথাবিলাক প্রচাৰ কৰি আছে। আমি সদনত উপলুঙা কথা আলোচনা কৰি থাকিলে আমাৰ নাজ লাগে। এতিয়া মই বিভাগৰ কর্তন প্রস্তাৱৰ ওপৰত কৈছো যে এই বিভাগত যিমান টকা ধৰা হৈছে তাতকৈ আৰু বেছি টকা দিব

* Speech not corrected

লাগে। পানী আমাৰ অমূল্য সম্পদ। আজি বিভাগটোৰ জৰিয়তে ৪০ খনৰো বেছি আঁচনি কৰা হ'ল। এই আঁচনিসমূহ শক্তিশালী কৰিব লাগে। তাত পানী হ'ল নে নাই তাৰ কাৰণে আমি কি ব্যৱস্থা লৈছো এই কথাটো চোৱাৰ প্ৰয়োজন হ'ল। আমি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ যোগেদি জনস্বাস্থ্য হ'ব লাগে। অকল ঠিকাদাৰৰ লাভৰ কাৰণে বিভাগটো চলি থাকিলে নহ'ব। ৰাইজৰো উন্নতি হ'ব লাগিব। মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে ল'ব লাগে যাতে ৰাইজৰ উপকাৰ হয়। আকাশী গংগাৰ পানীতো আৰ্চেনিক পোৱা বুলি খবৰ পোৱা গৈছে। গতিকে এইবিলাক চাব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিভিন্ন ঠাইত বিশুদ্ধ পানী খাই বহুতো শিশু পংগু হৈছে। আঁচনি বহুত হৈছে কিন্তু এই আঁচনিসমূহ ঠিকভাৱে চলি আছে নে নাই সেইটোহে আচল কথা। বহুত আঁচনি আজি বিকল অৱস্থাত আছে সেই কাৰণসমূহ আমি আজি চালি-জাৰি চোৱাৰ সময় আহি পৰিছে। এই আঁচনিসমূহ চোৱা-চিতা কৰাৰ বাবে দুইজন কৰ্মচাৰী নিয়োগ কৰিছে প্ৰথমে তেওঁলোকক অলপ পইচা দি ৰাখিছিল। কিন্তু এতিয়া তেওঁলোকক ১২০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে। এইটো বৰ ভাল কাম হৈছে। কিন্তু এই ব্যৱস্থা কিমান দিন চলিব সেইটোহে চাব লাগে। দৰকাৰ হ'লে এই দুইজন কৰ্মচাৰীক ফিক্স কৰি ৰাখক কিন্তু কনটিনিও কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া গম পাইছো যে এই আঁচনিসমূহ চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দেশনা আহিছে যে ইউজাৰ গ্ৰুপৰ জৰিয়তে চলাব লাগে। যি সময়ত এই আঁচনিসমূহ কোটি কোটি টকাৰ দ্বাৰা ৰূপায়ণ কৰিছে আৰু ইয়াক পৰিচালিত কৰিব ইউজাৰ গ্ৰুপৰ দ্বাৰা চলাব এইটো কোনো পধ্যে সম্ভৱপৰ নহয়। আজি দেখা যায় গাঁৱত বিদ্যুৎ

থাকে এক ঘণ্টা বা আধা ঘণ্টা এই সময়খিনিত কিমান পানী গাঁৱৰ ৰাইজে আহৰণ কৰিব পাৰিব। আজি আমাৰ সন্মানীয় বিধায়ক ৰণজিৎ দাসে কৈছে যে এই আঁচনিৰ পৰিচালিত কৰা লাইনসমূহ কমার্চিয়েল লাইন সংযোগ হৈ আছে। এইটো কেনেকৈ সম্ভৱ হ'ব। গতিকে মই আজি এই পৱিত্ৰ সদনত ক'ব বিচাৰিছো যে এই লাইনসমূহ দৰ্মেচটিক লাইনৰ ব্যৱস্থা কৰিব লাগে। আজি আমাৰ সন্মানীয় বিধায়ক মইনুদ্দিন চাহাবে এটা কথা কৈছে যে এই আঁচনিসমূহ বিভিন্ন ভাগত ভাগ কৰা হয় প্ৰতিটো আঁচনি ৫০/৬০ জন মানুহে এই আঁচনি ৰূপায়ণ কৰে। মানুহ বেছি হোৱা বাবে ইয়াত বহুত খেলি-মেলি হয়। একোজন মানুহে একোটা আঁচনি ৰূপায়ণ কৰিব কিয় নোৱাৰে। প্ৰতিটো আঁচনিৰ ক্ষেত্ৰতে দেখা যায় যে এটা গ্ৰুপ হয় এডিচনেল চিফ ইঞ্জিনীয়াৰ আৰু আন এটা হ'ল এছ ই আন এটা হ'ল একজুকেটিভ ইঞ্জিনীয়াৰৰ। এনেকৈ প্ৰতিটো আঁচনি বিভিন্ন ভাগত ভাগ কৰা হৈছে। আনহাতে দেখা যায় যে মেটেৰিয়েলবিলাক একেবাৰে লো কোৱালিটি দম দম মেটেৰিয়েল ভাঙি যাব নেকি ভয় লাগে। এতিয়া আকৌ ওভাৰ হেড টেংকি বনোৱাৰ কথা এইটো যদি হয় পাইপ বিলাক ফাটি যাব। মেটেৰিয়ালৰ ক্ষেত্ৰত আৰু এটা কথা মই ক'ব বিচাৰিছো যে এই মেটেৰিয়ালসমূহ চেন্ট্ৰেলি পাৰছেছ কৰা হয়। মোৰ ওচৰত ২০১৪ চনৰ ১৪ জুনৰ এখন এফ অ' চি আছে ৯৫ কোটি টকাৰ। এই ৯৫ কোটি টকাৰ ৮৫ কোটি টকা মাত্ৰ পাঁচটা অনুষ্ঠানৰ নামত আছে। পাঁচটা অনুষ্ঠানে ৮৫ কোটি টকা লৈ যায়। এই যোগানীয়াৰসকলৰ ভিতৰত নাম আছে চাৰু ইনফাষ্ট্ৰাকচাৰ। বাৰে বাৰে এই যোগানীয়ৰ নাম আছে, মই ভাবিলো মন্ত্ৰী মহোদয়ে এই যোগানীয়াৰজনৰ প্ৰেমত পৰিছে নেকি? কিন্তু আচলতে সেইটো

নহয়, কুবেৰ প্লাষ্টিকৰ কোটি কোটি টকা ওলাই গৈছে। আমি গম পোৱা মতে এই বস্তুসমূহৰ কোৱালিটি অতি নিম্ন খাপৰ। মাত্ৰ যোৰহাট আৰু গোলাঘাট জিলাতে মাত্ৰ ভাল কোৱালিটিৰ সমগ্ৰী যায়। কাৰণ তাত বোলে কেতিয়াবা ইনভেষ্টিগেচন হ'ব পাৰে। ইয়াৰোপৰি আঁচনিৰ ক্ষেত্ৰত লেটৰিন বনোৱাৰ ক্ষেত্ৰত প্ৰতিটোলেটৰিনৰ নামত ৩০০০ টকা ধৰাহয়। এই টকাৰ ২৭০০ টকা এন জি অ' বিলাকে পায়।

এতিয়া নিৰ্মল ডাৰু অভিযান আঁচনি নাম দি ৬ হাজাৰ টকা কৰা হ'ল। তাৰে ৯০০ টকা বেনিফিচিয়াৰীয়ে দিব লাগে। বেনিফিচিয়াৰীয়ে ৩০০ টকাই দিব নোৱাৰে ৯০০ টকা ক'ৰ পৰা দিব। পিছত বেনিফিচিয়াৰীয়ে ৯০০ টকাৰ শাৰীৰিক শ্ৰম দিলেই হ'ব বুলি ক'লে। গাঁওৰ বি পি এল মানুহখিনিয়ে ৯০০ টকা শাৰীৰিক শ্ৰম দি ল'ব পাৰিব। এন জি অ' বিলাকে এই কাম কৰাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিছিল যদিও যেতিয়া ১৭০০ টকাৰ মেটেৰিয়েলছ পঠিওৱা হ'ল তেতিয়া তেওঁলোকেও এই কাম কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰা হ'ল। মেটেৰিয়েলছ খিনি চেষ্ট্ৰেলী পাৰ্ছেজ কৰি পঠিওৱা হয়। তাৰ বিনিময়ত ১৭০০ টকা কাটি ৰখা হয়। ১৭০০ টকা কাটি ৰখাৰ পিছত বাকী টকা খিনিৰে তেওঁলোকে কেনেকৈ শৌচাগাৰ বনাব। সেই টকাখিনি কাটি ৰখাৰ কাৰণে এন জি অ' বিলাকে কাম কৰিব নোৱাৰো বুলি কৈছে। ১৭০০ টকাৰ যি চেনিটাৰী বস্তু যোগান ধৰা হয় বজাৰত তাৰ মূল্য মাত্ৰ ৬০০/৭০০ মান টকাহে হ'ব। গতিকে এন জি অ' বিলাকে কয়— আমি কেনেকৈ কাম কৰিম। এয়াই হৈছে অনাময় আঁচনিৰ কাম। তেওঁলোকক যদি গোটেই টকাখিনি দিলেহেঁতেন তেতিয়া এই আঁচনিৰ কাম কৰিব পাৰিলেহেঁতেন।

শৌচাগাৰ বনাই দিব পাৰিলেহেঁতেন। কিন্তু টকা কাটি ৰখাৰ কাৰণে অনাময় আঁচনিৰ কাম কৰিব পৰা নাই। অনাময় আঁচনি বনাবলৈ বাকী আছে। ক'ৰবাত হয়তো নিম্নমানদণ্ডৰ সামগ্ৰীৰে বনোৱা হৈছে আৰু ক'ৰবাত কাগজে-পত্ৰইহে বনোৱা হৈছে। গতিকে এই কথাবিলাক ৰেক্টিফাই কৰাৰ প্ৰয়োজন আছে। এনেকুৱা ধৰণৰ তথ্যৰ অভাৱ নাই। মোৰ ওচৰলৈ অজস্ৰ তথ্য আহে। মই সকলোবিলাক কথা ক'ব খোজা নাই। এই কথাবিলাক মাননীয় মন্ত্ৰী মহোদয়ে অনুধাৱন কৰিব লাগিব। এই পানী যোগান বা অনাময় আঁচনিবিলাক দুখীয়া মানুহৰ বাবেহে লোৱা হৈছে। কিন্তু যোগানীয়াৰ বা ঠিকাদাৰৰ কামৰ কাৰণে এই আঁচনিবিলাক লোৱা হোৱা নাই আৰু যোগানীয়াৰ আৰু ঠিকাদাৰৰ কামৰ কাৰণে এটা বিভাগ হ'ব নোৱাৰে। আজি আমাৰ বহুকেইজন মাননীয় সদস্যই বহুত পৰামৰ্শ আগবঢ়াইছে। কিছুমান খোৱাপানীৰ আঁচনি কৰ্মক্ষম বা কাৰ্য্যকৰী কৰি থাকিবলৈ কৰ্মচাৰীৰ প্ৰয়োজন আছে, মাহেকীয়াভাৱে টকা-পইচা দিব লাগে। আঁচনিবিলাক চলাবৰ কাৰণে কি কি কৰিব লাগে সেই কথাবিলাক চিন্তা কৰিব লাগে। এই আঁচনিবিলাক চলি থকাৰ কাৰণে যেনেকুৱা ধৰণৰ সাহায্য দিব লাগে তেনেকুৱা ধৰণৰ সাহায্য দিয়া উচিত। চেন্ট্ৰেলী পাৰ্চেজ কৰাৰ কাৰণে আঁচনিবিলাকৰ কাম হোৱা নাই। গতিকে চেন্ট্ৰেলী পাৰ্চেজ কৰি লাভ কি হৈছে। উচ্চতম ন্যায়ালয়ে এই আঁচনিবিলাকৰ ক্ষেত্ৰত আই এছ আই মাৰ্ক থকা সামগ্ৰীহে লগোৱাৰ কথা হৈছে। কিন্তু আঁচনিবিলাকত আই এছ আই মাৰ্ক নথকা সামগ্ৰীহে লগাই আছে। আই এছ আই মাৰ্ক নথকা সামগ্ৰী কিয় কিনি আছে। আমি সদায় কুৱালিটি মেইনটেইন কৰিব লাগে। উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়াৰ পাছতো আই এছ আই মাৰ্ক নথকা

সামগ্রী দি আছে। আমাৰ মাননীয় বিভাগীয় মন্ত্রী মহোদয়ে এই গোটেই কথা বিলাক চিন্তা কৰি চাব লাগে। আকাশী গংগাৰ সেই মানুহবিলাকৰ নিচিনাকৈ অইন ঠাইৰ মানুহৰ যাতে তেনেকুৱা অৱস্থা নহয়, সেইটো মাননীয় মন্ত্রী মহোদয়ে চাব লাগে। নলবাৰীত বহুত ঠাইত আৰ্চেনিক ওলাইছে। এই ক্ষেত্রত যদি উপযুক্ত পদক্ষেপ লোৱা নহয় তেতিয়াহ'লে আৰ্চেনিকৰ ভয়াৱহ অৱস্থাৰ বলি হ'ব। গতিকে বিনামূলীয়াকৈ বিশুদ্ধ খোৱাপানীৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। আমি কেন্দ্রীয় চৰকাৰলৈ পত্র প্রেৰণ কৰিব লাগে যাতে কেন্দ্রীয় চৰকাৰে ৰেকাৰিং আকাৰত প্রত্যেক বছৰে আমাক পইচা দিয়াৰ ব্যৱস্থা কৰে। নতুন আঁচনি বনোৱাতকৈ পুৰণা আঁচনিবিলাক কার্য্যক্ষম কৰি তোলাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। ৫০ শতাংশ আঁচনিয়েই সুন্দৰভাৱে পানী যোগান ধৰিব পৰা নাই। ক'ৰবাত কিছুমান আঁচনিত দুই এদিন পানী পোৱাৰ পিছত আকৌ বন্ধ হৈ যায়। এই আঁচনিবিলাকৰ ক্ষেত্রত এনেকুৱা ধৰণৰ বহুত সমস্যা আছে। আমি সাধাৰণ মানুহক যদি খোৱাপানী যোগান ধৰিব পাৰো তেতিয়াহ'লে মানুহ স্বাস্থ্যৱান হ'ব আৰু আমাৰ স্বাস্থ্য বিভাগৰ বহুত কাম কৰি যাব। মানৱ সম্পদ স্বাস্থ্যৱান হোৱাৰ লগে লগে সামাজিক, অর্থনৈতিক আদিৰ ক্ষেত্রত উন্নতি হ'ব। সেই কাৰণে এই কথা বিলাক অত্যন্ত গুৰুত্ব সহকাৰে লৈ আঁচনিবিলাক সফলভাৱে ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। সদায় গতানুগতিক দৃষ্টিভংগীৰে চলি থাকিব সেইটো হ'ব নোৱাৰে। সদনৰ মর্যাদা যেনে ধৰণে লাঘৱ হৈছে সেইটো হ'বলৈ নিদিব। কাৰণ সেই বিলাক ক্ষেত্রত আমি লাজ পাওঁ। অকল আমি নহয় সকলোৱে লাজ পায়। আমাৰ কথা বিলাকৰ ভাল ধৰণে উত্তৰ দিব লাগে। কিবা কাৰণত ৰিপ্লাই সঠিকভাৱে দিব নোৱাৰিব পাৰে

কিন্তু উপলুঙা নকৰিব। কাৰণ অসমৰ জনসাধাৰণে এই কথা বিলাক চাই আছে। অসমৰ জনসাধাৰণ ইমান সচেতন যে সংবাদ মাধ্যমৰ জৰিয়তে খুব কম সময়ৰ ভিতৰতে সেই কথাবিলাক গম পায়। বিধানসভাত কোনোবাই ৫ মিনিট চকু মুদি থাকিলেও সেই কথা সংবাদ মাধ্যমত যায়। আমি কথা বিলাক কওঁতে সচেতন হ'ব লাগে। ৰাইজে যাতে আমাৰ প্ৰতি বিৰুপ ভাব বা বিতৃষ্ণা প্ৰকাশ নকৰে সেইটো লক্ষ্য ৰাখিব লাগে। আমি যাতে লাইব টেলিকাষ্টৰ জৰিয়তে কেৱল নিজৰ সমষ্টিত প্ৰভাৱ পেলাবৰ কাৰণে ইচ্ছুসমূহ ভাঙি নধৰো সকলো ৰাইজৰ কাৰণে যে আমাৰ দায়বদ্ধতা আছে সেই কথাবিলাক গুৰুত্বসহকাৰে লৈ আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যথেষ্ট সবল পদক্ষেপ ল'ব বুলি আশা কৰিছো। যি ১৫৮৪৩৫.৭০ লাখ টকা পানীযোগান আৰু অনাময় আঁচনিৰ কাৰণে বিচাৰিছে তাতকৈ বহুত বেছি টকা মঞ্জুৰ কৰিব লাগে। মই মাননীয় বিৰোধী দলৰ বিধায়কসকলক কৰ্তন প্ৰস্তাৱ উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছো। আমি আশা ৰাখিছো আমি কোৱা কথাবিলাক সুন্দৰভাৱে অনুধাৱন কৰি মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব। শেষত মই মাননীয় মন্ত্ৰী মহোদয়ক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ কাৰণে অনাময় আঁচনি বিলাক সঠিকভাৱে ৰূপায়ণ কৰাৰ কাৰণে অনুৰোধ জনাই আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ ইমানতেই সামৰণি মাৰিলো।

* **শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুটামান কথা বিশেষভাৱে মন্ত্ৰী মহোদয়কজনাব বিচাৰিছো। সন্মানীয় বিৰোধী দলৰ বিধায়কসকলে হওক বা আমাৰ দলৰ বিধায়ক হওক এই কৰ্তন প্ৰস্তাৱৰ ভিত্তিত বিভিন্ন পৰামৰ্শ সুন্দৰভাৱে ডাঙি ধৰিছে।

* Speech not corrected

মই বিশেষ সময় ল'ব বিচৰা নাই। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ ল'ৰা-ছোৱালীবিলাকক বিজ্ঞান ভিত্তিত বা পঢ়াশুনাত আগবঢ়াই নিবলৈ আমি ভাল পৰিৱেশ দিব লাগিব বা ভাল খোৱাপানীৰ ব্যৱস্থা কৰিব লাগিব। সেই কাৰণে আমাৰ মন্ত্ৰী মহোদয়ে প্ৰত্যেক জিলাত অতি শীঘ্ৰে ৰিভিউ মিটিং অনুষ্ঠিত কৰক। আৰু ৰিভিউ মিটিঙৰ জৰিয়তে আমাৰ বিধায়কসকলে বহুত সমস্যাৰ কথা মন্ত্ৰী মহোদয়ক জনাব পৰা নাই। আমাৰ বিধায়কসকলে পৱিত্ৰ সদনত অতি শীঘ্ৰে ভাল খোৱাপানীৰ যোগান ধৰাৰ কথা কৈছে। কাৰণ পানীয়েইহে জীৱনৰ প্ৰাণ। তেওঁলোকে আকাশী গংগাৰ কথা কৈছে। মই এই সুযোগতে আমাৰ মাননীয় সদস্য জয়ন্তমল্ল বৰুৱা আৰু কেশৰ মহন্ত ডাঙৰীয়াক অনুৰোধ জনাম তেওঁলোকেও খোৱাপানী আৰু শৌচালয়ৰ কথা কোৱাৰ কাৰণে আমি মোকও ক'বৰ কাৰণে সুবিধা দিয়াত মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাম।

মাননীয় উপাধ্যক্ষ মহোদয় ঃ আপোনাৰ নিজৰ ছিটৰ পৰা কৈছেনে? যদি নাই কোৱা তেতিয়া হ'লে জিনৰ ছিটৰ পৰা কওক।

*** শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ খোৱাপানীৰ লগতে অনাময় লেট্ৰিনৰ কথা আলোচনা হৈছে মই ভাল পাইছো। এতিয়াও গাঁওবিলাকত প্লাষ্টিকৰ বেৰ দি লেট্ৰিনৰ ব্যৱহাৰ কৰি আছে। উপাধ্যক্ষ মহোদয়, মই কওঁ যে খোৱাপানীৰ কাৰণে টিউৱেল আৰু লেট্ৰিনৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম। কাট মোচনৰ আঁচনি বিলাকত ভালদৰে চলি আছে নে নাই ঠিকাদাৰে কাম কৰি আছে নে নাই আৰু এইবিলাক কমাৰ্চিয়েলৰ পৰা ডময়েষ্টিক কৰিব লাগে ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

---

* Speech not corrected

মাননীয় উপাধ্যক্ষ মহোদয় ঃ চেৰমান আলী বেছি দীঘলীয়া নকৰি চমুকৈ কওক।

*** শ্রীচেৰমান আলী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলে অনা কর্তন প্রস্তাৱ আলোচনা কৰিবলৈ সুবিধা দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, প্রত্যেকজন মাননীয় সদস্যই খোৱাপানীৰ কথা ব্যক্ত কৰিছে। খোৱাপানী আমাৰ প্রয়োজন, খোৱাপানী যোগান ধৰাৰ ক্ষেত্রত কি কি কাৰণত ব্যর্থ হৈছে। মই বেছিকৈ নকওঁ আমাৰ যিবিলাক স্কীম আছে বেছিভাগেই তিনি বছৰে এনেকুৱা ধৰণৰ কথা শুনি আহিছে কিন্তু কোনো প্রতিক্রিয়া হোৱা নাই। স্কীম ৰূপায়ণ কৰা মই আজি তিনি বছৰে দেখাই নাই। আজি ৪০ টা স্কীম আছে সেই স্কীম ৰূপায়ণ কৰা নাই। কিন্তু হাজাৰ হাজাৰ কোটি টকা খৰচ কৰা হৈছে। মোৰ সমষ্টিত ৬০ ভাগৰ ২টা স্কীম আছে তাকও ৰূপায়ণ কৰোতে ৪ কিলোমিটাৰ ভিতৰত ৩ কিলোমিটাৰহে কৰে। ৰাটাৰ স্কীমত মাহে ২/৩ বাৰ বেয়া হয়। তাত এজন খালাচী থাকে। সেই খালাচীজনক নিয়োগ কৰে প্রায় ২০ কিলোমিটাৰ দূৰৰ। কিয় ২০ কিলোমিটাৰ দূৰৰ মানুহজনক নিয়োগ কৰা হ'ল। এই মেচিন বিকল হৈ থাকে কিয়? ই বিলাকৰ ক্ষেত্রত ভালকৈ চাব লাগে বিষয়া ৰেচপনচিবল নে ঠিকাদাৰ ৰেচপনচিবল?

উপাধ্যক্ষ মহোদয়, আজি চৰ অঞ্চলত ৮০ শতাংশ মানুহৰে কাৰেণ্টৰ ব্যৱস্থা নাই। ওৱাটাৰ চাপ্লাইৰ ব্যৱস্থা নাই। ৩০ লাখ মানহে চৰ অঞ্চলত বাসবাস কৰে। পানী আমাৰ জীৱনৰ কাৰণে অপৰিহার্য্য। পানী আমাৰ জীৱন। এই ৩০ লাখ মানুহৰ কাৰণে দুর্ভাগ্যজনক কথা হ'ল যে এই ৩০ লাখ মানুহৰ কাৱণে পানী যোগান ব্যৱস্তাৰ বাজেটত কোনো নাম নাই। প্রতিটো সমষ্টিত পানী যোগান ব্যৱস্থাৰ বাবত ৬ কোটিকৈ টকা দিয়া হয়। বহু চৰ অঞ্চল আছে য'ত কাৰেণ্টৰ

ব্যৱস্থানাই। তাত স্কীম নালাগে। এক কোটি টকা দিয়ক টিউবৱেল, টাৰাপাম্পৰ ব্যৱস্থা কৰিব পৰা যাব। প্ৰতিটো সমষ্টিত ৫০টাকৈ টিউবৱেল দিয়া হ'ব বুলি কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আমি পি এইচ ই ডিপাৰ্টমেণ্টক সমালোচনা কৰি আছো, কিন্তু দুই এটা স্কীম নচলা নহয়। তিতাবৰত এশ কোটি টকীয়া স্কীমটো ধুনীয়াকৈ চলি আছে। সেইটো আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ সমষ্টিত। চেনিটেচনৰ ক্ষেত্রত বি পি এল কার্ড থকা পৰিয়ালক দিছে। এ পি এল কার্ড থকা পৰিয়ালক দিয়াৰ ব্যৱস্থা কৰা নাই। মোৰ সমষ্টিত টোটেল চেনিটেচন সন্দর্ভত ১ শতাংশ কাম কৰা হোৱা নাই। চেনিটেচনৰ সামগ্রী পঞ্চায়তৰ প্রেছিডেণ্ট-চেক্রেটেৰীৰ হাতত দি পঠাই পিছত কোনো ইঞ্জিনীয়াৰে গৈ নাচায়। মোৰ বৰপেটা জিলাত এটাও চেনিটেচন ব্যৱস্থা নাই।

Mr. Deputy Speaker : Now, Hon'ble Member Shri Kamalakhya Dey Purkayastha.

*** কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহাশয়, Cut motion এৰ বিরোধিতা করে আমি কয়েকটি কথা বলতে চাই। জলের আর এক নাম জীবন। কাজেই PHE কে সবচেয়ে বেশি প্রায়োরিটি দেওয়া হয় যাতে লোকে সুন্দরভাবে জল পায়। আসামে প্রায় ৯০৭৩ টা প্রকল্প আছে, তার মধ্যে on going ১৮১০, ৭৬৩৮ টার কাজ শেষ হয়েছে এবং এগুলো রানিং কনডিশনে আছে। আমরা দেখেছি যে ৬৮১ টা প্রকল্প defunct হয়ে আছে এবং আমি বিভাগীয় কর্তৃপক্ষর সঙ্গে আলোচনা করেজানতে পারি যে প্রায় ২০৫৬ কোটি টাকার প্রয়োজন সেগুলো মেরামত করার জন্যে। আজকের এই দিনে cut motion এর বিরোধিতা করে বলতে চাই যে PHE Department এর আরো

* Speech not corrected

টাকার প্রয়োজন। আমরা সব মাননীয় সদস্যকে অনুরোধ করছি যাতে PHE Department কে আরো বেশি টাকা দেওয়া হয়। টাকাটা এর জন্যই দেওয়া হোক যে জলের আরেক নাম জীবন এবং আমরা জল ছাড়া বাস করতে পারি না। প্রত্যেকটা Plant এ এক একজন কর্মী রাখা হয়েছে এবং এদের প্রত্যেককে যে ৫২০০ টাকা করে দেওয়ার প্রকল্প হাতে নেওয়া হয়েছে, ৩/৪ মাস থেকে সেটা বন্ধ হয়ে আছে। আমি মাননীয় মন্ত্রী মহাশয়কে অনুরোধ করব যাতে উনি সেই পদক্ষেপকে continue করার জন্য একটা ভালো পদক্ষেপ হাতে নেন। বিগত দিনে ওদের সঙ্গে কথা হয়েছিল Government leval থেকে যাতে ওদেরকে recognition দেওয়া হয় যাতে ওরা উপলব্ধি করতে পারে যে ওরা কাজ করছে। আমরা মন্ত্রী মহাশয়কে অনুরোধ করব যে এই ৫২০০ টাকা দেন continue করা হয়। তবে আমরা আরো বেশী কর্মী নিয়োগ করতে পারি। প্রত্যেকটা plant এ যদি Land owner family থেকে একজন করে কর্মী নিয়োগ করতে পারি তবে অনেক সমস্যার সমাধান হবে। power এর কথা বলা হয়েছে, ডিজেলের কথা বলা হয়েছে বিগত দিনে গুজরাট ও অন্য রাজ্যগুলিতে দেখেছি যে সেই রাজ্যগুলিতে Subsidised rate এ current মুকুব করা দেওয়া হয়েছে। সেই পানী যোগান আঁচনি যেগুলো চলছে সেগুলোর জন্য কোন টাকা পয়সা নেওয়া হয়নি। Diesel ও subsidised rate দেওয়া হয়েছে। আমরা যদি subsidised rate এ দিতে পারি বা current free করে দিতে পারি তবে এই যে দুটা সমস্যা (১) মেন পাবার সমস্যা ও (২) current এর সমস্যা ফ্রি করে দিতে পারি এবং Diesel ও যদি free করে দিতে পারি তবে আমাদের সমস্যর সমাধান হয়ে যাবে।

আমি মনে করি PHE Department কে আরো টাকা দেওয়া হওক। PHE Department এ যেগুলো plant চলে তাতে current free দেওয়া হয় না। পানীর প্রকল্পগুলিতে যদি free Current দেওয়া হয় তাহলে জলের সমস্যা সমাধান হবে। অনেকে Users Committee র কথা বলেছে। আমরাও সেটা উপলব্ধি করতে পারি। অএনক সময় বিধায়ক হিচাপে Users Committee র সঙ্গে যোগাযোগ করি। কিন্তু আমাদের আসামের গ্রাম্যঞ্চলের লোকেৰা খুব গরীব। সেজন্য হয়ত ৫০/১০০ টাকা করে যখন দেওয়ার কথা বলা হয় তখন ওরা সেটা মানতে চায় না। তার জন্য আমরা দেখি যে Plant গুলো ঠিকমত চলে না। মন্ত্রী মহাশয়কে বলব যে ২/৩ টা সিদ্ধান্তর কথা বলা হয়েছে বা অনেকে যেগুলো Suggestion দিয়েছে সেগুলো মিলে আমরা একটা সিদ্ধান্তে উপনিত হতে পারি। Vigilence monitoring এর কথা বলা হয়েছে। Constituency wise যদি আমরা এম এল এ দেরকে দায়িত্ব দিয়ে দেই এবং সেই Vigilence Committee র সদস্যদের নিয়ে Engineer রা সবসময় ঘুরাফিরা করতে পারে তবে আমাদের যে সমস্যা আছে সেগুলো আমরা সমাধান করতে পারব। শুধু আমরা Department কে দোষারোপ করে এই সমস্যার সমাধান করতে পারব না। এই সমস্যার সমাধান করতে গেলে আমরা যারা MLA রা আছি আমাদেরকেও সচেষ্ট হতে হবে। এটা একটা সুন্দর বিভাগ। এটা যদি সুন্দরভাবে চলে তবে আমরা জল পান করতে পারব। জলটাই যাতে ভালভাবে পান করতে পারি সেই আশা নিয়ে কর্তন প্রস্তাবের বিরোধিতা করে আমার বক্তব্য শেষ করিছে।

Mr. Deputy Speaker : Now, Hon'ble Member Shri Sib Charan Basumatary.

* **শ্রীশিৱ চৰণ বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ গোৱালপাৰা জিলাৰ দুধনৈ সমষ্টিত কেইটামান সমস্যা আছে। তাত একেবাৰে পানী নাই। আমাৰ পি কে দাস ডাঙৰীয়া আছে, তেওঁৰ জাগাতো একেবাৰে পানী নাই। তাৰ ৰাইজে ২ৰ পৰা ৫ কিলোমিটাৰ পর্য্যন্ত খোজকাঢ়ি পানী আনিব যাব লাগে। খোৱাপানীৰ আঁচনি বিলাকলৈ গ'লে তাত আমাক কোনো গুৰুত্বই নিদিয়ে। তাত পানী যোগানৰ বাবে যিবিলাক পাইপ বহুওৱা হৈছে সেইবিলাকৰ জইনত ক'লা প্লাষ্টিক পুৰি আঠা লগাই দিয়া হৈছে। যাৰ ফলতজইনবোৰ সোনকালে খোল খাই যায়। আমি জি, আই পাইপ দিয়াৰ কথা কৈছিলো, কিন্তু আজিও কার্য্যকৰী নহ'ল। কিছুমান এনেকুৱা আঁচনি আছে য'ত বৰিঙৰ কাম হৈছে কিন্তু ঠিকাদাৰে পইচা পোৱা নাই। কেতিয়াবা ২০ হাজাৰ পাইছে, কেতিয়াবা ৩০ হাজাৰ পাইছে। তেওঁলোকে আহি মোক গোচৰ দিয়ে। গতিকে ঠিকাদাৰে কেনেকৈ কাম কৰিব। যিবিলাক পাইপ পোতা হৈছে সেইবিলাক ওপৰে ওপৰে পোতা হৈছে। যাৰ ফলত গৰুৱে খোজ কাঢ়িলেই পাইপবোৰ ফুটি যায়। উপাধ্যক্ষ মহোদয়, মানুহে পানী নহ'লে চলিব নোৱাৰে। গতিকে, মন্ত্রী মহোদয়ে কামবোৰ চোৱা-চিতা কৰাৰ বাবে কমিটী এখন গঠন কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া গোটেই অসমৰ ৰাইজৰ সুবিধা হ'ব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া বিভাগীয় মন্ত্রীয়ে উত্তৰ দিব।

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই বিভাগটোৰ ওপৰত কাট মোচন অনাৰ বাবে মই ভাল পাইছে। আজি মাননীয়

* Speech not corrected

বিধায়কসকলে যিবোৰ কথা কৈছে সেইবোৰৰ ৯০ শতাংশই কাৰেক্ট। আজি আমাৰ নতুনকৈ অহা বিধায়কসকলে যথেষ্ট ভাল কথা কৈছে। তেওঁলোকে এই বিষয়ে ষ্টাডি কৰি আহিছে। তেওঁলোকৰ ভৱিষ্যৎ আৰু ভাল হ'ব, তেওঁলোকে আৰু ২/৩ বাৰ এম এল এ হ'ব পাৰিব। ময়ো প্ৰথমে এম এল আছিলো। উপাধ্যক্ষ মহোদয়, এই বিভাগটো এটা জটিল বিভাগ। পি ডব্লিউ ডিৰ ৰাস্তা যদি বেয়া হয়, তেতিয়া মানুহে জাপ মাৰি হ'লেও যাব পাৰে। ৰাটাৰ ৰিছোৰ্ছৰ যদি বান্ধ বাণ্ডি যায় তেতিয়াহ'লে বস্তা দি হ'লেও বান্ধ ৰখাব পাৰি। কিন্তু আমাৰ এই বিভাগটো বৰ চেনছিটিভ। এই বিষয়ে মই বেছি আৰগুমেণ্ট নকৰো। ফাণ্ডিং নহ'লে কাম নহয়। আপোনালোকে কৈছে ধুনীয়া মন্দিৰৰ দৰে স্কীম বনাইছে, আমি এগ্ৰি কৰিছো। কিন্তু এইবিলাকত যদি পইচা দিব নোৱাৰো লাহে লাহে স্কীমবোৰ বন্ধ হৈ যাব। মই মন্ত্ৰী হোৱাৰ পিছত বহুতো স্কীম কৰিছো আৰু বহু ৰাজ্য ঘূৰিছো। মই গুজৰাটলৈও গৈছো। মোডী চাহাবৰ লগত মোৰ আগৰে চিনাকি। তাত যিহেতু ড্ৰাই ষ্টেট তাত ডাঙৰ ডাঙৰ পাইপ বহুওৱা হৈছে। এই দীঘল দীঘল পাইপবোৰ আগৰ পৰাই আছে। মোডী মুখ্যমন্ত্ৰী হোৱাৰ পাছত সেইবোৰ আৰু ইম্প্ৰুভ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়ন্তমল্ল বৰুৱাই ফিক্স পেৰ কথাটো কৈছিল। মই ভাবিছিলো প্ৰশ্নোত্তৰ কাল শেষ হোৱাৰ পিছত জিৰ আৱাৰ আৰম্ভ হ'ব আৰু সেই সুযোগতে মই মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰলৈ গৈ এই বিষয়ে আলোচনা কৰি কমিটমেণ্ট এটা দিম। কিন্তু জিৰ' আৱাৰ নোহোৱাৰ বাবে সেইটো সুযোগ নাপালো। থথাপি আমি দুমাহৰ দৰমহা দিছো। আমাক হউজাৰছ কমিটী লাগিব। এতিয়া আমাৰ নিৰ্মল ভাৰত অভিযান আহিছে। তাত

আমাৰ বিভাগে পুৰস্কাৰো পাইছে। তাত আমাৰ ১৫ লাখ টকা জমা আছে। ৫ হাজাৰ মানুহৰ কাৰণে আমি এতিয়া কৰিছো। আজি এটা কথাত সকলোৱে মাননীয় বিধায়কে একমত হৈছে যে বিকল হৈ থকা আঁচনিসমূহ চালু কৰিব লাগে। যদি বাজেটত টকা দিয়ে আমি কাম কৰিব পাৰিম। আজি গুজৰাট, মিজোৰাম আদি ৰাজ্যত যিমান হেভিটেচন আছে তাতকৈ আমাৰ অসমৰ হেভিটেচন বহুত বেছি। দিল্লীয়ে এই কথা গম নাপায়। অসমত সদায় পানী হয়, গতিকে তেওঁলোকে অসমত পানীৰ দৰকাৰ নাই বুলি ভাবে। এইবাৰ আমাৰ প্লে ফাণ্ডটো ১০ শতাংশ বাঢ়িছে, ৪৫০ কোটিৰ পৰা ৫৫০ কোটি টকা হৈচে। আজি চৰ অঞ্চলৰ মানুহে বহুতো চাফাৰ কৰি আছে. সেইটো আমি চাম। আজি আৰ্চেনিকৰ সমস্যাটো আপাৰ আসামতে বেছি। যোৰহাট, গোলাঘাট আদি ঠাইত বেছি। ২০০৮ চনত যোৰহাটত যিটো আঁচনি দিয়া হৈছিল তাৰ কামখিনি যোৱা তিনি বছৰে আগবঢ়া নাছিল। মই অহাৰ পিছত কামটো শেষ কৰিলো। কিন্তু মেৰামতিৰ বাবে যদি আমি টকা নাপাওঁ তেতিয়াহ'লে এই আঁচনিবোৰ বন্ধ হৈ যাব। ২০১১ চনত ষ্টেট প্লেনত আমি পাইছিলো ১৬৯ কোটি টকা, কিন্তু ইয়াৰ বিপৰীতে আমি ২০১৪-১৫ বৰ্ষত পাইছো ১১১ কোটি টকা। বহুতো ৰাজ্যই এতিয়া বিদ্যুৎ আৰু মানৱ শক্তিৰ ওপৰত ছাবচিডি দিছে। গুজৰাটেও দিছে। কিন্তু আমি গম পাইছো যে আমাৰ মুখ্যমন্ত্রীলৈ চিঠি এখন আহিছে যে বিদ্যুতৰ ছাবছিডিটো উঠাই ল'ব পাৰে। ইয়াত যিহেতু আজি আমাৰ শক্তিমন্ত্রী আছে তেখেতক মই কথাটো জনাই থ'লো। এই ক্ষেত্রত মই মাননীয় বিধায়কসকলৰ পৰা সহায়-সহযোগিতা বিচাৰিছো। মই নিজেই বিদ্যুৎ নিয়ামক আয়োগলৈ গৈ চেয়াৰমেনক লগ কৰি পি এইচ ইৰ বিদ্যুতৰ

ছাবচিডি নাকাটিবৰ বাবে অনুৰোধ কৰিছিলো। গতিকে আপোনালোকে আজি এটা ডিচিচন দিব লাগিব যে অন্য বিভাগৰ ফাণ্ড কাটিলেও যাতে এই বিভাগৰ ফাণ্ড কাট কৰা নহয়। অসমৰ মানুহ বৰ দুখীয়া, তেওঁলোকে পইচা দিব নোৱাৰে। পাইপ যোগানৰ ক্ষেত্ৰত এটা অভিযোগ উঠিছে। আমি যিবোৰ পাইপ দিছো সেইবোৰ সকলো আই এছ আই মার্ক থকা। ইয়াৰ বাবে আমাৰ টেষ্টিং মেচিনো আছে। পাইপৰ কুৱালিটি যাতে বেয়া নহয় তাৰ বাবে মই সতর্ক থাকিম। কিছুমান ৰাজ্যই জি আই পাইপ দিছে। জি আই পাইপৰ দাম বেছি। সেই কাৰণে বেংগল, উৰিষ্যা আদিয়ে পি ভি চি পাইপ দিছে।

আকাশী গংগাৰ যিটো বিষয় সেইটো পুৰণি টেপৰ দৰে। এইটো বাজিয়েই থাকিব। কিন্তু এইটো দুখৰ কথা। মই টিভিত দেখি তালৈ ৰাতিপুৱা গৈছিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি টেলিভিছনত দেখি লগে লগে তালৈ গৈছো। ছিৰাজ ভাইৰ সমষ্টি। এইটো বহুত দিনৰ ২০০১ চন মানৰ পৰাই হৈ আছে। বহুত বেয়া লগা কথা। ডিষ্ট্রিমক লৈ চি এমৰ তাত গৈছো। মাননীয় মুখ্যমন্ত্রী মহোদয়ে কেনেকৈ এইটো ছল্‌ভ কৰিব পাৰি চাম বুলি কৈছে। কালি আমাৰ সমাজ কল্যাণ মন্ত্রী মহোদয়েও এই ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি কৈছে। (ইংৰাজীত) তথাপিও মই সমাজ কল্যাণ মন্ত্রীৰ লগত যাম। পংগু নোহোৱাৰ ব্যৱস্থা কৰাতো চাব লাগিব। আমি ইতিমধ্যে দিপটিউৱেলবোৰ উঠাই দিছো। সেইবিলাক অৱশ্যে আমি বহোৱা নাছিলো মানুহে নিজেই বহাই লৈছিল। এতিয়া টপাজুলি এৰিয়াৰ কথা। ৮টা স্কীম লোৱা হৈছে কাম আৰম্ভ হ'ব। উপায়ুক্তই গৈ চাব। যায় যদি কালি পৰহিৰ ভিতৰত জনাব চিন্তা কৰিব লাগিব। আকাশী গংগা (ইংৰাজীত)। এই

মানুহখিনিৰ ব্যৱস্থা ল'ম। চবেই একেই ইছুৰ কথা কৈছে। মেইন বাজেটত নহ'লে ডিফাৰেণ্ট স্কীমত চিন্তা কৰিব লাগিব।

চেলিটেচন— মাননীয় উপাধ্যক্ষ মহোদয়, আগতে ২৭০০ টকা আছিল এতিয়া ৪০০০ টকা হৈছিল। বেনিফিচাৰী ৩০০ (ইংৰাজীত)। ৫,৪০০ এনৰেগাৰ। মুঠ ১১ হেজাৰ ৪০০ টা লেট্রিন বনাবৰ কাৰমে উপায়ুক্তবোৰক চিঠি দি নির্দেশ দিয়া হৈছে। জিপিত ১০০ টা। এই এন জি অ'ৰ পলীচিতো ভুল। কথা ভাল নহয়। ইয়াত পিএ চি নহয় এন জি অ'য়ে কৰে। উপায়ুক্তক চেয়াৰমেন কৰিলে ভাল হ'ব। মই এতিয়া জুনিয়ৰ ইঞ্জিনীয়াৰ এজন দিম। ধুবুৰী জিলাত পইচা এনেয়ে পৰি আছে। আপোনালোকে প্রধানমন্ত্রী মোড়ীক কওঁক। আমিতো পলিচী নবনাও কেন্দ্রীয় চৰকাৰেহে বনায়। আচ্চাদিন আহিব এইবাৰ বিহাৰৰ ইলেকচনত দেখিলে নহয় কেনেকুৱা আচ্চাদিন আহিল। পলিটী চেঞ্জ হ'লে ক্লিয়াৰ হ'ব। হেণ্ড পাম্পৰ কথা কোৱা হৈছে বৰপেটা, গোৱালপাৰা, ধুবুৰীত। এইখিনি কথা আমি স্থানীয় বিধায়ক বিশেষকৈ চৰ এৰিয়াৰ বিধায়কৰ লগত বহি আঁচনিটো ক্লিয়াৰ কৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় অধ্যক্ষ আহানউদ্দিন ছাৰ আছে, লেণ্ড ৰিকিজিচন নহ'ব। মাটি নিজে দিব লাগিব। আজিকালি এম এল এ হকে স্পেন কৰিব লাগিব। আমি ফাইনেন্সৰ লগত কথা পাতিব লাগিব। খোৱাপানী ভাল হ'লেহে স্বাস্থ্য ভাল হ'ব। আমি মাননীয় সদস্য কবিতা ডাঙৰীয়াৰ সমষ্টিটো পানীৰ ৰেডিও দেখিছো। পানী বহুত কম আহে। ১০০০ কম আছে।

* শ্রীঘনশ্যাম কলিতা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টি দলং জিলাত পানী নাই। আপুনি এদিন আমাৰ তালৈ আহক।

* Speech not corrected

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** আপুনি কেতিয়া ঘৰলৈ যাব? আপুনি যেতিয়া যায় মই তেতিয়া আপোনাৰ লগত যাম।

* **শ্রীআব্দুল ৰহিম খান ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উপলব্ধ আঁচনি দিয়াৰ ক্ষেত্রত আমাৰ বিধায়কসকলক ল'ব লাগে.

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** লোকেল এম এল এ কনচাল কৰা হ'ব। আমি ভাল পাইছো সকলো এম এল এ একগোট হৈছে। আপোনালোকে আমাক সহায় কৰক।

* **শ্রীমইন উদ্দিন আহমেদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে, আমাৰ তিনিটা বিষয়ৰ উত্তৰ নিদিলে। এলোটমেণ্ট, ভিজিলন্স, জেনেৰেটৰ।

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** বহুত কম্পেই আহে। এটা কামৰ কাৰণে ৫০ জন মানুহ আহে। সেই কাৰণে ঠিকাদাৰসকলক ভাগ ভাগ কৰি দিয়া হৈছে।

* **শ্রীমইনউদ্দিন আহমেদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ঠিকাদাৰসকলৰ ঘৰ বিলাক চলাৰ কথা চিন্তা কৰিছে।

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এম এল এ সকলক আমি চিয়াৰমেন কৰি এখন কমিটী বনাই দিম।

* **শ্রীকেশৰ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে তিনিটা কথা নক'লে। ফেলাৰাইডৰ কথা নক'লে, আর্চেনিকৰ কথা নক'লে, আইৰণৰ কথা নক'লে।

* **শ্রীগৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, স্কীম বিলাক ইয়াত আছে। যমুনামুখ, দৰকা, হোজাই আদিত ইয়াত আছে, গাই দিম নেকি? গোলাঘাট, যোৰহাট, আৰু গুৱাহাটীত আর্চেনিক নাই।

মাননীয় অধ্যক্ষ ঃ এতিয়া ১। শ্রীহাফিজ বছিৰ আহমেদ, শ্রীআব্দুৰ ৰহিম খান,

---

* Speech not corrected

শ্রীআব্দুৰ ৰেহমান আজমল, শ্রীমতী গুল আখতাৰা বেগম, শ্রীআবুল কালাম আজাদ, শ্রীজাহান উদ্দিন, শ্রীআলী হুছেইন, শ্রীৰফিকুল ইছলাম, শ্রীমনোৰাৰ হুছেইন, শ্রীশ্বেখ শ্বাহ আলম, শ্রীমজিবুৰ ৰহমান, শ্রীমইন উদ্দিন আহমেদ, শ্রীগোপী নাথ দাস, শ্রীস্বপন কৰ, শ্রীআমিনুল ইছলাম ২। শ্রীযাদৰ চন্দ্র ডেকা, শ্রীমনোৰঞ্জন দাস, শ্রীদিলীপ মৰাণ, শ্রীৰঞ্জিত কুমাৰ দাস, শ্রীপ্রশান্ত ফুকন ৩। শ্রীমতী প্রমীলা ৰাণীপ্রহ্ম, শ্রীচন্দন ব্রহ্ম, শ্রীৰিহন দৈমাৰী, শ্রীকমল সিং নার্জাৰী, শ্রীমতী কমলী বসুমতাৰী, শ্রীবানেন্দ্র মুচাহাৰী, শ্রীমনেশ্বৰ ব্রহ্ম, শ্রীমাজেন্দ্র নার্জাৰী, শ্রীৰাখেশ্বৰ ব্রহ্ম, শ্রীইমানুৰেল মুছাহাৰী, শ্রীপ্রদীপ কুমাৰ ব্রহ্ম ৪। শ্রীফণী ভূষণ চৌধুৰী, শ্রীপ্রফুল্ল কুমাৰ মহন্ত শ্রীকেশৰ মহন্ত, শ্রীভূপেন ৰায়, শ্রীউৎপল দত্ত, শ্রীপ্রবীণ হাজৰিকা, শ্রীপদ্ম হাজৰিকা, শ্রীমুকুন্দ ৰাম চৌধুৰী, শ্রী নৰ কুমাৰ দলে আপোনালোকে কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰিব নেকি?

শ্রীআব্দুৰ ৰহিম খান ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী ডাঙৰীয়াই আমাক যি আশ্বাস দিছে সেই কাৰণে মই কর্তন প্রস্তাৱটো উঠাই লৈছো।

মাননীয় উপাধ্যক্ষ ঃ সময় ১০/১৫ মিনিট বঢ়াই দিয়া হৈছে।

এতিয়া মাননীয় সদস্যসকলৰ কর্তন প্রস্তাৱটো প্রত্যাহাৰ কৰাত সন্মতি আছে নে? (ভইচ আছে, আছে)

সদনৰ সন্মতি সাপেক্ষে কর্তন প্রস্তাৱসমূহ প্রত্যাহাৰ কৰা হ'ল।

মই এতিয়া কর্তন প্রস্তাৱটো সদনত দাঙি ধৰিলো।

"২০১৪-১৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ৬ অংশৰ ১০৪-১১১ পৃষ্ঠাত থখা "পানী যোগান আৰু অনাময়" শিতানৰ ৩০ নমবৰ মঞ্জুৰীৰ বাবে ধার্য্য কৰা সমগ্র এক হাজাৰ আঠাৱন্ন লাখ চাৰিশ পঁয়ত্রিশ দশমিক সাত শূন্য এটকা লৈ হ্রাস কৰা হওক, অর্থাৎ মঞ্জুৰীৰ

১৫৮৪৩৫.৭০ লাখ টকা এটকালৈ হ্রাস কৰা হওক।

যিসকল প্রস্তাৱটো ৰ সপক্ষে আছে,

তেওঁলোকে কওক 'হয়'ৰ সপক্ষে,

আৰু যিসকল প্রস্তাৱটোৰ বিপক্ষে আছে

তেওঁলোকে কওক, 'নহয়'ৰ সপক্ষে

'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

মই ভাবো 'হয়'ৰ সপক্ষে।

প্রস্তাৱটো গ্রাহ্য কৰা হ'ল।

ANNOUNCEMENT FROM THE CHAIR

মাননীয় উপাধ্যক্ষ ঃ বিধানসভাৰ চলিত বাজেট অধিৱেশনৰ ৫ আগষ্ট, ২০১৪ তাৰিখৰ কার্য্যসূচীৰ তালিকাভুক্ত অসম বিধানসভাৰ কার্য্যপৰিচালনাৰ নিয়ামৱলীৰ নিয়ম ৩০১ৰ অধীনত "অসমৰ ছয় জনগোষ্ঠী ক্রমে কোঁচ-ৰাজবংশী, তাই-আহোম, চুতীয়া, মৰাণ, মটক আৰু চাহ জনগোষ্ঠীয় লোকসকলক অর্থনৈতিক আৰু সামাজিক ক্ষেত্রত অন্যান্য জনগোষ্ঠীৰ লগত সমবিকাশ ঘটাবলৈ জনজাতিকৰণ প্রয়োজন" সম্পর্কত শ্রীভূপেন কুমাৰ বৰা, শ্রীফণীভূষণ চৌদুৰী আৰু শ্রীভূপেন ৰয়ে উত্থাপন কৰা ৰাজহুৱা স্বার্থ জড়িত বিষয়ৰ ওপৰত আলোচনা কালত মাননীয় সদস্যসকলৰ ফালৰ পৰা অধ্যক্ষৰ নেতৃত্বত এটি সর্বদলীয় প্রতিনিধি দল দিল্লীলৈ গৈ ভাৰতৰ মাননীয় প্রধানমন্ত্রী,

মাননীয় গৃহ মন্ত্ৰী আৰু মাননীয় জনজাতি পৰিক্ৰমা মন্ত্ৰীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদানৰ দাবী উত্থাপন হৈছিল। উক্ত দাবীৰ প্ৰতি মাননীয় ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিবাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰীয়েও সমৰ্থন আগবঢ়ায়। পৱিত্ৰ সদনৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই অসম বিধানসভাৰ এটি সৰ্বদলীয় প্ৰতিনিধি দল হা ছেপ্টেম্বৰ মাহ ২০১৪ৰ ভিতৰত নতুন দিল্লীলৈ গৈ কেন্দ্ৰীয় নেতৃবৰ্গক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰা হ'ব।

এই সন্দৰ্ভত সৰ্বদলীয় প্ৰতিনিধি দলৰ মাননীয় সদস্যসকলৰ নাম ঘোষণা কৰিবলৈ লৈছো—

১) শ্ৰীপ্ৰণৱ কুমাৰ গগৈ অধ্যক্ষ, অসম বিধানসভা-দলপতি

২) শ্ৰীপৃথিৱী মাঝি, মাননীয় মন্ত্ৰী,

৩) শ্ৰীনীলমণি সেন ডেকা, মাননীয় মন্ত্ৰী,

৪) শ্ৰীৰকিবুল হুছেইন, মাননীয় মন্ত্ৰী,

৫) শ্ৰীৰাজীৱ লোচন পেগু, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ-মন্ত্ৰী,

৬) শ্ৰীশৰৎ শইকীয়া, মাননীয় সংসদীয় সচিব,

৭) শ্ৰীবলিন চেতিয়া, মাননীয় সংসদীয় সচিব,

৮) শ্ৰীৰামেশ্বৰ ধানোৱাৰ, মাননীয় বিধায়ক,

৯) শ্ৰীমেস্বৰ গগৈ, মাননীয় বিধায়ক,

১০) শ্ৰীফণীভূষণ চৌধুৰী, মাননীয় বিধায়ক,

১১) শ্ৰীভূপেন কুমাৰ বৰা, মাননীয় বিধায়ক,

১২) ডাঃ দুৰ্লভ চমুৱা, মাননীয় বিধায়ক,

১৩) শ্ৰীদিলীপ মৰাণ, মাননীয় বিধায়ক,

১৪) শ্রীহাফিজ বছিৰ আহমেদ, মাননীয় বিধায়ক,

১৫) শ্রীকমল সিং নার্জাৰী, মাননীয় বিধায়ক,

কেন্দ্রীয় নেতৃবৃন্দক প্রদান কৰিবলগীয়া স্মাৰকপত্র প্রস্তুত কৰাৰ বাবে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগক দায়িত্ব দিয়া হ'ল। স্মাৰকপত্র অনুমোদন আৰু দিল্লীলৈ যোৱাৰ দিন সর্বদলীয় প্রতিনিধি দলৰ বৈঠকত নির্ধাৰণ কৰা হ'ব।

বিধানসভাৰ প্রধান সচিবে নতুন দিল্লীস্থ অসম চৰকাৰৰ আৱাসিক আয়ুক্তৰ সৈতে যোগাযোগ কৰি কেন্দ্রীয় নেতৃবৃন্দক সাক্ষাৎ কৰাৰ সময়সূচী যথা সময়ত মাননীয় সদস্যসকলক অৱগত কৰিব।

* **শ্রীকেশৱ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, দুজনমান সদস্যৰ নাম উঠা নাই তেওঁলোক হৈছে শ্রীফণী ভূষণ চৌধুৰী, ভূপেন বৰা আৰু ভূপেন ৰয়। তেওঁলোকৰ নাম অন্তর্ভুক্ত হ'ব লাগে।

মাননীয় উপাধ্যক্ষ ঃ হ'ব।

* **শ্রীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বৰাক ভেলীত কালিৰ পৰা ধর্মঘট চলি আছে, সেই বিষয়ে কিবা এটা কৰিব লাগে।

